
(ক) ফরেষ্ট রিজার্ভ অঞ্চলে বসবাসকারী লোকেদের ভোটাধিকার ও গাওঁ পঞ্চায়ত গঠন করার অধিকার আছে গৃহ টেক্স দিতেছেন সমবায় সমিতি গঠন

করছেন নার্য্য মূল্যের দ্রব্যাদিও পাইতেছেন কিন্তু তাদের পক্ষে কাহারও বেইল নেওয়ার অধিকার নাই এই অপমানকর ব্যবস্থা সম্বন্ধে সরকার অবিহিত আছেন কি ?
(খ) যদি অবিহিত থাকেন তবে সরকার রিজার্ভ বাসীদের বেইল নেওয়ার নার্য্য অধিকার দেওয়ার ব্যাপারে কি ব্যবস্থা গ্রহণ করিবেন ?
শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী)য়ে উত্তর দিছে :
(ক) ফরেষ্ট বিজার্ভর বন গাওঁত বসবাস করা ফরেষ্ট ভিলেজার বা বন গাওঁ-বাসী বিলাকক খেতির মাটি আক বস্তীর মাটি আবণ্টন করা আছে বা হয়। বননীতি মতে এই আবণ্টন করা মাটিত তেওঁলোকে খেতি করিব পারে ও অস্থায়ীভাবে ঘর বনাই থাকিব পারে, কিন্তু এই মাটির ওপরত তেওঁলোকর বংশগত কোনো স্বত্ব নাথাকে আক কোনো ধরনর পট্টা আদি দিয়া নহয়। সেয়েহে উক্ত মাটি বিক্রি বা হস্তান্তর করিব পরা নাযায়। আদালতর নিয়ম মতে বেইল লবর কারণে মর্ডগেজ হিচাবে মাটির পট্টা দেখুরাব লাগে কারণে ফরেষ্ট বিজার্ভত বসবাস করা ফরেষ্ট ভিলেজারে বন গাওঁত তেওঁর নামত আবণ্টন করা মাটি বননীতি মতে পট্টা নোপোরাত বন্ধকি/মর্ডগেজ আদি থর নোরাবাত বন গাওঁর মাটির জড়িয়তে বেইল লব নোরারে।
(খ) বন গাওঁর বনবাসী সকলে আদালতত বেইল লবর কারণে বন বিভাগর ফালর পরা কোনো ব্যবস্থা গ্রহণ করা হোরা নাই ও বননীতি মতে ব্যবস্থা করার কোনো ব্যবস্থা বা আইন নাই।

(Unstarred Question No 158 was deferred)

বিষয় : চন্দ্রপুরর কলং নদীর ওপরত দলং।

শ্রীমুনিন মহন্তই সুধিছে :
১৫৯। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগর মন্ত্রী মহোদয়ে অনুগ্রহ করি জনাবনে :
(ক) চন্দ্রপুরত কলঙর ওপরত দলং নির্মাণর কাম কি পর্য্যায়ত আছে ?
(খ) যদি বন্ধ হৈ আছে, কিয় বন্ধ হৈ আছে ?
(গ) চন্দ্রপুর হৈ গুরাহাটীর পরা যোরা পথটো কোন স্থানলৈ নির্মিত হব জনাবনে আক উক্ত পথ টা কোন আঁচনির অন্তর্ভুক্ত আক পথটো নির্মাণর বাবে আবন্টিত পুঁজির পরিমান কিমান আক পুঁজি যোগান ক'র পরা হৈ আছে ?

(ঘ) উক্ত পথ, দলং সহ কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হব জনাবনে?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ বাজিক মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) বৰ্ত্তমান আদালতৰ নিৰ্দ্দেশ ক্ৰমে কামটো স্থগিত হৈ আছে।

(খ) B.B.C. নামৰ এটা কোম্পানীক মূল দলং নিৰ্মাণৰ কাম দিয়া হৈছিল। কিন্তু আৰম্ভনিৰ পৰা কামৰ অগ্ৰগতি ভাল নোহোৱাত আৰু বহু জাননী দিয়াৰ পিছতো কামটো নিবিদাৰ সময়সীমাৰ ভিতৰত কৰিব নোৱাৰাত বিভাগে শাস্তি-মূলক ব্যৱস্থা হাতত লবলৈ বাধ্য হয়। ইয়াৰ বিপৰীতে কোম্পানীয়ে আদাল-তৰ ওচৰ চাপে আৰু আদালতৰ নিৰ্দ্দেশ ক্ৰমে কাম স্থগিত হৈ আছে।

(গ) এই পথটো মৰিগাওঁ হৈ ৰহাত ৰাষ্ট্ৰীয় ঘাই পথত সংলগ্ন কৰাৰ বাবে পৰি-কল্পনা কৰা হৈছে। এই প্ৰকল্পটো অষ্টম পঞ্চবিকল্পনা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। কলং নৈৰ ওপৰত পকী দলং আৰু সংযোগ পথৰ বাবে ২১০'৬০ লাখ টকাৰ প্ৰশাসনিক অনুমোদন দিয়া হৈছিল। পুনৰ ৪৬৬'০০ লাখ টকাৰ সংশোধনী প্ৰাক্কলন সংশোধনী প্ৰশাসনীয় অনুমোদনৰ ব্যৱস্থা লোৱা হৈছে। বৰ্ত্তমান কৰি থকা কামৰ পুঁজি ৰাষিক পৰিকল্পনাৰ পৰা পাই থকা হৈছে।

(ঘ) কলং নদীৰ ওপৰৰ দলং আৰু ইয়াৰ সংযোগ পথৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাটো আদালতৰ শুনানীৰ ওপৰত নিৰ্ভৰ কৰিছে।

বিষয়: ঋণ লোৱা উৎস

শ্ৰীজয়নাথ শৰ্মাই সুধিছে:

১৬০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চৰকাৰে ১৯৯০ চনৰ পৰা ১৯৯৪ চনৰ ১লা ফেব্ৰুৱাৰীলৈ কোন কোন উৎসৰ পৰা কি পৰিমাণৰ ঋণ লৈছে?

(খ) চৰকাৰৰ বৰ্ত্তমান সৰ্ব্বমুঠ কিমাণ ঋণ আছে?

(গ) উক্ত ঋণৰ জনমূৰি বোজা কি?

শ্ৰীজীৰকান্ত গগৈ (মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) যিহেতুকে চৰকাৰী হিচাপ পত্ৰবোৰ বিত্তীয় বৰ্ষ হিচাপে ৰখা হয়, সেয়েহে ১-৪-৯০ৰ পৰা ৩১-৩-৯৩ লৈ চৰকাৰে লোৱা ঋণৰ পৰিমাণ আৰু ইয়াৰ উৎস সমূহ তলত দিয়া হ'ল:

(১) বজাৰ ঋণ ২০৫'৭৫ কোটি

(২)	ভাৰতীয় জীৱন বীমা নিগম/ভাৰতীয় সাধাৰণ বীমা নিগম	৩·৩৭ কোটি
(৩)	ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বিকাশ বেংক	০·৪৯ ,,
(৪)	ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম	২০·০৯ ,,
(৫)	ৰাজ্যিক ভৰিষ্যৎ নিধি	১৪৮·০৪ ,,
(৬)	কেন্দ্ৰীয় ঋণ	৭৬০·৪৪ ,,
	মুঠ =	১১৩৮·১৮ ,,

(খ) ৩১-৩-৯৩ তাৰিখলৈ চৰকাৰৰ সৰ্ব্বমুঠ ঋণৰ পৰিমাণ ৪০৮৯·৭৯ কোটি টকা।

(গ) উক্ত ঋণৰ জনমূৰি বোজা হ'ল ১৭৬৩·০০ টকা।

বিষয় : ৰাষ্ট্ৰীয় পথ নিৰ্মাণ

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

১৬১। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) (i) অসমত ৰাষ্ট্ৰীয় পথ সমূহৰ মাজেদি যোৱা পথ অংশৰ কোন নং ৰাষ্ট্ৰীয় পথৰ কোন কোন ঠাইত অন্য পথ (Bye Pass) নিৰ্মাণ কৰা হৈছে আৰু কোন কোন ঠাইত নিৰ্মাণ কৰিবলৈ বাকী আছে ? (ৰাষ্ট্ৰীয় পথৰ নাম আৰু Bye Passৰ নাম সুকীয়াকৈ দেখুৱাব)

(খ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ নগাওঁ চহৰৰ Bye Pass ৰ কাম বৰ্ত্তমান কেনে স্তৰত আছে আৰু আৰম্ভ কেতিয়া কৰিব ?

(গ) আনন্দৰাম ঢেকীয়াল ফুকন সেতুৰ ওপৰেদি ধীৰগতিৰ যানবাহনৰ চলাচলৰ বাধা আৰোপ কৰাৰ ফলত সকলো সময়তেই পাৰ্শ্ৱৰতী পুৰণা দলঙৰ যথেষ্ট ভীৰ হৈছে, সেইয়ে উক্ত দলংখনৰ মেৰামতি বা পুনৰ নিৰ্মাণৰ ব্যৱস্থা হাতত লবনে ?

(ঘ) নগাওঁৰ পুৰণা দলঙৰ পৰা মৈৰাবাৰী হৈ (বটদ্ৰৱা হৈ) পথ চোৱা বহল আৰু উন্নত কৰাৰ ব্যৱস্থাৰ বিষয়ে বিবেচনা কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) (i) ৰাষ্ট্ৰীয় পথৰ অন্য পথৰ (Bye Pass) ৰ তালিকা তলত দেখুওৱা হ'ল :

ৰাষ্ট্ৰীয় পথ নং	নগৰ মহানগৰ	অন্য পথ
(১) ৩৭ নং	— গুৱাহাটী	(কিঃ মিঃ ১৪১-৬৩০ ৰ পৰা

কিঃ মিঃ ১৬৭-৬১৫ লৈ)

(২) ৩৭ নং — শিৱসাগৱ (কিঃ মিঃ ৫০৪·৮০ ৰ পৰা কিঃ মিঃ ৫১৬·৭০ লৈ)

(ii) নির্মাণৰ অন্য পথ ঃ

(১) ৩৭ নং — যোৰহাট (কিঃ মিঃ ৪৫৪-১৮০ ৰ পৰা ৪৬১-৬০০ লৈ)

(iii) নির্মাণ হব লগা অন্য পথ ঃ

(১) ৩৬ । ৩৭ নং — নগাওঁ — নগাওঁ

(২) ৩৭ নং — ডিব্রুগড় — ডিব্রুগড়

(৩) ৩৭ নং — তিনিচুকীয়া — তিনিচুকীয়া

(খ) মাটি অধিগ্রহণৰ কাম আৰম্ভ হৈছে।

(গ) হয়, মেৰামতিৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(ঘ) পুঁজি (Fund) সাপেক্ষে, অলপ অলপ কৈ (Phase wise) বহল আৰু উন্নীত কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(Unstarred Question No 162 was transferred)

বিষয় ঃ গড়কাপ্তানী পথৰ ওপৰত দলং

শ্রীভৰত নৰহে সুধিছে ঃ

১৬৩। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ঢকুৱাখানা ঘুনাসুতি গড়কাপ্তানী পথ, জালভাৰী, ঢকুকুৰি গড়কাপ্তানী পথ, সোনাৰী চাপৰি-ময়াবজাৰ গড়কাপ্তানী পথ আৰু দক্ষিণ চাপৰি-ভোমো-জাবনি মাতমৰা গড়কাপ্তানী পথ আদিত থকা কাঠৰ দলংৰ মুঠ সংখ্যা কিমান ?

(খ) উক্ত দলংবোৰৰ ওপৰেদি ঘোৰাগাড়ী, বাছ, টেক্সী আদি যানবাহন পাৰ হব নোৱাৰাৰ কথা চৰকাৰে জানেনে ?

(গ) যদি জানে উক্ত দলংবোৰ যাতায়তৰ সূচলৰ কাৰণে মেৰামতিৰ ব্যৱস্থা কৰিবনে ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ বাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ঢকুৱাখানা ঘুনাসুতি গড়কাপ্তানী পথত মুঠ ৬ (ছয়) খন জালবাৰী কেকুৰী পথত মুঠ (চাৰি) খন সোনাৰী চাপৰি নয়াবাজাৰ গড়কাপ্তানী পথত মুঠ ২ (দুই) খন আৰু চাপৰি ভোমাজাৰণী মাতমৰা গড়কাপ্তানী পথত মুঠ ৪ (চাৰি) খন কাঠৰ দলং আছে।

(খ) হয় জানে।

(গ) পৰ্ত্তি সাপেক্ষে মেৰামতিৰ ব্যৱস্থা কৰা হব।

Re : Level Crossing at Tajpur.

Shri Mission Ranjan Das asked :

164. Will the Minister of P.W.D. (Plains) be pleased to State :

(a) Whether the Government will consider to sanction amount of money for the proposed unmanned level crossing at village Tajpur on Shyamaprasadpur Maiz-gram P.W.D. road under Karimganj P.W.D. Division by 1994 ?

(b) If not, state reasons thereof ?

Shri Sarat Borkataki (P.W.D. State Minister (Plains) replied) :

(a) There is no such proposal under consideration during 1994.

(b) Due to fund constraint inspite of Govt's intention the proposal could not be included under 1993-94 Annual Plan.

বিষয় : জনস্বাস্থ্য কাৰিকৰী আঁচনি।

শ্ৰীযতী বেণুপমা ৰাজখোৱাই সুধিছে :

১৬৫। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) টীয়ক সমষ্টিৰ অন্তৰ্গত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কেইখন আঁচনি অসম্পূৰ্ণ হৈ আছে ? (নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) চেনীজান পানী যোগান আঁচনি, দুলীয়া ভৰালী আৰু ৰবিগাওঁ পানী

যোগান আঁচনি ১৯৮৮ চনত প্রস্তাৱিত আৰু এতিয়া এই আঁচনি সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি ?

(গ) টীয়ক সমষ্টিৰ অন্তৰ্গত ৰৰখেলীয়া পানী যোগান আঁচনি কেতিয়াকৈ সম্পূৰ্ণ কৰি ৰাইজক উপকৃত কৰিব ?

(ঘ) চলিত বিত্তীয় বছৰত কিমান নতুন আঁচনি গ্ৰহণ কৰি সম্পূৰ্ণ কৰিছে জনাবনে ?

(ঙ) টীয়ক সমষ্টিৰ বনাই অন্তৰ্গত ১৯৮৭ চনতে খোৱাপানী যোগান আঁচনি গ্ৰহণ কৰি বৰ্ত্তমানলৈকে অসম্পূৰ্ণ হৈ থকাৰ কাৰণ কি ? এই বিত্তীয় বছৰত সম্পূৰ্ণ কৰি ৰাইজক উপকৃত কৰিবৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীদিনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) টীয়ক সমষ্টিৰ অন্তৰ্গত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৪ (চাৰি) খন পানী যোগান আঁচনি অসম্পূৰ্ণ হৈ আছে।

আঁচনিৰ নাম :

(১) আমটল (২) তুলীয়া ভৰালী (৩) ৰবিৰবাই ৪) ৰৰখেলীয়া।

(খ) চেনীজান পানী যোগান আচনিত পানী যোগান ধৰা হৈছিল। বিদ্যুৎ বিভাগৰ আগৰ ট্ৰেন্স ফৰ্মাৰটোৰ বিজুতি হোৱা কাৰণে নতুন কৈ বহুৱা ট্ৰেন্স-ফৰ্মাৰটো চাৰ্জ নকৰাৰ বাবে পানী যোগান আঁচনিৰ কাম বন্ধ হৈ আছে। তুলীয়া ভৰালী পানী যোগান আঁচনিৰ কাম প্ৰয়োজনীয় পুঁজিৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। ৰবিগাওঁ নামৰ কোনো পানী যোগান আঁচনি নাই। ৰবিগাওঁ খন ৰবি বনাই গাওঁ পানী যোগান আঁচনিৰ অন্তৰ্গত। এই আঁচনিৰ কাম প্ৰয়োজনীয় পুঁজিৰ অভাৱত সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

(গ) আৱশ্যকীয় পুঁজি পালে ১৯৯৪-৯৫ চনত সম্পূৰ্ণ কৰিব পৰা হব।

(ঘ) টীয়ক সমষ্টিত কোনো নতুন আঁচনিৰ অনুমোদন হোৱা নাই।

(ঙ) আৱশ্যকীয় পুঁজিৰ অভাৱৰ বাবে আঁচনিবোৰ সম্পূৰ্ণ কৰাত পলম হৈছে। সেই কাৰণতে বৰ্ত্তমান বিত্তীয় বছৰত এইবোৰ সম্পূৰ্ণ কৰা সম্ভৱ নহব।

বিষয় : গড়কাপ্তানী পথ।

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

১৬৬। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিৰ ধমধমা, বাগানপাৰা, শুৱনখাটা (P.W.D.) পথটো যাতায়ত কৰাৰ বাবে উপযোগী হৈ আছেনে ?

(খ) বৰমা মেৰকুছি, বড়শিগুলুপুৰী, বাগানপাৰা (P.W.D.) পথটো যাতায়তৰ অনুপযোগী হৈছে নেকি ?

(গ) বৰমা বষিমায়া পাৰা ৰাবা (KBS) পথটোত যোৱা বানপানীত ক্ষতিগ্রস্ত হৈছিল নেকি ?

(ঘ) উক্ত (P.W.D.) পথ সমূহ এমাহৰ ভিতৰতে মেৰামতিৰ বাবে ব্যৱস্থা লৈছে নেকি ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী, ভৈয়াম বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) হয়, আছে। উক্ত পথটোৰ বিভাগীয় নাম ধমধমা টুপানীয়া সুৱণ খাটা পথ। বৰ্ত্তমানে যানবাহন (লঘু) চলি আছে।

(খ) বৰমাৰ পৰা মেৰকুছিলৈ পথছোৱা যান বাহনৰ বাবে উপযোগী। মেৰকুছিৰ পৰা বাগান পাৰালৈ বৰ শিমলুগুৰী হৈ এই পথ ছোৱা যান বাহনৰ বাবে উপযোগী নহয়।

(গ) হয় হৈছিল। উক্ত পথটোৰ বিভাগীয় নাম কৈঠালকুছি বৰমা সুৱণ-খাটা পথ।

(ঘ) মেৰামতিৰ কাম হাতত লোৱা হৈছে। আৰু এমাহৰ ভিতৰতেই কাম সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

বিষয় : চহৰ উন্নয়নৰ ব্যৱস্থা

শ্রীচন্দ্র মোহন পাটোৱাৰীয়ে সুধিছে :

১৬৭। মাননীয় নগৰ আৰু গ্রাম্য পৰিকল্পনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰৰ সময় ছোৱাত অসমৰ কিমানখন চহৰ উন্নয়নৰ বাবে পৰিকল্পনা কৰা হৈছে আৰু চহৰ বিলাকৰ নাম কি কি ?

(খ) উক্ত চহৰ সমূহ কি নীতিৰ ভিত্তিত নির্ব্বাচিত কৰি উন্নয়নৰ ব্যৱস্থা গ্রহণ কৰা হৈছে ?

(গ) অসমৰ এখন অতি পুৰনি চহৰ নলবাৰীৰ বাস্তা-ঘাট, পানী ইত্যাদিৰ দুৰৱস্থাৰ কথা চৰকাৰ অৱগত নে আৰু যদি অৱগত তেনেহলে ইয়াৰ বাবে কি ব্যৱস্থা গ্রহণ কৰিছে ?

শ্রীঅঞ্জন দত্ত (নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী, স্বতন্ত্ৰ দায়িত্ব প্ৰাপ্ত)য়ে উত্তৰ দিছে :

(ক) ১ খন চহৰ। চহৰখনৰ নাম ধেমাজী।

(খ) জন সংখ্যাৰ ক্ৰমবৰ্দ্ধমান গতিৰ প্ৰতি লক্ষ্য ৰাখি, উন্নয়নৰ আৰু শিল্পানুয়ন ইত্যাদিৰ প্ৰসাৰৰ পৰিপ্ৰেক্ষিতত চহৰবোৰৰ পৰিকল্পনাৰ কাম (Master Plan) অত্যাৱশ্যকীয় হৈ পৰাত পৰিকল্পনাৰ কাম হাতত লোৱা হয়। ইয়াৰোপৰি জিলা আৰু মহকুমাৰ সদৰ চহৰবোৰকো এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হয়।

(গ) ৰাস্তা ঘাট, পানী ইত্যাদিৰ আচনিবোৰ এই বিভাগৰ নহয় যদিও নলবাৰী চহৰ খনৰ ৰাস্তা-ঘাট আৰু নৰ্দ্দমাৰ উন্নয়নৰ কাম ভাৰত চৰকাৰৰ ক্ষুদ্ৰ আৰু মজলীয়া নগৰ আচনিৰ (IDSMT) জৰিয়তে নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ পৰাও এক বিশদ পৰিকল্পনা প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হৈছে। অনুমোদন প্ৰাপ্তিৰ পিছত এই আঁচনি কাৰ্য্যকৰী কৰা হব।

Re : Function of Char Development Authority

Dr. Kamala Kalita asked :

168. Will the Minister of Char areas Development be pleased to State :

(a) What are the function of the Char Development Authority ?

(b) What development have been done in the Kamrup District in the year 1992-93 & 1993-94 by the said Authority ?

(c) Whether Char development authority will provide more tube-wells to the Char areas people ?

Shri Dildar Rezza (Minister of State Char Areas Development) replied :

(a) The main function of Char Development Authority is to assist the cross section of the poverty striken population residing in char/chapori areas of river Brahmaputra for their economic and social upliftment.

(b) Hand tube-wells for drinking water, seeds etc. have been provided to the people of char areas.

(c) More hand Tube-wells will be provided subject to availability of fund.

বিষয়—বাস্তা পকীকৰণ।

শ্রীনজমুল হকে সুধিছে :

১৬৯। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) দীর্ঘদিন ধৰি অৱহেলিত হৈ থকা ১ লক্ষ জনসংখ্যাৰ বসতি পূর্ণ অঞ্চলৰ মাজেদি যোৱা গোৱালপাৰা পশ্চিম সমষ্টিৰ একমাত্র পথ খৰমুজা হৈ গোৱালপাৰা লক্ষীপুৰ আৰু লক্ষীপুৰ চুনাৰী পথটোৰ পকীকৰণৰ ব্যৱস্থা লবনে ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী, ভৈয়াম বিভাগৰ বাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) খৰমুজা হৈ গোৱালপাৰা লক্ষীপুৰ বাস্তা (আচলতে দুটা বাস্তাৰ সমষ্টি গোৱালপাৰা কাৰাই খোৱা আৰু কাৰাই খোৱা তালতলা বাস্তা) আৰু লক্ষীপুৰ চুনাৰী বাস্তা পকীকৰণৰ ব্যৱস্থা পর্যায়ক্রমে বার্ষিক পৰিকল্পনাৰ শিতানত মঞ্জুৰী প্রাপ্ত ধনেৰে কৰি থকা হৈছে। ১৯৯৩-৯৪ চনৰ বার্ষিক পৰিকল্পনাৰ শিতানত লক্ষীপুৰ চুনাৰী বাস্তা ৯.০০ কি: মিঃ ৰ ১৫০.০০ মিটাৰ পকীকৰণ কৰা বাবে অন্তর্ভুক্ত কৰা হৈছে। ইয়াৰ বাবে ১.৫০ লাখ টকা ধার্য্য কৰা হৈছে।

বিষয় : পানিয় জল সৰবৰাহ।

শ্রীচিত্তেন্দ্র নাথ মজুমদাৰ জিজ্ঞাসা কৰছেন :

১৭০। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) হাইলাকান্দি পৌর এলাকার আজ পর্য্যন্ত অনেক গলিত পানিয় জল সরবরাহ করা হয় নাই কেন ?

(খ) এই আর্থিক বৎসরে ঐসব গলিতে জনসাধারনের মধ্যে পানিয় জল সরবরাহ হবে কি ?

(গ) কত দিনের ভিতর তাহা করা হবে ?

শ্রীদিনেশ প্রসাদ গোয়ালা (জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী) য়ে উত্তর দিছে :
(ক) প্রশাসনীয় অনুমোদন অনুয়ায়ী হাইলকান্দি পৌর এলেকার সব গলিতে জল সরবরাহ নিয়মিত ভাবে করা হচ্ছে তবে নুতন ভাবে বসতি হওয়ায় কিছু নুতন গলি হয়েছে, সে গুলোতে এখন পর্য্যন্ত জল সরবরাহ করা সম্ভব হয়ে উঠেনি ।
(খ) ও (গ) পৌর সভা প্রয়োজনীয় অর্থের অরস্থা করার সঙ্গে সঙ্গে ঐসব গলিতে পানির জল সরবরাহের কাজ আরম্ভ করা সম্ভর হইবে ।

বিষয় : গড় নিধন ।

শ্রীভৃগু কুমার ফুকনে সুধিছে :
১৭১। মাননীয়া বন্যপ্রাণী বিভাগর মন্ত্রী মহোদয় অনুগ্রহ করি জনাবনে : যোৱা আঠৈ বছরত চোৱাং চিকাৰীয়ে কিমানটা গড় নিধন কৱিলে অনুগ্রহ করি জানাবনে ?
শ্রীছামচুল হুডা (বন্যপ্রাণী বিভাগৰ ৰাজ্যিক, স্বতন্ত্র মন্ত্রী)য়ে উত্তর দিছে :
মুঠ ১৪৮ টা গড় নিধন হৈছে ।

বিষয় : গড়কাপ্তানী ৰাস্তাৰ মঞ্জুৰীকৃত টকা ।

শ্রীপ্রণব কুমার নাথ জিজ্ঞাসা করছেন :
১৭২। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :
(ক) করিমগঞ্জ জিলার পিডব্লিউ ডি ছাব-ডিভিজন ও নিৰ্ব্বাচন সমষ্টি ভিত্তিক ১৯৯২-৯৩, ১৯৯৩-৯৪ অর্থ বর্ষ অনুযায়ী কোন কোন রাস্তায় কত টাকা করে মঞ্জুরী দেওয়া হয়েছিল এবং মঞ্জুরীকৃত পরো অর্থ ৱরজ্য চৰকার পি ডব্লিউ ডি (রোদচ) কৰিমগঞ্জ ডিভিশনকে রিলিচ করেছেন কি ?
(খ) যদি হয় কখন, যদি না কেন ?
(সচিবালয়ের পত্র নং ও তারিখ টকার পরিমান সহ বিশদ তথ্য সদনের মেরো দাখিল করিবেন) ?
(গ) পি, ডব্লিউ, ডি চাব ডিভিজন ভিত্তীক কোন কোন রাস্তায় কি কি করা হয়েছে (কনট্রেকটরের নাম সহ, টাকার পরিমাণ বিশদ তথ্য সদনের মেঝে করিবেন) ?

(ঘ) বাজাৰঘাট কাকুয়াগ্ৰাম সউকৰ কিছু যায়গা বাজাৰঘাট নিবাসী শ্ৰীঅজিত আচাৰ্য্য প্ৰায় (১) বতসৰ যাবত বেদখল কৰে আছেন এব্যাপাৰে বিভাগীয় কৰ্ত্তৃপক্ষ অবিহিত আছেন কি ?

(ঙ) যদি আছেন তাহলে বেদখলকৃত ভূমি উদ্ধাৰ কৰাৰ ব্যাপাৰে বিভাগিয় কৰ্ত্তৃপক্ষ কি পদক্ষেপ নিয়েছেন ? যদি না কেন ?

শ্ৰীশৰৎ ৰৱকটকী (গড়কাপ্তনী, ভৈয়াম বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কৰিমগঞ্জ জিলাত ৰোড ডিভিজনত নিৰ্ব্বাচন সমষ্টি ভিত্তিত ১৯৯২-৯৩, ১৯৯৩-৯৪ বিত্তীয় বছৰত চৰকাৰৰ পৰা পোৱা মঞ্জুৰী টকাৰে আৰণ্টন কৰা ৰাস্তাৰ নাম ও তালিকা পতাকা (ক) ত পেচ কৰা হ'ল। বিত্তীয় সংকটৰ বাবে সম্পুৰ্ণ টকা Release কৰা নাই।

(খ) আৱশ্যকীয় পুঁজি পালে Fund release কৰা হব।

(গ) গড়কাপ্তানী বিভাগীয় মহকুমা ভিত্তিত কামৰ নামৰ বিপৰীতে ঠিকাদাৰ সকলৰ তালিকা দাখিল কৰা হ'ল। (See the Annexme—III)

(ঘ) জ্ঞাত।

(ঙ) আৱশ্যকীয় ব্যৱস্থা লোৱা হৈ আছে।

বিষয় : বিক্ৰীকৰ সংগ্ৰহৰ পৰিমান

শ্ৰীনগেন শৰ্মাই সুধিছে :

১৭৩। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৮-৮৯ চনত অসমত মুঠ কিমান টকা বিক্ৰীকৰ ৰূপে সংগ্ৰহ কৰা হৈছিল ?

(খ) ১৯৯১-৯২, ১৯৯২-৯৩ চনত ক্ৰমে কিমান টকা বিক্ৰীকৰ ৰূপে সংগ্ৰহ কৰা হৈছে ?

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৮-৮৯ চনত অসমত বিক্ৰীকৰ ৰূপে মুঠ ১৮২·৯৮ কোটি টকা সংগ্ৰহ কৰা হৈছিল।

(খ) ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত বিক্ৰীকৰ ৰূপে ক্ৰমে ২৯৩·২২ কোটি আৰু ৩২৪·৬৯ কোটি টকা সংগ্ৰহ কৰা হৈছিল।

বিষয় : দলং মেৰামতি ও নিৰ্ম্মাণ।

শ্ৰীযতীন মালীয়ে সুধিছে :

১৭৪। মাননীয় বাজ্যিক গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মিৰ্জা বোড ডিভিজনৰ অন্তৰ্গত পলাশবাৰী সমষ্টিত চলিত ১৯৯৩-৯৪ বিত্তীয় বছৰত মুঠ কিমান খন ভঙা দলং, মেৰামতি কৰিব লগীয়া দলং আৰু পুনৰ নিৰ্ম্মাণ কৰিবলগীয়া দলং আছে ?

(খ) সমষ্টিটোৰ কিছু সংখ্যক ভঙা দলং নিৰ্ম্মাণৰ অৰ্থে, মেৰামতি কৰিব লগীয়া দলং মেৰামতি কৰাৰ অৰ্থে লগতে পুণৰ নিৰ্ম্মাণ কৰিব লগীয়া দলং পুণৰ নিৰ্ম্মাণৰ অৰ্থে বিভাগীয় ব্যৱস্থা লোৱাটো সঁচানে ?

(গ) যদি সঁচা তেন্তে কিমান খন দলংৰ সম্পৰ্কত এনে ব্যৱস্থা লোৱা হৈছে ? (নাম দিব আৰু অনুমোদিত টকাৰ পৰিমাণ দিব)

শ্ৰীশৰৎ বৰকটকী, (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ বাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মিৰ্জা পথ উপ-সংমণ্ডলৰ অন্তৰ্গত পলাশবাৰী সমষ্টিত থকা মুঠ ৫৩ খন দলঙৰ ভিতৰত ভঙা মেৰামতি কৰিব লগীয়া দলং ৫০ খন (পঞ্চাশখন) আৰু পুণৰ নিৰ্ম্মাণ কৰিব লগীয়া দলং ৩ (তিনি) খন।

(খ) সচাঁ।

(গ) সৰ্ব্বমুঠ ৫৩ (তেপন্ন) খনহে মেৰামতি আৰু পুণৰ নিৰ্ম্মাণৰ ব্যৱস্থা কৰা হৈছে।

(বিতং বিৱৰণ প্ৰপত্ৰ 'ক' আৰু 'খ' ত প্ৰশ্নোত্তৰৰ লগতে উখাপন কৰা হৈছে।

(See the Annexure—IV)

বিষয় : বাজহ সংগ্ৰহ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

১৭৫। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত ১৯৯১-৯২, ১৯৯২-৯৩ চনত মুঠ কিমান বাজহ সংগ্ৰহ হৈছিল জনাবনে ?

(খ) কোন কোন উন্নয়ণ মূলক শিতানত দুয়োখন জিলাত কিমান টকা চৰকাৰে মঞ্জুৰী দিছে ?

শ্রীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) জিলা ভিত্তিক তথ্য বিত্ত বিভাগৰ হাতত মজুত নাই। সংশ্লিষ্ট উপাযুক্ত আৰু বিভাগ সমূহৰ পৰা প্রয়োজনীয় তথ্য বিচৰা হৈছো। পালে দিয়া হব।

(খ) জিলা ভিত্তিক তথ্য বিত্ত বিভাগ হাতত মজুত নাই। সংশ্লিষ্ট উপাযুক্ত আৰু বিভাগ সমূহৰ পৰা প্রয়োজনীয় তথ্য বিচৰা হৈছে। পালে দিয়া হব।

বিষয় : কালদিয়া নদীৰ ওপৰত দলং।

ডাঃ কৃষ্ণকান্ত লহকৰে সুধিছে :

১৭৬। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) পাটাছাৰকুছি সমষ্টিৰ ডাঃ জিনাৰাম ৰাস্তাৰ কালদিয়া নদীৰ ওপৰত থকা দলংখন যাতায়তৰ বাবে একেবাৰে অনুপযুক্ত হোৱাৰ কথাটো চৰকাৰে জানেনে আৰু যদি জানে ইয়াৰ মেৰামতিৰ বাবে কিবা ব্যৱস্থা লোৱা হৈছে নেকি জনাবনে ?

(খ) উক্ত সমষ্টিৰ অন্তর্গত বামাখাটা কেন্দুগুৰি পথত থকা পহুমৰা নদীৰ দলংখন যান-বাহন তথা মানুহৰ যাতায়তৰ বাবে একেবাৰে অনুপযুক্ত হোৱাৰ কথাটো চৰকাৰে জানেনে ?

(গ) যদি জানে অতি সোনকালে ইয়াৰ মেৰামতিৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) হয়, জানে। দলংখনৰ মেৰামতি কামৰ ব্যৱস্থা সম্প্রতি লোৱা হৈছে আৰু অনতি পলমে কামটো আৰম্ভ কৰা হব।

(খ) হয়, জানে।

(গ) মেৰামতিৰ বাবে আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে।

Re : Construction of Notional Highway.

Shri Suren Swargiary asked :

177. Will the Minister PWD (Plains) be pleased to state :

(a) Whether the Govt. is aware of the fact that the joint efforts by the India and Bhutan Govt. have made a proposal to construct a National Highway through Pathsala

Anchali Kathar Ali Road under E.E. P.W.D. (R) Barpeta to Nanghlam under the jurisdiction of the Bhutan Government ?

(b) If it is a fact then what steps are being made for the construction of the said Highway ?

(c) If not whether the Government would request the Government of India to take up the said proposal ?

Shri Sarat Barkotoky (Mininster of State PWD (Plains) replied :

(a) This Department is not aware of mooting any such proposal of construction a National High way, through Pathsala Anchali Kathor Ali Road under Barpeta Roads Division to Nanghlam under jurisdiction of Bhutan Govt.

(b) Does not arise.

(c) Does not arise.

বিষয় : গাড়ী চলাচল কৰা ৰাস্তা ।

শ্ৰীপবিমল শুক্লবৈদ্যই সুধিছে :

১৭৮। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শিলচৰ P.W.D. Division ৰ অন্তৰ্গত P.D.B. আৰু B.B.C. ৰাস্তাত কিমান দিনৰ পৰা গাড়ী চলাচল বন্ধ আছে ?

(খ) উক্ত ৰাস্তা দুটাইদি গাড়ী চলাচলৰ উপযোগী কৰা ওপৰত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে আৰু কিমান দিনৰ ভিতৰত এই ৰাস্তাত গাড়ী চলাচলৰ ব্যৱস্থা হব ?

(গ) উক্ত ৰাস্তা দুটাত ১৯৯১ চনৰ পৰা এতিয়ালৈকে বিভিন্ন পৰ্য্যায়ত মুঠ কিমান টকা ব্যয় কৰা হৈছে ?

(বিষদ তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্রীশৰৎ ৰৱকটকী (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) P.D.B. (পালই ডাৰ্বি ৰৱজেলেঙা পথ) ৰাস্তা ৩ কিঃ মিটাৰৰ পৰা ৯ কিঃ মিঃ লৈকে ১৯৯২ চনৰ পৰা আৰু B.B.C. (ভগাবজাৰ বিদ্যাৰতন পুখুৰ চটটাই পুল পথ) ৮ কিঃ মিঃৰ পৰা ১৪ কিঃ মিঃ লৈকে ১৯৯২ চনৰ এপ্রিল মাহৰ পৰা বন্ধ আছে।

(খ) P.D.B. ৰাস্তাৰ মেৰামতিৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে আৰু ১৯৯৫ চনৰ ৩১ মার্চৰ ভিতৰত যানবাহনৰ বাবে উপযোগী হৈ উঠিব বুলি আশা কৰা হৈছে। আৰু B B.C. ৰাস্তা ৮ কিঃ মিঃ ৰ পৰা ১৪ কিঃ মিঃ পথ চোৱাৰ মেৰামতি আৰু উন্নতিকৰণৰ কাম পুঁজি সাপেক্ষে অহা খৰালি কালত হাতত লৈ সম্পূর্ণ কৰা হব।

(গ) P.D.B. পথ

১৯৯১-৯২ চনত	৩·১০	লাখ টকা
১৯৯২-৯৩ চনত	২·৭৩	লাখ টকা
১৯৯৩-৯৪ চনত	০·৪৬	লাখ টকা
মুঠ	৬২৯	লাখ টকা।

B.B.C. পথ

১৯৯১-৯২ চনত	১·৯৩	লাখ টকা
১৯৯২-৯৩ চনত	২·০৬	লাখ টকা
১৯৯৩-৯৪ চনত	০·৬৪	লাখ টকা
মুঠ	৪·৬৩	লাখ টকা

বিষয় ঃ ঠিকাদাৰৰ বকেয়া ধন।

শ্রীঞ্জৰ কুমাৰ সেনে সুধিছে ঃ

১৭৯। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী কার্য্যৰ'হী অভিযন্তা (Executive Engineer, P.W.D., Road) Divn. ৰ অধিনত থকা ঠিকাদাৰ বিলাকৰ বকেয়া টকা পাব লগা আছে নেকি ?

(খ) যদি আছে, তেনেহলে পৰিমান কিমান ?

(গ) যদি পাব লগা আছে, তেনেহলে সোনকালে দিয়াব ব্যৱস্থা কবিবনে ?

শ্রীশৰৎ ৰবকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগব বাজ্যিক মন্ত্রী)য়ে উত্তব দিছে :

(ক) হয়, আছে।

(খ) পাব লগা টকাব পবিমান হ'ল—১,৩৮,৯২,০০০ টকা।

(গ) পর্য্যাপ্ত পবিমানব পুঁজিব আৱণ্টন সাপেক্ষে সকলোবোব বকেয়া টকা আদায় দিয়াব ব্যৱস্থা কৰা হব।

বিষয় : ডায়েৰী ফার্মব জন্য মাটি অধিগ্রহণ।

শ্রীবদ্রী নাৰায়ন সিংহই জিজ্ঞাসা কৰছেন :

১৮০। মাননীয় পশু চিকিৎসা আৰু পশু পালন বিভাগব মন্ত্রী মহোদয় অনুগ্রহ কবিয়া জনাবেন কি ?

(ক) কাছাড় জিলাব যুংযুৰে অৱস্থিত চবকাৰী Veterinary Training Centre এবং Dairy Firm এব জন্য ববাখাই বাগানেব জমি অধিগ্রহন কৰা হইয়াছিল, সেই সময়ে ২৭ পৰিবাব ছাটাই শ্রমিক বস-বাস কবতেন তাহাদিগকে অন্যত্র বসবাস কৰাব ব্যৱস্থা সৰকাৰেৰ তৰফ হইতে কৰা হইবে আশ্বাসন দেওয়া হইয়াছিল কি ?

(খ) তাহাদিগেৰ বসবাসেৰ ব্যৱস্থা সৰকাৰেৰ তৰফ হইতে কৰা হইয়াছে কি আৰ যদি না কেন ?

(গ) Training Centre অনেকদিন যাবত্ বন্ধ হওয়াৰ কাৰণ কি ? অদুৰ ভবিষ্যতে উহা চালু কৰাৰ পৰিকল্পনা সৰকাৰেৰ আছে কি ?

(ঘ) উক্ত সম্পূর্ণ বিষয়েৰ পূর্ণ বিৱৰণ সৰকাৰেৰ তৰফ হইতে দাখিল কৰবেন কি ?

শ্রীজগন্নাথ সিংহ (পশু চিকিৎসা আৰু পশু পালন মন্ত্রী)য়ে উত্তব দিবেন :

(ক) কাছাড় জিলাব যুংযুৰে সৰকাৰী অধিকৃত সর্ব্বমোট ২৪ বিঘা ৩ কঠা ১২ ছটাক জমিব ওপব পশু চিকিৎসা প্রশিক্ষন কেন্দ্র স্থাপিত হয়েছিল। প্রশিক্ষন কেন্দ্র পাতবাব সময়ে সেখানে কোনো শ্রমিক পৰিবাবেৰ বস-বাস সম্বন্ধে সৰকাৰ অৱগত নয়।

(খ) প্রশ্ন উঠে না।

(গ) খালী পদেৰ অভাৱ হওয়াতে আগেৰ কয়েক বছৰেৰ প্ৰশিক্ষণ প্ৰাপ্ত বহু সংখ্যক প্ৰশিক্ষাৰ্থিকে নিযুক্তি দিতে না পাৰাতে পশু চিকিৎসা ক্ষেত্ৰ সহায়কেৰ প্ৰশিক্ষন সাময়িক ভাবে বন্ধ ৰাখা হয়েছিল। এই বছৰে অৰ্থাৎ ১৯৯৩-৯৪ সনে পাঠ্যক্ৰম পুনৰায় আৰম্ভ কৰা হয়েছে।

(ঘ) বিগত ৫।৬ বছৰে নতুন ক্ষেত্ৰ সহায়ক পদেৰ সৃষ্টি না হওাতে প্ৰশিক্ষাৰ্থি সকলকে এখনও সম্পূৰ্ণৰূপে নিয়োগ কৰা যায় নাই। ১৯৮৮-৮৯ চ'নথেকে এখন পৰ্য্যন্ত ২০৪ জন প্ৰশিক্ষাৰ্থিক নিয়োগ কৰা হয়েছে। এবং ৩০ জনকে নিয়োগ কৰা বাকী আছে।

Re : F.D.R. Schemes.

Shri Karendra Basumatary, asked :

181. Will the Ministerof state P.W.D. (Plains) be pleased to State :

(a) Whether it is a fact that phasewise allocation for repairing of P.W.D. Roads under F.D.R. Scheme in Panery Constituency had been announced by the Department. If so When it will be implemented (details report of achievement may kindly be stated)

(b) If not when achievement can be expected as committment?

শ্ৰীশৰৎ ৰৱকটকী (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। কিন্তু সংমণ্ডল ভিত্তিত মঙ্গলদৈ গড়কাপ্তানী পথ সংমণ্ডলৰ সমূহ ৰান ক্ষতিগ্ৰস্ত পথ সমূহৰ মেৰামতিৰ বাবে ১ম পৰ্যায়ৰ মুঠ ১২'০০ (বাৰ) লাখ টকা পোৱা হয়। এই ধনৰ মুঠ ৯৫০০০'০০ (পচানবৈ) হাজাৰ টকা পানেৰী বিধান সভা সমষ্টিৰ আচনিৰ বাবে খৰছ কৰা হয়।

হয়, পৰ্যায় আচনিৰ বাবে মুঠ ২০'০০ (বিশ) লাখ টকাৰ অনুমোদন পোৱা হৈছে। তাৰে বৰ্ত্তমান ১ লাখ টকাহে আৰণ্টন পোৱা হৈছে আৰু উক্ত ধন খিনি পানেৰী সমষ্টিৰ অন্তৰ্গত বান বিধস্ত পথৰ মেৰামতিৰ বাবে খৰছ কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

Re : I.C.D.P. Centre at Ramkrishna Nagar.

Sri Rampyare Rabidas asked :

182. Will the Minister of Veterinary be pleased to state :

(a) Whether Govt. is aware of the fact that the only ICDP Centre of the Karimganj District at Ramkrishna Nagar is in a delapidated condition and virtually closed ?

(b) If so, what are the actions taken so far to revitalise the same, state elaborately ?

(c) Number of bull at the ICDP at present.

(d) Whether fund have been placed for renovation of the damaged building ?

(e) If so, what is the amount ?

(f) How many building are to be repaired ?

(g) What is the total monthly expenditure in respect of salary and other Misc. maintenance at R.K. Nagar I.C.D.P. where staffs are drawing their salaries practically without work ?

Shri Jagannath Sinha (Minister, Veterinary) replied :

(a) Yes. It is a fact that some of the buildings of R.A.I.C. Ramkrishna Nagar were damagad by storm and repairing is necessery. But the centre is not closed.

(b) An amount of Rs. 1.00 Lakh has already been allotted to O/C, I.C.D.P., Ghungoor during 1993-94 under plan for maintenance/repairing of the damaged buildings under his jurisdiction including the Regional Artificial Insemination Centre (RAIC), Ramkrishna Nagar. In addition, an estimate for storm damage rapair of the damaged buildings of the R.A.I.C., Ramkrishna Nagar amounting to Rs. 2,15,000.00 has been prepared.

(c) At present there is no bull.

(d) Yes.

(e) Rs. 1.00 Lakh has been allotted under Plan head during 1993-94 to O/C, I.C.D.P., Ghungoor for maintenance/repairing of the I.C.D.P. buildings under his jurisdiction.

f) Five buildings.

g) Total monthly expenditure of Rs. 30,262.00. The members of staff are not drawing their salaries without work since the centre is functioning.

(Unstarred question No. 183 was deferred)

বিষয় ঃ হেণ্ড টিউব ওৱেলৰ সংখ্যা

শ্রীনিজামুদ্দিন খানে সুধিছে ঃ

১৮৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা জিলাত কিমান হেণ্ড টিউব ওৱেলচ আছে ?

(খ) কিমান হেণ্ড টিউব ওৱেল মেৰামতি কৰিবলগীয়া আছে ?

(গ) ১৯৯৩ চনৰ ১ এপ্রিলৰ পৰা ১৯৯৪ চনৰ ১ জানুৱাৰীলৈ কিমান হেণ্ড টিউব ওৱেল মেৰামতি কৰা হৈছে তালিকা সহ সদনৰ মেজত দাখিল কৰিব।

(ঘ) এই মেৰামতিৰ বাবে কিমান টকা খৰছ কৰা হৈছে ?

(ঙ) এই সম্পৰ্কে তদন্ত কৰি বিহিত ব্যৱস্থা গ্রহণ কৰিবনে ?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰৰপেটা জিলাত মুঠ ৭১৪৮ টা হেণ্ড টিউব ওৱেল আছে।

(খ) মুঠ ৩১৬ টা হেণ্ড টিউব ওৱেল মেৰামতি কৰিবলগীয়া আছে।

(গ) ১৯৯৩ চনৰ ১ এপ্রিলৰ পৰা ১৯৯৪ চনৰ ১ জানুৱাৰীলৈ ২৬২১ টা হেণ্ড টিউব ওৱেলৰ মেৰামতি কৰা হৈছে। (তালিকা লগত গাঁঠি দিয়া হৈছে)

(See the Annexure—V)

(ঘ) এই মেৰামতিৰ বাবে এতিয়ালৈকে মুঠ ৩,৮৬,৯৮৫·০০ টকা খৰছ কৰা হৈছে।

(ঙ) তদন্তৰ প্রশ্ন বর্ত্তমানলৈ অহা নাই।

বিষয় ঃ সীমান্ত অঞ্চল উন্নয়ণৰ বাবে সীমা সুৰক্ষা।

শ্রীঅতুল ৰবাই সুধিছে ঃ

১৮৫। মাননীয় সীমান্ত অঞ্চল বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সীমান্ত অঞ্চল উন্নয়ন কৰাৰ বাবে সীমান্ত অঞ্চল সুৰক্ষিত হোৱাটো

প্রয়োজন বুলি চৰকাৰে বিবেচনা কৰে নেকি ?

(খ) যদি প্রয়োজন এই প্রসঙ্গত গৃহ বিভাগৰ লগত যোগাযোগ কৰিছেনে আৰু যদি কৰিছে তথ্য সহকাৰে সবিশেষ জনাব ?

(গ) দিচপুৰ সমষ্টিৰ পাটাৰকুছি পিলিংকাটা বশিষ্ঠ অঞ্চলত মেঘালয়ৰ পুলিচ আৰু লোকে অসমৰ সীমাত ঘৰ-দুৱাৰ সজা বা অসমৰ ভিতৰত বসবাস কৰা মানুহক ভাবুকি দিয়াৰ কথা চৰকাৰে জানেনে ?

শ্রীজগৎ পাটগিৰি (সীমান্ত অঞ্চল বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে—

(ক) হয়, কৰে।

(খ) এই প্রশ্ন অবান্তৰ।

(গ) হয়, জানে।

বিষয় : গড় হত্যাৰ সংখ্যা

শ্রীহিতেশ ডেকাই সুধিছে :

১৮৬। মাননীয় বন্যপ্রাণী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা বৰ্ত্তমানলৈ অসমত মুঠতে কিমানটা গড় হত্যা কৰা হৈছে ? (বছৰ ভিত্তিক তথ্য দিব)

(খ) এই সময় ছোৱাত মুঠতে কিমানজন গড় হত্যাকাৰীক আটক কৰা হৈছে ?

(গ) এনেদৰে হত্যা কৰা গড়ৰ খৰ্গৰ মুঠ মূল্য কিমান ?

(ঘ) অসমত মুঠতে বৰ্ত্তমান কিমান এশিঙীয়া গড় আছে ?

শ্রীছামছুল হুদা (বন্যপ্রাণী বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী, য়ে উত্তৰ দিছে।

(ক) মুঠ ১৫২ টা।

প্রতিখন ৰাষ্ট্রিয় উদ্যান, অভয়াৰণ্য আৰু অন্যান্য বন্যপ্রাণী সংৰক্ষিত বনাঞ্চল এলেকা সমূহত চোৰাং চিকাৰীৰ হাতত গড় নিধন হোৱাৰ সংখ্যা বছৰ ভিত্তিত তলত উল্লেখ কৰা হ'ল।

	কাজিৰঙা	মানাহ	ওৰাং	পবিতৰা	অন্যান্য	মুঠ
১-১-৯১ পৰা ৩১-১২-৯১	৮	১	১	১	১	১২ টা
১৯৯২	৪৮	১১	২	৩	২	৬৬ ,,
১৯৯৩	৪০	২২	১	৪	৩	৭০ ,,
১-২-৯৪ পৰা ১৮-২-৯৩	১	নাই	নাই	১	২	৪ ,,

(খ) মুঠ ১৫১ জন।

(গ) যিহেতু সমগ্র বিশ্বতে গড়ৰ খৰ্গৰ ব্যৱসায় বন্ধ আছে, গড়ৰ খৰ্গৰ কোনো মূল্য নিদ্ধাৰণ কৰিব পৰা নাযায়।

(ঘ) গণনা মতে—১৩১৭ টা
আনুমানিক ১৫৩০ টা

বিষয় ঃ অসম চুক্তি

শ্রীৰমেন্দ্র নাৰায়ন কলিতাই সুধিছে ঃ

১৮৭। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চুক্তিৰ কোন কোন দফাৰ কি কি চুক্তি অনুসৰি কার্য্যকৰী হ'ল ?

(খ) বর্ত্তমান চৰকাৰ গঠন হোৱাৰ পৰা এতিয়ালৈকে কিমান বিদেশী চিনাক্তকৰণ আৰু বহিস্কাৰ কৰা হ'ল।

(গ) বিদেশী চিনাক্তকৰণৰ ক্ষেত্রত আই এম ডি টি আইনে বাধাৰ সৃষ্টি কৰা নাইনে, যদি কৰিছে তেনেহলে এই আই এম ডি টি আইনখন সংশোধন বা বাতিলৰ ক্ষেত্রত চৰকাৰে ব্যৱস্থা গ্রহণ কৰিছেনে ?

(ঘ) অসম চুক্তিৰ ৬নং দফাৰ আধাৰত অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কৰচৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে আৰু কেন্দ্রীয় চৰকাৰলৈ এই সম্পর্কত ৰাজ্য চৰকাৰে কিবা পৰামর্শ আগবঢ়াইছে নেকি ?

(ঙ) অসমৰ অর্থনৈতিক উন্নয়ণৰ বাবে অসম চুক্তিৰ আধাৰত বর্ত্তমানৰ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

ডাঃ ভূমিধৰ বর্মন (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চুক্তিৰ কার্যকৰী কৰিব লগা দফা কেইটা হ'ল দফা ৫ ৰ পৰা ১৪ লৈকে যাৰ আধাৰত সকলো কাম নিয়াৰিকৈ পালন কৰি থকা হৈছে। ৩১/১২/৯৩ তাৰিখলৈ কার্যকৰী হোৱা এই দফাবোৰৰ এখন বিভাগীয় প্রগতি খতিয়ান সদনৰ মেজত ৰখা হ'ল। লগতে গৃহবিভাগৰ পৰা প্রাপ্ত তথ্য অনুসৰি দফা ৫ ৰ বাবে ৩১/০১/৯৪ তাৰিখলৈ কার্যকৰী হোৱাৰ তালিকা এখন "সংলগ্ন-২" হিচাবে সুকীয়াকৈ সদনৰ জ্ঞাতার্থে দাখিল কৰা হ'ল।

(See the Annexure—VI)

(খ) বর্ত্তমান চৰকাৰ গঠন হোৱাৰ পৰা অর্থাৎ ১।৭।৯১ তাৰিখৰ পৰা ৩১।০১।৯৪ তাৰিখলৈ চিনাক্ত হোৱা আৰু বহিস্কাৰ হোৱা বিদেশীৰ হিচাব তলত দেখুৱা হ'ল ঃ

(১) অবৈধ প্রবজনকাৰী হিচাবে চিনাক্ত হয় ১২১৭ জন। তাৰে ভিতৰত ৪৮৫ জনক বহিস্কাৰ কৰা হয়। ৭৩২ জনক এতিয়াও বহিস্কাৰ কৰিবলৈ বাকী আছে।

(২) বিদেশী চিনাক্তকৰণ আইনৰ অধীনত ২২৫৩ জন লোকক ১৯৬৬-৭১ চনৰ ভিতৰত অসমত প্ৰৱেশ কৰা বিদেশী বুলি চিনাক্ত কৰা হয় আৰু তাৰ ভিতৰত ২২৫৩ জন বিদেশীৰ নাম পঞ্জীয়ন কৰা হয়।

(৩) ৪৬৯০ জন লোকক নতুন পুনঃ প্ৰৱেশকাৰী বাংলাদেশী অনুপ্ৰৱেশকাৰী হিচাবে চিনাক্ত কৰি বহিস্কাৰ কৰা হয়।

(৪) ৪৬৪০৪ জন নেপালী অনুপ্ৰৱেশকাৰীকো চিনাক্ত কৰি বহিস্কাৰ কৰা হয়।

(গ) "অবৈধ প্ৰৱজনকাৰী চিনাক্তকৰণ আইনখন" (আই এম ডি টি এক্ট) বাতিল বা সংশোধন কৰাৰ প্ৰয়োজনীয়তা চৰকাৰে বোধ কৰা নাই।

(ঘ) অসম চুক্তিৰ ৬ নং দফাৰ আধাৰত অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কৰচৰ বাবে চৰকাৰে সংবিধানৰ কেতবোৰ অনুচ্ছেদ সংশোধনিৰ বাবে ১৪ টা প্ৰস্তাৱ কেতিয়াবাই কেন্দ্ৰলৈ প্ৰেৰণ কৰে। সদনত দাখিল কৰা বিভাগীয় প্ৰগতি খতিয়ানৰ ৬নং দফাত বিতং তথ্য দিয়া হৈছে।

(See the Annexure VII)

(ঙ) অসম চুক্তিৰ আধাৰত অসমৰ অৰ্থনৈতিক উন্নয়ণৰ বাবে দফা-৭ মতে কাৰ্য্যকৰী কৰা বিভিন্ন ব্যৱস্থাবলীৰ ভিতৰত উল্লেখযোগ্য কেইটা হ'ল—

(১) শিলচৰ আৰু তেজপুৰত দুখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন।

(২) উত্তৰ গুৱাহাটীত এখন ভাৰতীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান (আই আই টি) স্থাপন।

(৩) নুমলীগড়ত চতুৰ্থটো তেল শোধনাগাৰ স্থাপন।

(৪) গ্ৰেছ-ক্ৰেকাৰ প্ৰকল্প স্থাপন।

(৫) অশোক কাগজ কলৰ পুণৰ জীৱিত কৰণ।

(৬) পৰিবহন উন্নয়ণ।

(৭) বহুমুখী নদী উপত্যকা প্ৰকল্প।

(৮) গুৱাহটীত নিঃশুল্ক বন্দৰ স্থাপন।

(৯) পৰ্যটনৰ উন্নতি সাধন।

(১০) দূৰ সংযোগ সেৱাৰ উন্নতি সাধন।

(১১) বৈদেশিক সাহায্যপ্ৰাপ্ত প্ৰকল্প (যথা-কৃষি উন্নয়ণ প্ৰকল্প, আমগুৰি আৰু কঠালগুৰি শক্তি প্ৰকল্প, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ প্ৰকল্প) (বিতং তথ্য বিভাগীয় প্ৰগতি খতিয়ানৰ ৭নং দফাত দাঙি ধৰা হ'ল)।

বিষয় : R. C. C. Bridge.

শ্রীমধুসূধন তেওয়াৰীয়ে জিজ্ঞাসা কৰছেন।

১৮৮। মাননীয় গড়কাপ্তানী বিভাগের (ভৈয়াম) মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :

(ক) পাথারকান্দি সোকামটিলা রোড আজ কয়েক বৎসর যাবৎ বন্ধ কারণ লঙ্গাই নদীর উপর আর চি চি ব্রীজটি অকেজো হওয়ার কারণ, আর বার বার সরকারের দৃষ্টি আকর্ষণ করা সত্বেও আজ পর্য্যন্ত কোন ব্যবস্থা গ্রহণ করা হয় নাই কি কারণে ?

(খ) উক্ত রাস্তাটিকে বর্ডারের এপ্রোচ রোড হিচাবে সেতুটি নির্মান সহজ সাধ্য হইবে, এবং ইহাৰ জন্য উপায়ুক্ত সহ অতীতে একটি প্রস্তাব ও রাখা হয়েছিল এবং পুনবায় বিভাগীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করতঃ বলিতেছি যে উক্ত প্রস্তাবটি গ্রহন করিবেন কি ?

(গ) সোনাখিরা-বুব্রীঘাট রাস্তা, সোনাখিরা-কাঠালতলী রাস্তা বর্ষায় প্রায় বন্ধ হইয়া যায় এই বিষয়ে সরকার ব্যবস্থা গ্রহণ করিবেন কি ?

(ঘ) পাথারকান্দি কাজীর বাজার রোড, পাথারকান্দি এন, এইচ ৪৪ হইতে পাথারকান্দি উন্নয়ন খণ্ড পর্য্যন্ত অনুমানিক ২ কিলোমিটার রাস্তা (যাহা অতীব প্রয়োজনীয়) পকীকরণ করার সরকার পদক্ষেপ নিয়েছেন বা নিবেন কি ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ বাজ্যিক মন্ত্রী ভৈয়াম) য়ে উত্তৰ দিছে :

(ক) এই দলংৰ ওপৰৰ অংশ (Superstructure) নতুনকৈ নির্মান কৰাৰ বাবে ৪৩,৭৩,০০০·০০ টকাৰ এটা প্রাক্কলন প্রশাসনীয় অনুমোদনৰ বাবে দৰকাৰী ব্যৱস্থা লোৱা হৈছে। উপযুক্ত পুঁজি হলেই এই কাম অনতিপলমে আৰম্ভ কৰিব পৰা যাব।

(খ) নহয়। এই বিভাগে উপায়ুক্তৰ কালৰ পৰা এই ধৰণৰ কোনো প্রস্তাব উত্থাপন কৰাৰ কথা জানিব পৰা নাই।

(গ) হয়, বাৰিষাৰ সময়ত এই ৰাস্তাৰ মাজে মাজে কিছু অংশ পানীত ডুব যায় আৰু যান বাহনৰ যাতায়ত বন্ধ কৰা হয়। উক্ত ৰাস্তাত যাতায়তৰ সুবিধাৰ বাবে প্রয়োজনীয় উন্নতিৰ কাম হাতত লোৱা হৈছে।

(ঘ) হয়, এই পথৰ পকীকৰণৰ কাম পর্য্যায়ক্রমে লোৱা হব। যদিহে প্রয়োজনীয় পুঁজিৰ ব্যৱস্থা হয়।

Re : Water Supply Scheme in Assam

Shri Anwar Hussain asked :

189. Will the Minister Public Health Engineering be pleased to state :

(a) How many water supply schemes have been sanctioned in Assam and how many have been completed in Assam from 30th July 1991 to 31st January 1994 ?

(b) How many schemes have been set-up in Hailakandi, Silchar, Dhubri and Goalpara Districts with names of places for suplying pure drinking water in rural areas from 1st July 1991 to 31st January 1994 ?

Shri Dinesh Prasad Goala (Minister, Public Health Engineering Department) replied :

(a) As detailed below :

Type of Scheme.	Nos of unit sanctioned during the period	Nos completed/ commissioned.
Piped Water Supply Schemes	72	657
Hand Tube Well	9915	4866
Mark-II	1875	812
Ring Well	1702	738
Tara Pump,	924	407
Force & Lift Pump	271	—
Resorvoir,	99	99

(b) List enclosed.

(See the Annexure—VIII)

(Unstarred Question No 190 was Postponed)

Re : PK. P. W. D. Road.

Smt. Pramila Rani Brahma asked :

191. Will the Minister of State P.W.D. (plains) be pleased to state :

(a) Is it fact that the Gaurang Bridge on the P.K.P.W.D. Road had been lying unused ?

(b) If it is so, then since when and why ?

(c) Whether any step has taken by the Government to utilise it or reconstruct it ?

Shri Sarat Borkataki (Minister of State, P.W.D.) replied :

(a) Yes.

(b) Since Sept. 1983, due to out-flanking of the left (Kokrajhar side) approach of the bridge by flood of Sept. 1983.

(c) Steps have been taken by the Govt. for construction of a new bridge on a diversion alignment on the upstream the outflanked bridge.

বিষয় : চেলেংহাট পানী যোগান প্রকল্প।

শ্রীমতী কপম কুর্ম্মীয়ে সুধিছে :

১৯২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) চৰকাৰ অৱগতনে চেলেংহাটৰ অন্তর্গত চেলেংহাটত পানী যোগান প্রকল্পৰ আঁচনিৰ কাম ইতিমধ্যে চৰকাৰক জনোৱা হৈছিল যদিও আজি পৰিমিতেও তাত কোনো আঁচনিৰ কাম আৰম্ভ নকৰাৰ কাৰণ কি ?

(খ) যদি জানে কেতিয়া এই প্রকল্পৰ কাম আৰম্ভ হব আৰু এই বিত্ত বছৰতে এই আঁচনি লোৱাৰ কামৰ ব্যৱস্থা লব নে ?

শ্রীদিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী য়ে উত্তৰ দিছে :

(ক) চেলেংহাট নামৰ কোনো ৰাজহ গাওঁ নাই। চেলেংহাট নামৰ কোনো পানী যোগান আঁচনি নাই যদিও চেলেংহাট অঞ্চলৰ প্রায়বোৰ গাওঁত বিভিন্ন আঁচনিৰে পানী দি থকা হৈছে।

(খ) প্রশ্ন নুঠে।

Re : Untied Fund.

Shri Samarendra Nath Sen, asked :

193. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) Is it a fact that some patch works and some earth cutting was done in Silchar Taintapur Road under Silchar P.W.D. (Roads) Division for which fund was provided from untied fund ?

(b) Is it a fact that such works should not serve purpose during next rainy session ?

(c) If so, what step Govt, would take ?

Shri Sarat Borkataki (Hon'ble Minister of State P.W.D. (Plains) replied :

(a) Yes.

(b) No, unless un-preceedent occurance of flood takes place.

(c) Does not arise, in view of the (b) above.

বিষয় : অনাদায় কৰ।

শ্রীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

১৯৪। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ চনৰ দ্বিতীয় বছৰত ৰাজ্য চৰকাৰে বিক্রীকৰ বিভিন্ন বিভাগৰ পৰা যেনে : ভূমি ৰাজহ, বিদ্যুতকৰ আৱকাৰী ৰাজহ, বনাঞ্চলৰ ৰাজহ, গাড়ীৰ কৰ, কৃষিৰ আয়কৰ আদিৰ বাবদ সৰ্ব্বমুঠ কিমান টকা পাব লগা আছে ?

(খ) উক্ত বিভাগ সমূহৰ পৰা ১৯৯০-৯১, ১৯৯১-৯২ত ৬৩.১৮ কোটি টকা ৰাজহ অনাদায় হৈ থকা কথাটো সত্যনে ?

(গ) যদি সত্য এই টকা সংগ্রহৰ বাবে চৰকাৰে কি খৰতকীয়া ব্যৱস্থা গ্রহন কৰিছে ?

শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা অনাদায় হৈ থকা বিক্রীকৰ/ৰাজহৰ পৰিমাণ এনে ধৰনৰ—

	১৯৯১-৯২	১৯৯২-৯৩	১৯৯৩-৯৪
১। বিক্রীকৰ	১৮·২৫ কোটি টকা	১৬·৪৫ কোটি	২৫·৩১ কোটি টকা
২। বিদ্যুত কৰ	৬·৪২ কোটি টকা	৬·২৯ কোটি	৬·৭৮ কোটি টকা
৩। কৃষি আয়কৰ	৬·৪৭ কোটি টকা	৬·৬৯ কোটি	১২·৬৭ কোটি টকা
৪। ভূমি ৰাজহ	২·০৯ কোটি টকা	২·৪৬ কোটি	২·৯৮ কোটি টকা
৫। আবকাৰী ৰাজহ	×	×	×
৬। পৰিবহন ৰাজহ	০·৫০ কোটি টকা	০·১৩ কোটি	বিত্তীয় বছৰৰ শেষতহে সম্পূণ তথ্য দিব পৰা যাব।
৭। বন ৰাজহ	৩·৬৭ কোটি টকা	০·০৮ কোটি	০·০৭ কোটি টকা

(খ) উক্ত বিভাগবোৰৰ পৰা ১৯৯০-৯১, ১৯৯১-৯২ চনত অনাদায় হৈ থকা ৰাজহৰ পৰিমাণ আছিল মুঠ ৬৭,৪৯,৯০০০·০০ টকা।

(গ) অনাদায়ী ৰাজহ আদায়ৰ ক্ষেত্রত চৰকাৰে যথোচিত ব্যৱস্থা গ্রহণ কৰিছে। সংশ্লিষ্ট বিভাগীয় বিষয়া কৰ্মচাৰীক প্রয়োজনীয় নির্দেশ দিয়া হৈছে। ইয়াৰ উপৰি, সংশ্লিষ্ট বিভাগবোৰে জিলা উপায়ুক্ত আৰু মহকুমাধিপতি তথা বিভাগীয় বিষয়া সকলক বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্রয়োজনীয় ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিছে। সংশ্লিষ্ট বিভাগবোৰে প্রয়োজনীয় সাপেক্ষে বাকীজাই গোচৰ কৰি অনাদায়ী কৰ/ৰাজহ আদায় কৰাৰ ব্যৱস্থা গ্রহণ কৰিছে। অনাদায়ী ৰাজহ আদায়ৰ ক্ষেত্রত দিহা পৰামর্শ আগবঢ়াবলৈ অতিৰিক্ত মুখ্য সচিব শ্রী কে, এচ, ৰাওৰ অধীনত উপদেষ্টা কমিটী এখন গঠন কৰা হৈছে। অনাদায়ী বিক্রীকৰ সংগ্রহ কৰাৰ উদ্দেশ্যে ১ ফেব্রুৱাৰীৰ পৰা ১৫ ফেব্রুৱাৰীলৈকে সমগ্র ৰাজ্য জুৰি এক বিশেষ বিক্রীকৰ পখেক পালন কৰি প্রায় ৫ কোটি টকা অনাদায়ী বিক্রীকৰ সংগ্রহ কৰা হৈছে।

বিষয় : অসম চুক্তি ৰূপায়ণত হোৱা খৰচ ।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে :

১৯৫। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : অসম চুক্তি হোৱাৰ পৰা আজিলৈকে অসম চুক্তি ৰূপায়নৰ নামত কিমান টকা খৰচ কৰা হৈছে ?

মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন মহোদয়ে উত্তৰ দিব ।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) য়ে উত্তৰ দিছে :

সৰ্বমুঠ ৮২ কোটি ২১ লাখ ১৭ হেজাৰ ২২৭ টকা খৰচ কৰা হৈছে।

উক্ত ৯ টা বিভাগৰ খৰচৰ খতিয়ান ও খৰচ প্ৰযোজ্য নোহোৱা বুলি জনোৱা ১১ টা বিভাগৰ তালিকা এখন সংলগ্ন—১ মতে সদনৰ মেজত দাখিল কৰা হ'ল।

(See the Annexure—IX)

Re : Deplorable Condition of Desangmukh Road.

Shri Promode Gogoi asked :

196. Will the Minister of P. W. D. (Plains) be pleased to state :

(a) Whether it is a fact that the Desangmukh Road in the Sibsagar Division is in a deplorable condition ?

(b) If so, steps so far taken its improvement by the Department ?

Shri Sarat Barkataki (State Minister. P W.D. (Plains) replied :

(a) Yes.

(b) The portion of road from Ch. 0·00m to 2940·00m (2·94 m) has been metalled and blacktopped. The portion from ch. 2940·00 m to 3140·00 m. is proposed for improvement by metalling and blacktopping in Annual plan 1993-94. The remaining length of the road from ch. 3140·00 m to 7 km. has been proposed for improvement against improvement and raising flood damaged road for 1993-94.

বিষয় : কয়লাৰ পৰা কৰ সংগ্ৰহ।

শ্ৰীবদন বকুৱাই সুধিছে :

১৯৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১-৪-৯৩ তাৰিখৰ পৰা ৩১-১-৯৪ তাৰিখৰ ভিতৰত অসম ৰাজ্যৰ বাহিৰলৈ যোৱা কয়লাৰ ট্ৰাকৰ পৰা মুঠতে কিমান কৰ আদায় কৰা হৈছে ?

(খ) অসমৰ পৰা আন ৰাজ্যলৈ ট্ৰাকত পঠিওৱা কাঠৰ আৰত কি পদ্ধতিৰে কৰ আদায় কৰা হয় আৰু ট্ৰাকৰ পৰা ১-৪-৯৩ আৰু ৩১-১-৯৪ এই সময় ছোৱাত কিমান কৰ সংগ্ৰহ কৰা হৈছে ?

(গ) অসমৰ বাহিৰৰ পৰা চালান অহা মাছৰ পৰা ১-৪-৯৩ আৰু ৩১-১-৯৪ সময় ছোৱাত কিমান বিক্ৰীকৰ পোৱা হৈছে ?

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১২, ৯৩, ০৮, ২২৩·০০ টকা।

(খ) কাঠৰ ওপৰত Ist Point ত বিক্ৰীকৰ আৰোপ কৰা হয়। ৰাজ্যৰ বাহিৰলৈ বিক্ৰীকৰা কাঠৰ মূল্যৰ ওপৰত কেন্দ্ৰীয় বিক্ৰীকৰ অধীনত টকাত ১০ পইচা কৈ কৰ আদায় কৰা হয়। অৱশ্যে ৰাজ্যৰ বাহিৰে কোনো পঞ্জীয়ন ভুক্ত ব্যৱসায়ীক কাঠ বিক্ৰী কৰাৰ প্ৰধান C Form যোগে দিব পাৰিলে টকাত ৪ পইচা কৰ আদায় কৰা হয়। এই কৰ ৰাজ্যৰ বিভিন্ন ঠাইত কৰ অধীক্ষক কাৰ্য্যালয়ত নিৰূপন কৰি আদায় কৰা হয়।

যদি কোনো ব্যৱসায়ী আন্তঃ ৰাজ্যিক কাঠৰ ব্যৱসায় সংক্ৰান্তত তালাচী চকীত প্ৰয়োজনীয় বিশ্বাসযোগ্য নথিপত্ৰ দেখুৱাব নোৱাৰে তেতিয়া কাঠৰ মূল্যৰ ওপৰত টকাত ১০ পইচা হিচাপে যিমান টকা হয় সিমান পৰিমানৰ আমানত ধন তালাচী চকীত Bank Draft যোগে আদায় কৰা হয়। কিন্তু সাধাৰণত তালাচী চকীত কাঠৰ ওপৰত কৰ লগোৱা কোনো ব্যৱস্থা নাই।

১-৪-৯৩ পৰা ৩১-১-৯৪ কালচোৱাত প্ৰায় ৯ কোটি টকা আদায় হৈছে।

(গ) মাছৰ ওপৰত The Assam General Sales Tax, Act, 1993 দ্বাৰা কোনো বিক্ৰীকৰ আৰোপ কৰা হোৱা নাই আনকি এইখন আইনৰ আগতে এই বিধ সামগ্ৰীৰ ওপৰত অসম চৰকাৰে কোনো কৰ লগোৱা নাই। গতিকে এই বিধ সামগ্ৰীৰ বাবে ৰাজ্যিক কোষাগাৰলৈ কোনো বিক্ৰীকৰ জমা হোৱা নাই।

বিষয়ঃ এশিঙিয়া গড়ৰ সংখ্যা।

শ্রীমুনিন মহন্তই সুধিছে ঃ

১৯৮। মাননীয় বন্য প্রাণী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পবিতৰা অভয়াৰণ্যত বৰ্ত্তমান বিশ্বৰ ভিতৰত সৰ্ব্বাধিক ঘনত্বৰ এশিঙিয়া গড়ৰ সংখ্যা কিমান জনাবনে ?

(খ) উক্ত গড়ৰ বাবে প্রয়োজনীয় পর্য্যাপ্ত ঘাঁহনী আছেনে ?

(গ) পবিতৰা অভয়াৰণ্যৰ এলেকা বৃদ্ধি সম্পর্কে ১৯৮৭ চনতে এখন অধিসূচনা জাৰি কৰা হৈছিল নেকি ?

(ঘ) যদি জাৰি কৰিছিল বর্ত্তমান চৰকাৰে কি ব্যৱস্থা লৈছে ?

(ঙ) উক্ত অভয়াৰণ্যত ১৯৯১-৯২, ১৯৯২-৯৩ চনত চোৰাং চিকাৰীৰ হাতত এশিঙিয়া গড় নিধন হৈছে নেকি ?

(চ) বন বিষয়া, বন কর্ম্মী সকলক তহলদাৰী কৰিবৰ বাবে উপযুক্ত অস্ত্র-শস্ত্র, গাড়ীৰ ব্যৱস্থা কৰা হৈছেনে ?

শ্রীছামছুল হুদা (সামাজিক বনানীকৰণ আৰু বন্য প্রাণী বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৫৬ টা

(খ) হয়, আছে।

(গ) হয়, অধিসূচনা জাৰি কৰা হৈছিল।

(ঘ) পর্য্যায়ক্রমে অধিসূচনাখন কার্য্যকৰী কৰাৰ ব্যৱস্থা অব্যাহত আছে।

(ঙ) হয়, হৈছিল। (বছৰ ভিত্তিত তালিকা দেখুৱা হ'ল)

১৯৯১-৯২ চনত নিধন হোৱা গড়ৰ সংখ্যা = ৪ টা

১৯৯২-৯৩ চনত নিধন হোৱা গড়ৰ সংখ্যা = ৪ টা

(চ) হয়, হৈছে।

বিষয় ঃ বিত্ত বিভাগৰ ঘাটিৰ পৰিমাণ।

শ্রীজয়নাথ শর্মাই সুধিছে ঃ

১৯৯। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিত্ত বিভাগৰ ১৯৮০ চনৰ পৰা ১৯৯৩ চনলৈ বাৰ্ষিক ভিত্তিত ঘাটিৰ পৰিমান কি ?

বাজেট মতে কিমান ?

প্ৰকৃত (একচুৱেল) ক্ষেত্ৰত কিমান ?

(খ) বৰ্ত্তমান চৰকাৰে কোন কোন চনত বাহি বাজেত দেখুৱাইছিল আৰু উক্ত চনত বাহি কিমান হল ।

(গ) বাহি হোৱা নাই যদি ঘাটি কিমান হ'ল ।

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)

বৰ্ষ	বাজেটমতে (+) বাহি / (−) ঘাটি	লাখ টকাৰ হিচাপত প্ৰকৃত (+) বাহি / (−) ঘাটি (মহাগাণনিকৰ হিচাপ মতে)
১৯৮০—৮১	(—) ৪৩১৬·৭৪	(−) ৪৬১৪·৫৪
১৯৮১—৮২	(—) ৫৮৮৪·৪১	(−) ২০৯৫·৭৭
১৯৮২—৮৩	(−) ১৪৬৭·৫১	(−) ৭১০২·২১
১৯৮৩—৮৪	(−) ১০০৫০·১৭	(−) ৫৪৪১·৪৩
১৯৮৪—৮৫	(−) ১০৫৯৪ ৭৫	(−) ১২৪৪৬·৮৭
১৯৮৫—৮৬	(−) ২০২৬৪ ৪৭	(−) ৩৮৬১·৮৩
১৯৮৬—৮৭	(—) ৫৯২৩·৬০	(−) ১৬৬৫৩·৪৯
১৯৮৭—৮৮	(−) ৬৯৫৭·৯৮	(−) ১১৪০০·০০
১৯৮৮—৮৯	(−) ২৪৩০০·১৬	(+) ৪৯০০·০০
১৯৮৯—৯০	(−) ৩৭৩০০·০০	(+) ২২৪১·৩১
১৯৯০—৯১	(−) ১৯৬০০·০০	(+) ৫৭৯০·৮৫
১৯৯১—৯২	(−) ৩১৩১২·০১	(+) ৮১৩৫·০০
১৯৯২—৯৩	(+) ৩৬২৬·১১	(−) ১৬০১৫·২১

(খ) বৰ্ত্তমান চৰকাৰে ১৯৯২—৯৩ চনত ৩৬, ২৬ কোটি টকাৰ বাহি বাজেট সদনত উত্থাপন কৰে। বাহি নহল।

(গ) মহাগাণনিকৰ হিচাপ মতে উক্ত বছৰত ১৬০১৫,২১ লাখ টকা ঘাটি হয়।

বিষয় ঃ চাহৰ আয়কৰ।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২০০। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে চাহৰ ক্ষেত্রত থকা কৃষি আয়কৰ ৭৫ শতাংশৰ পৰা ৬০ শতাংশলৈ হ্রাস কৰি যেহাই ঘোষণা কৰাটো সত্যনে ?

(খ) ১৯৮৫-৮৬ চনত বিত্তীয় বছৰ অনুসৰি ১৯৯৩-৯৪ চনলৈকে চাহৰ পৰা কিমান আয়কৰ (৭৫ শতাংশ হিচাপে) ৰাজ্য চৰকাৰে লাভ কৰিছে ?

(গ) ৬০ শতাংশলৈ কৃষি আয়কৰ হ্রাস কৰাৰ বাবে চাহৰ ওপৰত নির্দ্ধাৰিত কৃষি আয়কৰ অহা ১৯৯৪-৯৫ চনৰ বিত্তীয় বছৰত কিমান কোটি টকা ৰাজ্য চৰকাৰে লাভ কৰিব ?

(ঘ) ১৯৮০-৮১ চনৰ পৰা ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰলৈকে অসমৰ সক ডাঙৰ ব্যক্তিগত অন্যক্তিগত চাহ বাগিচা সমূহে বছৰি কিমান কে. জি. চাহ উৎপাদন কৰিছে ? (বছৰ ভিত্তিত সর্ব্বমুঠ উৎপাদন কিলোগ্রাম হিচাবত দেখুৱাব)

শ্রীঅমীৰকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) ১৯৮৫-৮৭ চনৰ পৰা বিত্তীয় বছৰ অনুসৰি ১৯৯৩ ৯৪ চনলৈকে চাহৰ পৰা তলত দিয়া ধৰণেৰে কৃষি আয়কৰ চৰকাৰে লাভ কৰিছে।

বছৰ	কোটি টকাৰ হিচাবত
১৯৮৫-৮৬	৬০.৬১
১৯৮৬-৮৭	৬২.০০
১৯৮৭-৮৮	২৬.২৮
১৯৮৮-৮৯	২৭.৪৯
১৯৮৯-৯০	৩৭.৫১
১৯৯০-৯১	৯০.৩৩
১৯৯১-৯২	১০৩.৩৬
১৯৯২-৯৩	৬৪.৪০
১৯৯৩-৯৪	৪৩.৩৭ (১৯৯৪ চনৰ জানুৱাৰী মাহলৈ কৃষি আয়কৰ সাধাৰনতে মার্চ মাহত জমা হয় বাবে এই পৰিমান যথেষ্ঠ বৃদ্ধি পাব।)

(গ) ইং ১৯৯৪-৯৫ চনৰ বাবে প্ৰস্তুত বাজেট উৎথাপনৰ কৰাৰ পিছতহে জানিব পৰা হ'ব।

(ঘ) ১৯৮০-৮১ চনৰ পৰা ১৯৯৩-৯৪ চনৰ বিত্তীয় বছৰলৈ অসমৰ চাহৰ উৎপাদনত তথ্য তলত দিয়া ধৰণৰ :—

বছৰ	নিযুত কিলোগ্ৰাম হিচাবত
১৯৮০-৮১.....	.....৩০৬.৪৫৫
১৯৮১ ৮২.....	.....৩৩১.৫৭২
১৯৮১-৮৩	.....২৯৯.০৭৬
১৯৮৩-৮৪.....	.....৩১১.৬৪১
১৯৮৪-৮৫.....	.....৩৩৪.৫৬৫
১৯৮৫ ৮৬.....	.....৩৫২.৪৩৮
১৯৮৬-৮৭.....	.....৩৩৫.৪৯২
১৯৮৭-৮৮...	.....৩৬৪.৬২১
১৯৮৮-৮৯.....	.....৩৭১.৭৪৫
১৯৮৯ ৯০.....	.....৩৭৯.৮৫৫
১৯৯০-৯১.....	.....৩৭৯.৮৯২
১৯৯১-৯২.....	.....৩৮৭.৮৬৬
১৯৯২-৯৩.....	.....৪০২.৯০০
১৯৯৩-৯৪.....	তথ্য এতিয়াও পোৱা নাই।

Discussion on the Supplementary Statement of Expenditure Charged of the Consolidated fund of the state for the year 1993-94

Mr. Speaker : The Question Hour is over.

*শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অডাৰ আছে। বাতৰিত এটা খবৰ ওলাইছে। অধ্যক্ষ মহোদয় ডুমডুমাত কেইজন মান যুৱকে সংঘৰ্ষ বৰ্জিত সস্থা নামাকৰণেৰে এটা টেণ্ট তৰি তেওঁলোকৰ কাম আৰম্ভ কৰিছিল কিন্তু জিলা কংগ্ৰেছৰ এজন সভাপতিয়ে গৈ তেওঁলোকৰ টেণ্ট ভাঙি দিয়ে—— (সদনত গন্ধগোল)

*Speech not Corrected

(সদনত কেইবাজনো বিৰোধী দলৰ সদস্যই একেলগে কবলৈ ধৰে।)

মাননীয় অধ্যক্ষ : আপোনালোকে এনেকুৱা কৰিলে মই সদনৰ কাম কেনেকৈ চলাম?

*শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত মাননীয় মুখ্য মন্ত্রী মহোদয়ে সদনত এটা বিবৃতি দিলে ভাল হয়।

(সদনত আকৌ গন্দগোলৰ সৃষ্টি হয়। অধ্যক্ষ মহোদয়ে দহ মিনিটৰ বাবে সদনৰ কাম বন্ধ ৰাখে)

(The House re-assembled at 10·05 Hours)

Mr. Speaker : The Leader of the Opposition raised certain issue which the Leader of the House has taken note of.

(All the members of the AGP stood at a time and spoke···

I am the last person to tolerate this type of thing. You are going to stop the smooth functioning of the House.... Now, item No. 2 Discussion, if any on the Supplementary Statement of Expenditure Charged on the Consolidated Fund of the State for the year 1993-94. Any honourable member like to speak on this item ?

শ্রীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ বিত্তীয় বছৰত ব্যয়ৰ শিতানত খৰছৰ সম্পর্কত চৰকাৰৰ তৰফৰ পৰা, বিত্ত বিভাগৰ তৰফৰ পৰা যিখন ছবি দাঙি ধৰা হৈছে সেই সম্পর্কে যথেষ্ঠখিনি কবলগীয়া আছে। অধ্যক্ষ মহোদয়, এখন চৰকাৰৰ ভাৰমূর্ত্তি, চৰকাৰৰ বিত্তীয় অৱস্থা আৰু জনসাধাৰণৰ ওপৰত তাৰ প্রতিফলন এই গোটেই কথাখিনি নির্ভৰ কৰে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ ওপৰত। কিন্তু দেখা গৈছে, চলিত বিত্তীয় বছৰত বিত্ত মন্ত্রী মহোদয়ে এখন 'চাৰপ্লাছ' বাজেট উপস্থাপন কৰি যি ধৰণেৰে ৰাজ্যখন পৰিচালনা কৰাৰ মনস্থ কৰিছিলে তাৰ শতকৰা ৯০ ভাগ ফলপ্রসু হব বুলি আশা কৰিব নোৱাৰি। অধ্যক্ষ মহোদয়, আজি এইখিনি কথা উপলব্ধি কৰাৰ প্রয়োজন হৈছে যে যি যি কাৰণত বিত্ত বিভাগে বাজেট প্রস্তুত কৰি এখন চাৰপ্লাচ বাজেট দিছে, তাৰ লগে লগে চৰকাৰৰ যিখিনি নীতি যেনে এই বিত্তীয় বছৰটো উন্নয়ণীবর্ষ হিচাপে ঘোষণা কৰাৰ বাজেটত তাৰ 'ৰিফলেকচন' বা কার্য্যকৰিতা লাভ কৰিব পৰা নাই। বর্ত্তমান বাজেটত চৰকাৰৰ কোনো

*Speech not Corrected

নিয়ন্ত্রণ নাই। আজি ঠিকাদাৰ সকলে টকা পোৱা নাই, কৰ্ম্মচাৰী সকলে দৰ্ম্মহা পোৱা নাই। বৃদ্ধ পেঞ্চনাৰ সকলে পেঞ্চন পোৱা নাই। ৰাজ্যখনত কোনো উন্নয়ণমূলক কামে হোৱা নাই। এটা অস্থিৰ অৱস্থা চলি আছে। ৰাজ্য চৰকাৰে স্থিৰ বিত্তীয় অৱস্থা চলি আছে বুলি দাবী কৰিব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ এটা সিদ্ধান্ত আছে, কেবিনেট সিদ্ধান্ত আছে যে দুশ কোটি টকা খৰচ কৰি ৰাস্তাঘাট আৰু দলং বিলাক পুনৰ নির্মাণ কৰা হব। কিন্তু সেই সিদ্ধান্ত কার্য্যকৰী কৰাত সফল হোৱা নাই, ব্যর্থ হৈছে। চৰকাৰৰ এগৰাকী মাননীয় বিধায়কে বক্তব্য ৰাখিছিল যে চাউথ শালমাৰাত বস্তুৰ দাম কমিছে, তাৰ ওপৰত নির্ণয় কৰি অসমত বস্তুৰ দাম বঢ়া নাই বুলি কৈছে। কিন্তু বাতৰি কাকতত বস্তুৰ দাম যে বাঢ়িছে সেইটো ষ্টেটিচটিকেলি দেখুৱাই লিখিছে। দক্ষিণ শালমাৰাত বঢ়া নাই নেকি, বাঢ়িছে। কিন্তু বস্তুৰ দাম বঢ়া নাই বুলি চৰকাৰে আস্থা বিচাৰিছে। আমি সেইটো বিচৰা নাই। ইয়াৰ পৰা পলাশবাৰী বেছি দূৰ নহয়, যদি অধিবেশন চলি থকা সময়তে এজন মানুহ পঠায় তেতিয়া হলে সঠিক তথ্য পাব পাৰে। ১৯৯১-৯২ চনৰ গড়কাপ্তানী বিভাগৰ আঁচনি বিলাকৰ কাম হোৱা নাই, ১৯৯২-৯৩ চনত অনুমোদন হোৱা গড়কাপ্তানী বিভাগৰ ৰাস্তাৰ কাম হোৱা নাই, এইটো হল চৰকাৰৰ উন্নয়নী বর্ষৰ নমুনা। এইটো কিয় হৈছে, এইটো আলোচনা হব লাগে। মই ভাবো সমগ্র অসমতে এইটো হৈছে।

অধ্যক্ষ মহোদয়, কেৱল ডেভলাপমেণ্টৰ বিষয়ে কবলৈ বিচাৰিছো। অসম গণপৰিষদ চৰকাৰৰ দিনত ২২ ফুট বহল ৰাস্তা হব লাগে বুলি কৈছিল, তাক আমি মানি লৈছিলো। কিন্তু আজি দহ ফুট বহল ৰাস্তা কৰি টকা আদায় কৰি লৈ গৈছে। আজি ৰাজ্যখনত কংগ্রেছ চৰকাৰ থকা বুলিয়ে তেনেকুৱা কৰিছে। এই কথা বিলাকৰ অৱসান ঘটিব লাগে। এই ক্ষেত্রত আমি বিৰোধী পক্ষই ভাবত চৰকাৰলৈ চিঠি লিখিম নেকি? মাননীয় মুখ্য মন্ত্রী মহোদয়ে বিষয়টো চাবলৈ অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, মই বৃদ্ধ পেনচনৰ কথা কবলৈ বিচাৰিছো, আজি ২৪ মাহ ধৰি বৃদ্ধ পেনচন পোৱা নাই। সেয়ে এইখন চৰকাৰৰ বিত্তীয় অৱস্থা ঠিক আছে বুলি কোনো সাধাৰণ মানুহে অনুমান নকৰে। মাহৰ পিচত মাহ ধৰি শিক্ষক সকলে দৰমহা নেপায়। মাদ্রাছা শিক্ষকসকলে দৰমহা নোপোৱা

বুলি ওলাইছে, হাইস্কুলৰ শিক্ষকৰ কেনেকুৱা অৱস্থা হৈছে আপোনালোকে জানেই। মই আৰু দীঘলীয়া বক্তব্য ৰাখিব নোখোজো, সময় যথেষ্ট আছে পিচলৈও আলোচনা কৰিম পাৰিম।

অধ্যক্ষ মহোদয়, প্ৰত্যেক কথাতে চেষ্টা কৰিম সদনত সেইটো উত্তৰ হব নোৱাৰে। কিন্তু আজি দিয়া হৈছে, দিবই। এনেকুৱা উত্তৰ দিলে আমি বিৰোধী পক্ষৰ বিধায়ক সকলৰ পৰা অসমৰ জনসাধাৰণে কি পাব পাৰে।

অধ্যক্ষ মহোদয়, মুক্তি যুদ্ধাৰ কথা নকলে মোৰ বক্তব্য আধাকৰা হৈ থাকিব। মুক্তি যুদ্ধাক সকলৰ সম্পৰ্কে বক্তব্য ৰখাৰ আগতে তেখেত সকললৈ মই শ্ৰদ্ধা জ্ঞাপন কৰিছো। তেখেত সকলৰ নাম সন্নিবিষ্ট এখন কিতাপ ওলাইছিল, তথ্যখিনি মোৰ মুখৰ পৰা দিব নেলাগে, চৰকাৰেই দিব। সেইখন কিতাপত কাৰ নাম সোমাব, কাৰ নাম নোসোমাব এই ক্ষেত্ৰত আপত্তি উঠাত কোৰ্টে তাৰ্ডিক কেন্‌চেল কৰিছে। এই কথাখিনি চাব লাগে কোৰ্টে নিৰ্দ্দেশ দিয়াৰ পিচত চৰকাৰে বন্ধ কৰিছে। ১৯৯৩ চনত ১৫ আগষ্টত দিশপুৰৰ পেৰেড গ্ৰাউণ্ডত এখন সভা বহা কথাটো মোৰ মনত পৰে। সেই সভাত মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল, যদি সেইটো কাৰ্য্যকৰী হোৱা নাই চাব লাগে। আগতে অসম গণ পৰিষদ চৰকাৰৰ দিনত ঘোষণা কৰিছিল যে তেওঁলোকক পাচশ টকা পেনচন দি থকা হব। এতিয়া দুই শ টকা বঢ়াই সাতশ টকা কৰা কৰা হল, কিন্তু সেই টকা পোৱা নাই। সেইটো কাৰ্য্যকৰী হৈছে নে নাই, যদি হোৱা নাই চৰকাৰে ব্যাখ্যা কৰাটো দৰকাৰ।

মাননীয় উপাধ্যক্ষ মহোদয়, আন এটা মন কৰিব লগীয়া কথা, মুক্তি যোদ্ধা সকলৰ নামৰ এখন তালিকা থকা পুস্তিকা প্ৰস্তুত কৰিবলৈ দিয়া হ'ল সেই খন কিতাপত দেখা গল যি সকল মুক্তি যোদ্ধাই পেনচন পাই আছে তেওঁলোকৰ নাম সেইখন কিতাপত নাই অথচ যি সকল প্ৰকৃততে মুক্তি যোদ্ধা নহয় তেনে লোকৰ বহুতৰে নাম সেইখন কিতাপত আছে। আজি এনেবিলাক কথা কৈ আমি সময় নষ্ট কৰিব নালাগিছিল কিন্তু চৰকাৰে এই সৰু-সুৰা কথাবিলাক, নৰ্ম্মচ বিলাক ৰক্ষা নকৰে, এতিয়া এই মুক্তি যোদ্ধাৰ যিখন বোৰ্ড আছে সেইখন বোৰ্ডৰ চেয়াৰমেন হব লাগিছিল মুখ্য মন্ত্ৰী, কিন্তু জানিব পৰা মতে এতিয়া চেয়াৰমেন হেনো বেলেগ আছে। এই ক্ষেত্ৰত দেখা যায় চৰকাৰে

নিয়ম-নীতি বিলাক নিজেই ভায়লেট কবিছে। তাব পাচত আমাব মনত পবে অসম গণ পবিষদ চবকাব চলি থকা সময়ত পাঠ্যপুথি বিতৰণ কবাব বেলিকা দুই এদিন পলম হওঁতে হাহাকাব কবি দিলে আনকি চবকাব ভাঙি পেলোৱাব অৱস্থা কবিলে কিন্তু এতিয়া এই চবকাবৰ দিনত যোৱা বছৰব পৰা ল'বা-ছোৱালী বিলাকে কিতাপ-পত্র পোৱা নাই, এইদৰে ল'বা-ছোৱালী বিলাকক ধ্বংসৰ পথলৈ ঠেলি দিয়াতো আমি নিবিচাবো।

*Dr. Ardhendu Kr. Dey, (Minister, Food & Civil Supplies). If something error takes place. I am here to point out...

*Shri Nagen Sarma : That is not the procedure. He is not the Chief Minister...

*Shri Chandra Mohan Patowary : The person who is not in a position to find out the error in Food & Civil Supplies Deptt. is trying to find out the error of other departments.

(কথায় তালপুকুৰ, ঘটিয়ো ডুবে না)

*শ্রীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ঠিকাদাব সম্বাই ধর্ণা দিছে, এইটো গোটেই সক কথা নহয়, এই ঠিকাদাব সকলে যোৱা কেইবছৰব পৰা যিবিলাক কাম কবি আহিছে সেইবিলাকৰ বিল এতিয়াও ননপেয়মেণ্ট হৈ পবি আছে। এইক্ষেত্রত চবকাবৰ ফালৰ পৰা দৃঢ় পদক্ষেপ লোৱা আমি দেখা নাই। এ.জি.পি. চবকাব চলি থকা সময়ত যি সকল ঠিকাদাবে ঠিকা কাম কবিছিল ১৯৯০ চনলৈকে, সেই সকল ঠিকাদাবক হেনো টকা-পইচা পেয়মেণ্ট নকবিবলৈ মুখ্য মন্ত্রী মহোদয়ৰ ফালৰ পৰা নির্দ্দেশ দিছে। আমাৰ কথা হ'ল যি সকলে কাম কবিছিল সেই সকলক নুন্যতম খিনি হলেও দিয়াব ব্যৱস্থা কবিব লাগে। তাব পাচত আজি আমাব যিটো ফ্লাড কণ্ট্রোল ডিপার্টমেণ্ট আছে সেই ডিপার্টমেণ্টব কৰ্ত্তৃত্বই নাইকিয়া কবি পেলাইছে এই বিলাকৰ দায়িত্ব এতিয়া ডি, আৰ, ডিক দি দিছে। যাৰ ফলত যোৱা ৯২ চনৰে কামৰূপ জিলাব ১৬ লাখ টকা আইন কামত দাইভার্ট কবিলে আৰু পিছত বিএম্বাচমেণ্ট কৰা হব বুলি কৈছিল কিন্তু এতিয়ালৈকে বিএম্বার্চ নহ'ল। সেই ১৬ লাখ টকা কামৰূপ জিলাব উন্নয়নৰ কাৰণে ধার্য্য কবা টকা আছিল, কিন্তু এই কার্য্যব দ্বাবা কামৰূপ জিলাব উন্নতিত বাধা সৃষ্টি কবা হ'ল।

*Speech not Corrected

মাননীয় উপাধ্যক্ষ : বাজেটৰ আলোচনাৰ সময়ত এইবিষয়ে আপুনি কবলৈ সুবিধা পাব, এতিয়া চমু কৰিব লাগে।

*শ্রীযতীন মালী : নহয় চাৰ, আমি যিহেতু পইচা দিম, তেনেস্থলত এই কথা বিলাক কব লগীয়া আছে। এইবিলাক বিষয়ত মই লজিকেলি প্রমাণ দিব পাৰিম, মৰিগাৰৰ এটি সৰু কথা কৈ তেওঁলোকে গোটেই অসমত শিক্ষাবিভাগত চলা দুর্নীতি ঢাকিব বিচাৰে। মই মুখ্য মন্ত্রী মহোদয়ক জনাব বিচাৰিছো— ধৰা হ'ল এটা মহকুমাত এগৰাকী মন্ত্রীয়ে ২০০ গৰাকী শিক্ষক নিযুক্তি দিছে। অংকত যেনেকৈ এক্স ধৰি কৰা হয়, ঠিক তেনেকৈ ধৰি লব লাগিব। এতিয়া কথা হৈছে তেখেতে যদি প্রতি গৰাকী শিক্ষকৰ পৰা ২০ হাজাৰ টকাকৈ লৈছে। ষ্টেটিষ্টিকেলি কৈছো তেতিয়া হলে তেখেতে ৪০ লাখ টকা লৈছে। ৪০ লাখ টকা ললে সেই টকাখিনিৰ কিবা অলপ পার্টিক দিছে। কিন্তু সেই মন্ত্রী গৰাকীয়ে টি, এ, ডি, এ পাই থাকে (ভইচ-কিবা প্রমাণ আছে নেকি ?)

*শ্রীজয়নাথ শর্মা : মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত যি প্রমাণৰ কথা কোৱা হৈছে, আজি ৯০ শতাংশ দোষী ব্যক্তিয়েই প্রমাণৰ অভাৱত খালাচ পাই যায়।

*শ্রীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী মহোদয়ে এই কথা চাব। এই ৪০ লাখ টকা তেখেতে গৰীৱ মানুহৰ পৰা সংগ্রহ কৰিছে। এই বাজহ সংগ্রহ কৰাৰ বাবে তেখেতসকলক সুবিধা দিয়া হৈছে। চাকৰি দিয়াৰ ক্ষমতা মুখ্যমন্ত্রীৰ নিজৰ হাতত আছে। এই ৪০ লাখ টকাৰ ৫ লাখ টকা দললৈ যায়। সেই কাৰণে তেখেতসকলক মন্ত্রী পতা হৈছে ? মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বেছি দীঘলীয়া নকৰো। কাৰণ অহা মাহৰ ১১ তাৰিখলৈ সময় পাম কোৱাৰ বাবে। মই মুখ্যমন্ত্রী মহোদয়ক দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে বিধায়ক সকল একোটা সমষ্টিৰ পৰা নির্বাচিত হৈ আহে ৰাইজৰ প্রতিনিধি হিচাবে। সেয়ে কোনোবা বিধায়কে যদি মুখ্যমন্ত্রীক লগ কৰিব বিচাৰে তেখেতক দেখা কৰিব লাগে বা তেখেতৰ ফোন নম্বৰ ৰাখি ললে পাহৰি যাব নালাগে। সেই বিধায়ক জন বিৰোধী পক্ষৰ বিধায়ক বুলি। তেখেতক ৰাইজৰ প্রতিনিধি বুলি ভাৰি অভাৱ-অভিযোগৰ বিষয়ে কোৱাৰ সুবিধা দিব লাগে। এতিয়া মই পলাশবাৰী টাউন ৰক্ষাৰ আঁচনিৰ কথা কবলৈ গৈছো। এই আঁচনি কার্যাণ্বয়ন ৰূপায়িত কৰিব নালাগে। এই আঁচনি ৰূপায়নত চি এল এ বর্ত্তমান চৰকাৰৰ পৰিচালনাৰ অপৰিপক্কতা প্রকাশ পাইছে। Regarding financial in disei-

*Speech not Corrected

pline ইনভেষ্টমেণ্ট ক্লিয়াৰ কৰাৰ কথা আছিল। উপাধ্যক্ষ মহোদয়, ইৰভেষ্টমেণ্ট ক্লিয়াৰেঞ্চ পলাশবাৰীৰ ক্ষেত্ৰত চৰকাৰে হাতত লব পৰা নাই কিয়? চি এল এৰ অভাৰৰ কাৰণে? বান নিঃস্ত্রণ বিভাগে ইয়াক কণ্ট ল কৰিব পৰা নাই। পলাশৰাৰী টাউনথন এয়াৰ পোৰ্ট, নেচনেল হাইওৱে আছে যদিও ইয়াক প্ৰটেকছন দিব পৰা নাই। এই টাউন খন এদিন নাইকিয়া হৈ যাব। বান নিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ক পলাশৰাৰী টাউন ৰক্ষা কৰাৰ বাবে অনুৰোধ কৰা হৈছে। এই চৰকাৰেই সিদ্ধান্ত ললে যে ২০০ কোটি টকা দলং আৰু ৰাস্তা মেৰামতিৰ কাৰণে খৰচ কৰা হব। এইটো মুখৰ কথা হোৱা নাই। এইটো স্বাস্থ্যকৰ কথা হোৱা নাই। আপোনালোকে যদি স্পেচিয়েলি গৰাখহনীয়াৰ মেৰামতিৰ বাবে আঁচনি লয় আমি তাত সম্পূৰ্ণ সমৰ্থন জনাম। আপোনালোকে ডি আৰ ডি এৰ আঁচনিৰ অধীনত ২২ ফুটৰ ৰাস্তা ১০ ফুট কৰিবলৈ লৈছে। কামৰূপ জিলাত এডমিনিষ্ট্রেছনে এতিয়া ৰাস্তাৰ কাম আৰম্ভ কৰিছে। এই কাম শেষ নহওতে বিল পাছ হৈ গৈছে। উপাধ্যক্ষ মহোদয়, আমি এতিয়াও চৰকাৰক সময় দিছো। যদি চৰকাৰে সদনৰ অধিৱেশন শেষ হোৱাৰ আগতে আঁচনিৰ কাম পুৰা নকৰে তেতিয়াহলে আমি এই সদনৰ অধিৱেশনৰ পিছতে কেন্দ্রীয় চৰকাৰৰ ওচৰত মেমোৰেণ্ডাম দাখিল কৰিম। আজি এই চৰকাৰে কিছুমান ৰাজনৈতিক দলৰ মানুহক ৰক্ষণা-বেক্ষণ দিছে। উপাধ্যক্ষ মহোদয়, মই চমু কৰিম। পলাশৰাৰী চহৰক ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে টকা ধাৰ্য্য লাগে আমি তাত সমৰ্থন জনাম। ডিব্রুগড়ক ৰক্ষা কৰাৰ বাবে আঁচনি লব লাগে। মুকালমুৰাক ৰক্ষা কৰিব লাগে নলবাৰীক ৰক্ষা কৰাৰ বাবে। উপাধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তি দিলে সমস্যা সমাধান নহয়। শিক্ষক নিযুক্তি দিলে ২০ হাজাৰ ২০ হাজাৰ টকাকৈ ললে ব্যক্তিগত ভাৱে লাভবান হব। কিন্তু নিৰ্বাচনৰ সময়ত সকলো শেষ হৈ যাব। এতিয়া মই বিভাগীয় বিষয়াৰ কথা কৰলৈ বিচাৰিছো। পলাশৰাৰী ভূমি সংৰক্ষণ বিভাগত পি জি বিত এজন বিষয়াক বদাল কৰিবলৈ মই আবেদন জনাইছিলো। তেখেতৰ চাকৰি কাল তিনি বছৰৰ ওপৰ হৈছে। তেখেতৰ বিৰুদ্ধে দুনীতিৰ অভিযোগ আছে। মই বিচাৰিছিলো তেখেতক বদলি কৰি যি কোনো এজন বিষয়াক তাত নিয়োগ কৰিব লাগে। কিন্তু তেখেতক বদলি কৰা নহ'ল। কাৰণ তেখেতৰ বোলে বিভাগীয় মন্ত্রীৰ লগত কিবা সম্পৰ্ক আছে। মন্ত্রী মহোদয়ৰ পি এছৰকথাও ওলাইছিল। কিন্তু মই সেই

বিষয়ে কবলৈ নাযাও। মই সেই বিষয়া গধাকীক বদলি কবাব বাবে কৈছিলো এই কাবণে যে তেখেতেৰ বিৰুদ্ধে এলিগেছন আছে। এইটো বিৰোধী পক্ষৰ বিধায়ক সমষ্টি কাবণে তেখেতৰ দায়িত্ব নথকা নহয়। মুখ্যমন্ত্রী মহোদয়, এই কথাখিনি বিৰোধী পক্ষৰ বিধায়ক যতীন মালীয়ে কোৱা বুলি ধৰি নলব। উপাধ্যক্ষ মহোদয়, মই এতিয়া বিত্ত বিভাগৰ ওপৰত কবলৈ বিচাৰিছো। এই বিত্ত বিভাগটো হৈছে টকা-পইচা চাবি-কাঠি। এই বাৰৰ বাজেট খন চাবপ্লাচ'কবিছে। চাবপ্লাচ কবক। দেখুৱাবলৈ চাবপ্লাচ কবিব নালাগিছিল। আই এফ চিৰ হিসকল ফাইনেন্স এণ্ড্রাইচাবে অসমত এই বছৰ চাবপ্লাচ বাজেট তৈয়াৰ কবিবলৈ পৰামৰ্শ দিছে এই পৰামৰ্শৰ দ্বাৰা গোটেই বাজ্যখন ধ্বংস কৰিবলৈ বিচৰা হৈছে। এই পৰামৰ্শৰ দ্বাৰা গোটেই ৰাজ্যখন ধ্বংস কৰিবলৈ বিচৰা হৈছে। এই চাবপ্লাচ বাজেটৰ কোনো দৰকাৰ নাছিল। সেই কাবণে আমি তেখেত পৰামর্থ দিম দিম টকা-পইচা বিলাক ভালকৈ খৰচকবিব লাগে। এতিয়া ফৰেষ্ট নীতি মুখ্যমন্ত্রী মহোদয়ৰ হাতত ফৰেষ্টৰ কথা কলে আমাৰ গা চেক চেকাই যায় কাৰণ আমি ফৰেষ্টৰ মাজত ডাঙৰ হোৱা মানুহ। সেই কাবণে আমি ফৰেষ্টৰ অনিষ্ট সহ্য কৰিব নোৱাৰো। উপাধ্যাদয়, আপুনি যদি চান্দডুবিলৈ যোৱা নাই মই আপোনাক তালৈ নিমন্ত্রণ জনাইছো। তালৈ গলে আপুনি দেখিব চান্দডুবি অসম চৰকাৰৰ পর্যটন বিভাগে পিক্‌নিক খোৱাৰ কাবণে যিটো ঘৰ বনাইছে। সেইখিনি ঠাই গছ বিলাক দিনৰ পোহৰতে কাটিছে। এতিয়া তাত গছ গছনি নাই।

এই বননীতিৰ ওপৰত যোৱা বছৰ মই বাজেট বক্তৃতা দি থাকোতে মই ১১ বজাত বক্তৃতা শেষ কৰাৰ লগে লগে তাত থকা স্বয়ম্ভু বন বিষয়া জনে হেনো কৈছিল যে এতিয়া বক্তৃতা শেষ হ'ল-গছ কতা আৰম্ভ কবিব লাগে। এনেকৈ তেতিয়া তেওঁ ৯৮ খন পার্মিট দিছে, কুলছি লোহাৰবাট অঞ্চলত গছ কাতি নাইকীয়া কবিলে। গছ কাতি কি কবিব-গছ যেতিয়া বিক্রী কবিব আনিলে তেতিয়া কোনেও গছ নিকিনিলে কাৰণ আমি গছ কিনা বন্ধ কবি ৰাখিছো। আজিও লোহাৰকাঠা অঞ্চলত গছ দম হৈ আছে। অসম গণ পৰিষদ দলৰ চৰকাৰৰ দিনত আমি গছ কতা বন্ধ কৰিছিলো বহুতে কৈছে আমি ভাল কৰা নাছিলো কিন্তু এতিয়া কংগ্রেছৰ চৰকাৰৰ দিনত গছ কাতি শেষ কৰিলে। বনাঞ্চল নাইকীয়া হ'ল। গতিকে এই কথাবিলাক মুখ্যমন্ত্রী মহোদয়ে চাব লাগে। উদ্যোগ বিভাগ সম্পর্কত মই কব বিছাৰিছো-উদ্যোগ মন্ত্রী নাই তেখেতে শুনিব লাগিছিল অৱশ্যে মুখ্যমন্ত্রী আছে। আমাৰ বিৰোধী পক্ষৰ সদস্য সকলৰ উদ্যোগৰ ক্ষেত্রত দখল

আছে-উদ্যোগ নীতিত চাব লাগিব ক'ত ক'ত উদ্যোগৰ চোৰ আছে। কিন্তু বিভাগীয় মন্ত্রীৰ এই উদ্যোগনীতিত ক্লিয়াৰ কনচেপচন নাথাকিলে বৰ অসুবিধা হয়। অকল নুমলিগড়ত ক'ত কেনেকৈ ঠিকাৰ আৱণ্টন দিব পাৰি সেই চিন্তাতে থাকিলে নহয়। এটা ক্লিয়াৰ কনচেপচন থাকিব লাগে। অসম গণ পৰিষদ চৰকাৰৰ দিনত যি উদ্যোগ নীতি লোৱা হৈছিল সেই উদ্যোগ নীতি আজি কলৈ গ'ল? সেই কথাবিলাক চাব লাগে আমি পইছা দিম। আজি চৰকাৰৰ গুৱাহাটী বিশ্ববিদ্যালয় সম্পৰ্কত চৰকাৰৰ থিং কিং বিলাক মন কৰিবলগীয়া। ইচ্ছা কৰি আমি আজি অসমখনৰ অন্যায় কৰিব নোৱাৰো। বৰাকত যিটো বিশ্ববিদ্যালয় হব তাত আমাৰ দলে আপত্তি কৰা বুলি এচাম লোকে বিবৃতি উলিয়াইছে। আমি সদায় অসমৰ উন্নতি হব লাগে বুলি চিঞৰী আহিছো। অসমত আই,আই,টি কেন্দ্রীয় বিশ্ববিদ্যালয় হব লাগে সদায়ে দাবী কৰি আহিছো কিন্তু আমি মাত্র জুৰিদিকচন দম্পৰ্কত বক্তব্য ৰাখিছো। জুৰিদিকচন সম্পৰ্কত কিজানি আমাৰ মুখমন্ত্রী মহোদয়ৰো ক্লিয়াৰ কনচেপন নাই। আজি যদি গুৱাহাটী বিশ্ববিদ্যালয়ক ধ্বংস কৰি শিলচৰত বিশ্ববিদ্যালয় পাতিবলৈ যায় এইটোৰ দ্বাৰা ইয়াকে বুজায় যে সম্পূর্ণ ৰক্ষনাবেক্ষন দিয়া হৈছে। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কি সাংঘাটিক অর্থ সংকট হৈছে? চৰকাৰে কৌশলগত ভাবে এই অর্থসংকটৰ সৃষ্টি কৰিছে। বিশ্ববিদ্যালয়ৰ যিখিনি কমিটেড লায়েবিলিটিজ সেইখিনিও চৰকাৰে মানি লোৱা নাই। অসম গণ পৰিষদ চৰকাৰৰ দিনত বিশ্ববিদ্যালয় কিমান টকা দিছিল আৰু এতিয়া কংগ্রেছ চৰকাৰৰ দিনত কিমান টকা দিছে জনাব পাৰিব নে? গণ পৰিষদ চৰকাৰে ১৯৮৫-৮৬ চনত, ৮৬-৮৭ চনত এনেকৈ ৯০ চনলৈ আৰু কংগ্রেছ চৰকাৰে ৯১ চনৰ পৰা আজি পর্য্যন্ত কিমান টকা দিছে সেই সংখ্যাটো আমাক দিয়ক-কাৰ দিনত কিমান বিত্তীয় সংকট হৈছে আমি বুজি পাম। অন্য উন্নয়নৰ কথা বাদেই কর্ম্মচাৰীক দিবৰ কাৰণে দা-দর্ম্মহা নাই বুলি উপাচ র্য্য গৰাকীয়ে সাংবাদিক মেল মাতি ব্যক্ত কৰিছে। এতিয়া অৱশ্যে ১০ কোটি টকা দিম বুলি কৈছে দিয়ে নে নিদিয়ে তাৰ থিক নাই বিধান সভা অহা কাৰণেহে কৈছে যেন পাওঁ। এনেকুৱা এখন উচ্চ পর্যায়ৰ অনুষ্ঠানক ৰাজনৈতিক প্লেটফর্ম্ম কৰিব নালাগে। ডিব্রুগড় বিশ্ববিদ্যালয়ৰে একে অৱস্থা। বাজেট উ'থাপন কৰোতে বিত্তমন্ত্রীয়ে চ'বপ্লাচ বাজট বুলি কৈছিল কিন্তু বাজট পাচ হোৱাৰ পাচৰ পৰাই আজিলৈ ঠিকাদাৰক পইছা দিব পৰা নাই, দলং মেৰা-

মতি কৰিব পৰা নাই, একোৱেই কৰিব পৰা নাই, বাজ্যখনত আজি সুস্থীৰ বাতাবৰণ সৃষ্টি হৈছ বুলি কৈছে, ৪০ কোটি টকা জমা আছে বুলি কৈছে কিন্তু ভিতৰে ভিতৰে কি হৈছে ? এটা পৰিয়ালে ঘৰখনৰ সোনা গহনা মাটি বন্ধক দি ভাল কাপোৰ কানি পিন্ধি থাকিলেই পৰিয়ালটোৰ অৱস্থা ভাল নুবুজায় কাৰণ ওচৰ পাজৰৰ মানুহে জানে গৃহস্থই মাটি বন্ধক আৰু সোনা বিক্রী কৰা বুলি। আমাৰো একে অৱস্থা বিজার্ভ বেংকৰ পৰা কিমান অভাৰড্রাফট লৈছে সেইটো কওঁক চোন ? পিয়ালেচৰ পৰা কিমান টকা ধাৰ লৈছে কওঁকচোন ? এতিয়া আকৌ পিয়াৰলেচ নগৰী কৰিবলৈ লৈছে। অৱশ্যে দেনা পাওঁনা থাকিলে এইটো কৰিবই লাগিব। এইবাৰৰ পৰা বিজার্ভ বেংকে ওভাৰড্রাফট মানি নলও বুলি কৈছে কিন্তু যোৱা বছৰতে এইটো কৰা হলে আজি আমাৰ চৰকাৰৰ কি অৱস্থা হ'লহেতেন সেইটো মন কৰিছে নে ? গতিকে এই চৰকাৰ অহাৰ পিছত কিমান ওভাৰড্রাফট লৈছে আমাক জনাব লাগে। এই চৰকাৰে ১০ লাখ নিৰনুৱাক কৰ্ম্মসংস্থাপন দিম বুলি কৈছিল; বাওহতীয়া উত্তৰ নিদিয়াকৈ চিধাকৈ কওঁক কিমানক সংস্থাপন দিব পাৰিলে ? আমাৰ বিত্ত মন্ত্রী মহোদয়ে ভুল তথ্য সদনক দাঙি ধৰিছে। বিত্ত বিভাগত বিজ্ঞ বিষয়া কেইজনমান আছে। তেওঁলোকে ৩ মাহৰ মুৰে মুৰে মনিটৰি ৰিপোৰ্ট দিব লাগে।

সেই কাৰণে পৰিকল্পনা বিভাগে এই সম্পৰ্কত প্রকৃত তথ্য দিব লাগে। তাৰকাৰণে চৰকাৰে বিত্ত বিভাগৰ সম্পৰ্কত খৰচী মাৰি আলোচনা কৰাৰ কাৰণে এটা সুকীয়া আলোচনা হব লাগে যাতে যোৱা বছৰ যেনেকৈ এখন চাৰপ্লাচ বাজেট দেখুৱাই জুলাই মাহতে বিত্তীয় সংকটত পৰিব লগা হৈছিল সেই অৱস্থা যেন এই বছৰ আৰু নহয়। অহা দিনবোৰৰ কথা চৰকাৰে ভালদৰে নজৰ দিব আৰু আমি এতিয়া যিখিনি পইচা অনুমোদন দিম সেইখিনিৰ যাতে সদ্ব্যৱহাৰ হয় তাৰ কাৰণে যেন চৰকাৰে সততে চকু ৰাখে। তাৰোপৰি মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে দুই এদিনৰ ভিতৰতে আনটাইড ফাণ্ডৰ টকাও ৰিলিজ হব। সেই টকাৰোৰ যদি ঠিকমতে ব্যৱস্থাৰ নহয় তেনে হলে অহা দিন কেইটাত এই ক্ষেত্রত বহু মানুহ জড়িত হব আৰু অসমৰ গড়কাপ্তানি বিভাগটোৰ এটা ইতিহাস বছনা হব। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো। ধন্যবাদ।

*শ্রীজয়নাথ শর্ম্মা : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অর্ডাৰ আছে। পৰিপূৰক বাজেট সম্পর্কত যিখন ষ্টেটমেণ্ট দিয়া হৈছে তাৰ ১নং ইনডেক্সৰ চিৰিয়েল ৩৮ ত চৰকাৰী কৰ্ম্মচাৰীৰ ঋণ হিচাপে ২৮,৩৬,০২০০০ টকা খৰচ কৰাৰ কাৰণে বিচৰা হৈছে। কিন্তু এই টকাটো কেপিটেল এক্সপেনণ্ডিচাৰ নে ৰেভিনিউ এক্সপেণ্ডিচাৰ সেই কথাটো স্পষ্ট কৰি দেখুৱাৰ লাগে।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য গৰাকীয়ে যিটো কথা উৎথাপন কৰিছে সেই ক্ষেত্ৰত মই কব খোজো যে যিখিনি টকা বিচৰা হৈছে সেইখিনি চার্জড এমাউণ্ট। গতিকে চার্জড এমাউণ্টৰ ওপৰত বহলাই কবলৈ গৈ সদস্য সকলে সময় খৰচ নকৰাই ভাল। ইয়াত আমি কিছু প্রিন্সিপোলৰ কথা আলোচনা কৰিব পাৰো। সেই কাৰণে এই ক্ষেত্ৰত অন্য কিছুমান কথা আলোচনা নকৰাই ভাল। এনে কোনো বিষয়ত ইয়াৰ আগতেও বিধান সভাত কোনো স্পষ্টীকৰণ দিয়া নজীৰ নাই।

*Shri Hitendra Nath Goswami : Mr Speaker Sir, please clearify the point of order whether Finance Minister to cleartfy the point of order.

মাননীয় অধ্যক্ষ : এইটো ভোটেড্ বিষয় হব। এইটো পিচত আলোচনা কৰিব পাৰিব।

*Shri Zoiinath Sarma : This should be clearified in the House.

মাননীয় অধ্যক্ষ : বিত্ত মন্ত্রীয়ে এই বিষয়ত কিবা কব নেকি?

*শ্রীজীৰকান্ত গগৈ (বিত্ত মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো মই চোৱা চিতা কৰিহে পিচত কব পাৰিম।

*Shri Zoiinath Sarma : Mr Speaker Sir please clearify the point of order. Finance Department should immediately clearify Serial No. 38

মাননীয় অধ্যক্ষ : আপোনালোকে এই কথা বিলাক ভালদৰে জানে। তথাপিও এই ক্ষেত্ৰত কথাবোৰ বহলাই আছে। বাতৰি কাকতত কিবা এটা ওলালেই তাৰ ওপৰত পইণ্ট অৱ অর্ডাৰ আনিব নালাগে।

*শ্রীচন্দ্রমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আপুনি মন্ত্রীক বেছিকৈ চেফগার্ড দি আছে। আগতে ষ্টেটক চেফগার্ড দিয়ক।

*Speech not Corrected

শ্রীহিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, এই বিষয়টো সম্পর্কত মাননীয় সদস্য শ্রীযতীন মালী ডাঙৰীয়ই ইতিমধ্যে বহু খিনি কথাই কৈ গৈছে। সেই ক্ষেত্রত মই আৰু বহলাব বিচৰা নাই। মই এটা কথাই কব খুজিছো যে যি ১৯ টা চৰকাৰী বিভাগৰ কাৰণে অতিৰিক্ত ৪১১ লাখ টকাৰ আৱশ্যকতা দেখুউৱা হৈছে। এটা কথা দেখা গৈছে যে এই টকাখিনি হাইকৰ্টৰ ৰায় দানৰ কাৰণেহে মুকলি কৰি দিব লগা হৈছে। অর্থাৎ ইয়াৰ পৰা আমি এটা কথা ধৰি লব পাৰো যে চৰকাৰৰ কিছুমান ভুল নীতিৰ কাৰণেই কিছুমান লোক হাই ক'ৰ্টৰ ওচৰ চাপিব লগা হৈছে আৰু হাই ক'ৰ্টে তেখেত সকলৰ সপক্ষে ৰায় দান কৰাৰ পিচত চৰকাৰে এই টকাৰোৰ দিব লগা হৈছে। এই টকাৰ ভিতৰত একমাত্র শিক্ষা বিভাগেই ২৩৬ লাখ টকা দিব লগা হৈছে। আৰু সিও দিব লগা হৈছে হাই ক'ৰ্টৰ ৰায় দানৰ পিচত। গতিকে চৰকাৰী বিভাগ-বোৰে যিবোৰ ভুল নীতি গ্রহণ কৰি আছে সেই ক্ষেত্রত ভালদৰে চাব লগা আছে।

অধ্যক্ষ মহোদয়, দেখা গৈছে যে, চৰকাৰৰ নিযুক্তিৰ পলিচিটো ভুল হৈছে। তাৰ ফলতেই হাইক'ৰ্টে যেতিয়া উপযুক্ত সকলক নিযুক্তি দিয়াৰ পাৰে ৰায় দিলে তেতিয়াই এই নিযুক্তি দিয়া শিক্ষক সকলক চৰকাৰে দৰমহা দিবলগা হৈছে।

মাননীয় অধ্যক্ষ : আপোনালোকে এতিয়াও কাট মোচনটো অনা নাই। আপোনালোকে কাট মোচন আনিব পাৰে।

শ্রীহিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, কাটমোচন আহিব। ৪৫২ লাখ টকাৰ অতিৰিক্ত দিয়াৰ প্রস্তাৱৰ ক্ষেত্রত যি কেইটা হেদ আছে সেইটো চাই লওঁক তাৰ পিচত পৰিপূৰক বিনিয়োজনৰ কথা আহিব। আজি যিখিনি টকা দিব-লগীয়া হৈছে বুলি উল্লেখ কৰি সেই টকা চৰকাৰে আগতেই খৰচ কৰিছে। গতিকে এতিয়া বিধান সভাই অনুমোদন দিব লাগিবই। এল. পি স্কুলৰ শিক্ষকৰ বাবে অতিৰিক্তি টকা দিবলগা হৈছে। এল, পি স্কুলৰ শিক্ষকৰ নিযুক্তিটো ভুল হৈছে। মই বিলিভেল্ট কথা কৈ আছো। শিক্ষক নিযুক্তিৰ ক্ষেত্রত যি ধৰণে মেৰিট লিষ্ট তৈয়াৰ কৰিব লাগে কৰা নাই। ফলত শিক্ষক সকল হাই কৰ্ট'ত যাব লগা হৈছে। ধেমাজীত কট'লৈ যোৱৰ পিচত ১৫০ জনক অতিৰিক্ত নিযুক্তি দিবলগা হৈছে। এনেধৰণৰ খেলিমেলিৰে যোৱহাটীতা শিক্ষক নিযুক্তি দিয়া হৈছে। উদাহৰণ স্বৰূপে প্রথম বিভাগত পাছ কৰা এগৰাকী ছাত্রী মিনাক্ষী

দত্ত লিষ্টত তেওঁৰ নাম আছে কিন্তু তেওঁ নিযুক্তি পোৱা নাই। এই কেচ-টোও হাইকৰ্টলৈ যাব। পিচত আৰু এটা পষ্ট হাইকৰ্টৰ নিৰ্দ্দেশত চৰকাৰে দিব লাগিব। এটা নিযুক্তিৰ ক্ষেত্ৰত যোৱা ২৭-১০-৯৩ তাৰিখে শিক্ষাবিভাগে এদভাৰটাইজমেণ্ট কৰিছিল আৰু ১০ দিনৰ ভিতৰত এপ্লিকেচন দিবলৈ উপ-যুক্ত প্ৰাৰ্থীক কোৱা হৈছিল। কিন্তু হঠাতে সঞ্চালক, এলিমেণ্টৰি এডুকেচনে দাইনেষ্টলি এজনক নিযুক্তি দিলে। ফলত যি কেইজনে এপ্লিকেচন কৰিছিল তেওঁলোকে কৰ্টলৈ আহিছে। গতিকে শিক্ষা বিভাগত যি বিলাক খেলি-মেলি চলি আছে সেইবিলাক অনতিপলমে বন্ধ কৰিব লাগে। নহলে অহা বছৰতো একে সমস্যাৰ সৃষ্টি হব। আজি শিক্ষা বিভাগত অধিক টকা দিব লগা হৈছে। গতিকে চৰকাৰৰ দৃষ্টিভঙ্গী সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰিব লাগে। বেচা কিনাৰ যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে সেইটো অনতিপলমে বন্ধ কৰিব লাগে। নহলে চৰকাৰৰ আৰ্থিক অৱস্থাৰ টনকিয়াল নহব। আনহাতে পুলিচ বিভাগত ১০ লাখ টকা, কেপিটেল কন্সট্ৰাকচনত ৪১ লাখ টকা, ফৰেষ্টত ৬৬ লাখ টকা ধৰিছে। আৰু পাবলিক চাৰ্ভিচত ২৫ লাখ টকা ধৰা হৈছে। এই কেইটা মেজৰ হেদ। কেপিটেল কন্সট্ৰাকচনৰ বাবে যি অতিৰিক্ত টকা ওলিয়াব বিচাৰিছে সেইটো জাষ্টিফাই হোৱা নাই। কাৰণ কাম নোহোৱা কৰি বিল আদায় কৰা দেখা গৈছে। গতিকে এই বিষয় বিলাকৰ ওপৰত সতৰ্ক দৃষ্টি নাৰাখিলে পৰবৰ্ত্তী বছৰতো একে সমস্যাৰ সৃষ্টি হব। আমাৰ বাজ্যখনক আমি দেভলপিং বাজ্য বুলি কব পাৰো। ফাইনেন্স কমিচন যেতিয়া আহিছিল তেতিয়াও উৎপাদন বঢ়োৱাৰ কথাকে কৈছে। চৰকাৰে কেনেকৈ এচটাব্লিচমেণ্ট কষ্ট (establishment cost) কমাব পাৰে সেইটো চাবলাগে। বিত্ত বিভাগে কি ধৰণে অতিৰিক্ত বাজহ টকা আহৰণ কৰিব পাৰে সেই প্ৰচেষ্টা কৰিব লাগে। তেতিয়াহে আমাৰ চাপ্লিমেণ্টৰি দিমান্দৰ কথা আহিব। আমাৰ হাতত পৰ্য্যাপ্ত টকা থাকিলেহে কাম কৰিব পাৰি। কেতিয়াবা এনেকুৱা পৰিস্থিতিও হয় যে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী বা বিত্ত মন্ত্ৰীৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰাৰ পিচতো তেখেতসকলে কথা বিলাক হৃদয়ঙ্গম কৰিবলৈ নিবিচাৰে। যোৱা বাজেট অধি-বেশনতো এই বিলাক কথা বাৰে বাৰে কোৱা হৈছিল। মিঠাতেল আৰু দাইলৰ ওপৰত লগোৱা টেক্স যোৱাবাৰৰ বিত্ত মন্ত্ৰীয়ে ২ শতাংশ উঠাই লৈছিল কিন্তু তেখেতে তাৰ আগৰ বছৰৰ বাবেও ব্যৱসায়ীক বেস্পেকটিভ এফেক্ট দি

১ কোটি ৪৪ লাখ টকা ট্রেদাবক ঘুবাই দিব বিচাবিছে ? আপোনালোকে এইটো কথা জানেনে ? এই টকা বাইজব উপকাবব বাবে খবচ কবিব লাগিছিল। আমাব নিচিনা এখন দুখীয়া দেশব বিত্তীয় পবিস্থিতি ভাল কবিবব কাবণে যদি চবকাবব বিশেষ প্রচেষ্ট নাথাকে তেনেহলে আমি বিধান সভাত কথা কোৱাব কোনো আৱশ্যকতা নাই। গতিকে কথা হৈছে বর্ত্তমান চবকাব ক্ষমতাত থকাব যোগ্যতা আছেনে নাই ? এই কথাটোব এটা প্রশ্ন মনলৈ আছে। আজি পবিপুবক মঞ্জুবী অনা হৈছে কাৰ্টে আদেশ দিয়াব বাবে টকাখিনি ভবিব লগা হৈছে। মই আমাব বিত্ত মন্ত্রী মহোদয়ক বিশেষভাবে অনুবোধ কবো যে, চাপ্লিমেটবি এপ্রপ্রিয়েচন যত আনিব লাগে সেই বিভাগব কামব দ্বাবা বাইজ উপকৃত হব লাগে, কেৱল আদালতব আদেশ মানিবলৈ গৈ টকা দিয়াব সুবিধা কবাব বাবেই এই পবিপুবক মঞ্জুবীব দাবী বিল আহিব নালাগে।

Voting on Supplimentary Demands of Grants for the year 1993-94

Mr. Speaker : Now, item No. 3, Hon'ble Minister, Parliamentary Affairs to move. GRANT No. 1.

Shri Golok Rajbangshi, (Minister, Parliamentary Affairs) : Sir, on the recommendation of the Governor of Assam, I beg, Sir to move that an additional amount of Rs. 148 lakhs be granted to defray certain charges which will come in course of payment during the year ending the 31th March, 1994, for the administration of "State Legislature".

Mr. Speaker : There is no Cut Motion on this Grant. Now, I put the Motion. The Motion is that on the recommendation of the Governor of Assam an additional amount of Rs. 148.00 lakhs be granted to defray certain charges which will come in course of payment during the year ending the 31st March, 1994, for the administration of "State Legislature"

(The Motion is passed. Grant No. 1 is passed)

Mr. Speaker : Hon'ble Chief Minister will move.

Voting on Supplementary Demands for Grants for the year 1993-94

*Shri Hiteswar Saikia (Hon'ble Chief Minister) : On the recommendation of the Governor of Assam Sir, I beg to move that an additional amount of Rs. 67.88 lakhs be granted to the Minister-in-charge to defray certain charges which will come in curseof payment during the year ending the 31st March, 1994 for the administration of "Council of Ministers".

Mr. Speaker : There are to cut motions in the name of Hon'ble Members :

1. Shri Jatin Mali
   Shri Hitendra Nath Goswami
   Shri Nagen Sarma
   Dr. Kamala Kalita
   Shri Phani Bhusan Choudhury
   Shri Gahin Chandra Das.

I now request the movers to move the cut motion one by one.

*Shri Hitendra Nath Goswami : Sir, I beg move that the total provision of Rs. 67.88 lakhs under Grant No. 2 in respect of "Council of Minister" at pages 3–4 of the list of Supplementary Demands for Grants be reduced by Rs. 100.00 i.e. the amount of the whole Supplementary Demand of Rs. 67 88 lakhs do stand reduced by Rs. 100.00.

Mr. Speaker : I call upon the Hon'ble Member Shri Hitendra Nath Goswami to move :

শ্রী হিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই কউন্সিল অব মিনিষ্ট্রিৰ সম্পৰ্কত যিটো কাটমাচন ৰেইজ কৰিছো, ইয়াৰ জৰিয়তে আমাৰ মন্ত্ৰী সভাৰ কাৰণে যিখিনি অতিৰিক্ত খৰচৰ ধন বিচাৰিছে ইয়াৰ বিৰোধিতা কৰি দুৰ যাৰ কৰ খুজিছো। অধ্যক্ষ মহোদয় যোৱা ২ ৩ টা বছৰত মুখ্যমন্ত্ৰী ভাঙৰীয়াই

*Speech not Corrected

এটা কথাই কৈ আহিছে যে পূর্ব্বৰ চৰকাৰে যি ধাৰ কৰি থৈ গৈছে সেই ধাৰ মাৰোতেই ৰাজ্যখনৰ উন্নয়নমূলক একো কাম কৰিব পৰা নাই। কিন্তু অধ্যক্ষ মহোদয়, চৰকাৰ এটা কন্টিনিউচিপ্রচেচ। আগতে কি আছিল, আগলৈ কি হব, আগতে কি কৰিছিল এইটো কথা নহয়। সদায় এই কথাকে কৈ থাকিলে দেশৰ অৱস্থা বা পৰিস্থিতি উন্নতি হব নোৱাৰে। আমাৰ মন্ত্রীসভা আজি যথেষ্ট ডাঙৰ হৈছে কিন্তু ইয়াক সংকুচিত কৰি এফেকটিভ কৰিবলৈ মুখ্য-মন্ত্রীয়ে একো কৰা নাই। মুখ্যমন্ত্রীয়ে কব পাৰে আগৰ দিনটো ডাঙৰ মন্ত্রী সভা আছিল। কিন্তু কোনোবাই ভুল কৰিলে বুলিয়েই আপুনি বা আপোনা-লোকে কিয় এই ভুল পুনৰায় কৰিব? কৰিব নেলাগে। এই মন্ত্রী সভাখন যথেষ্ট ডাঙৰ হোৱাৰ কাৰণে ৰাজকোষৰ পৰা যথেষ্ট টকা খৰচ হৈছে। অথচ আজি দেশৰ অর্থ নৈতিক অৱস্থা অতি বেয়া। মাননীয় মুখ্যমন্ত্রীয়ে মন্ত্রী সভাখন সৰু কৰি কার্য্যক্ষম কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। দ্বিতীয় কথা হৈছে, মুখ্যমন্ত্রীয়ে নির্দেশ দিছিল যে কোনো এখন সভালৈ ৩ জনতকৈ অধিক মন্ত্রী যাব নেলাগে আৰু কৈছিল যে দিশপুৱত এক নির্দিষ্ট দিন ধৰি মন্ত্রী সকল থাকিব লাগে। তেওঁলোকে সকলো সময়তে বা মাহটোৰ অধিক সময় বাহিৰত থাকিব নোৱাৰে। কিন্তু এতিয়া দেখা গৈছে যে কোনো এক ব্যক্তিগত কথাৰ কাৰণে মন্ত্রী এজন ক'ৰবালৈ ভ্রমণত গলেও টি, এ, ডি, এ, বিচাৰি এই ভ্রমণ অফিচিয়েল কৰি লয়। এইটো বৰ লজ্জাজনক কথা হৈছে। আপোনালোকে যদি আদর্শ দেখুৱাৰ নোৱাৰে তেনেহলে বাকীবোৰলৈ কি থাকিব? আজি প্রশাসনৰ পৰা দূর্নীতি নোহোৱাৰ বাবে চেষ্টা কৰিব লাগে। ইয়াৰ কাৰণে আপোনালোক প্রতীক হব লাগে। দূর্নীতিৰ কথা আজি যিবোৰ কোৱা হৈছে, যিবোৰ দূর্নীতিৰ কথা প্রকাশ পাইছে, ইয়াৰ কাৰণে আমি বিধায়ক বুলি চিনাকি দিবলৈ লাজ পাও। আজি মন্ত্রী বিধায়ক সকলৰ দূর্নীতিৰ কথা কাকতে-পত্রে ইমানকৈ প্রকাশ পাইছে যে ভাবিলে আচৰিত লাগে। কাকতত প্রকাশ হোৱা সকলোবোৰ কথা, বাইজে কোৱা সকলোবোৰ দূর্নীতিৰ কথা, সকলোবোৰ সত্য নহলেও এটা অংশ নিশ্চয় সত্য। এই দূনীতি কমাবলৈ হলে প্রথমে মন্ত্রী সভাৰ সংখ্যা কিছু পৰিমাণে কমাব লাগে। আৰু এনে হলে সকলো বিষয়ত মন্ত্রীৰ ইণ্টাৰফিয়াৰেন্স কম হব। আজি আমি দেখিবলৈ পাইছো যে মন্ত্রী সভাৰ মাজত কেইজনমান মুখ্যমন্ত্রীৰ বেছি ক্লজড আৰু সেয়ে পাৰাৰফুল বাকী কোনো কোনো অকলশৰীয়া। যি সকল মন্ত্রী পাৰাৰফুল, তেওঁলোকৰ সমষ্টিৰ

কাম হৈছে, বিভিন্ন দিশত উন্নতি হৈছে। কিন্তু যি সকল মন্ত্রীৰ পাৰাৰফুল নহয় তেওঁলোকৰ কাম হোৱা নাই। বিধায়কৰ ক্ষেত্রটো একেই কথা যি সকল পাৰাৰফুল তেওঁলোকৰ সমষ্টিত কাম হৈছে—বাকী বোৱৰ নাই। তেওঁলোকৰ সমষ্টিত উন্নয়নৰ গতি বন্ধ হৈছে। এই ব্যৱস্থা বন্ধ কৰিব লাগিব। এনে ব্যৱস্থাবোৰ বন্ধ কৰাৰ কাৰণে মুখ্যমন্ত্রীয়ে চিন্তা কৰিব লাগিব। আজি মই মাননীয় মুখ্যমন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো যে তেখেতে যেন অতি সোনকালে এই বৃহত মন্ত্রী সভাৰ সংখ্যা কম কৰে আৰু ৰাজহুৱা ধনৰ অপচয় বোধ কৰে। ৰাজ্যখনলৈ সুষ্ঠিৰতা অনাত মুখ্যমন্ত্রীয়ে গুৰুত্ব দিব লাগে আৰু লগে লগে ৰাজ্যখনৰ বিভিন্ন উন্নয়নৰ দিশত মনোনিবেশ কৰিব লাগে। মই কৰ্তন প্রস্তাৱৰ সম্পর্কত আৰু এটা কথা কব খুজিছো সেইটো হৈছে—আমাৰ মাননীয় মুখ্যমন্ত্রীয়ে মাহটোৰ অধিক সময় দিশপুৱৰ পৰা বাহিৰত নেথাকি দিশপুৱত থাকি কিছু ফাইলৰ কামত মনোযোগ দিব লাগে। মুখ্যমন্ত্রীয়ে বিভিন্ন অঞ্চলৈ ভ্রমণত যাব নেলাগে সেইটো মই কোৱা নাই—কিন্তু বহু দূৰ দূৰণিৰ পৰা ৰাইজ তথা ৰাইজৰ প্রতিনিধি সকল আহি যাতে তেখেতক দেখা কৰিব পাৰে, ৰাইজৰ কৱলগীয়াখিনি কব পাৰে তাৰ কাৰণে কিছু সময় দিবৰ বাবে তেখেতে দিশপুৱত বেছিকৈ থাকিলে ভাল হয়। স্কুল বা কলেজৰ নবাগত আদৰণি সভা বা বিল্ডিং উন্মোচন কৰিবলৈ তেখেত নগলেও হয়, শিক্ষামন্ত্রী এনেবোৰ কামত গলেই হয়। মুখ্যমন্ত্রী এজন প্রতি কথাতে কিয় যাব লাগে। তেখেতৰ কৰিবলগা বহুত জটিল কাম আছে। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিস্থিতি অতি জটিল হৈ পৰিছে-আর্থিক সংকটৰ বাবে। আজি অসমত শিক্ষা জগতত এনে এটা মনোভাবৰ সৃষ্টি হৈছে যে মুখ্যমন্ত্রীৰ লগত যদি আলোচনা কৰা নহয় তেন্তে, বিশ্ববিদ্যালয়, কলেজ বা স্কুলে অনুদান নেপায়। আজি এনে এটা অৱস্থাৰ কিয় সৃষ্টি হৈছে? মাননীয় মুখ্যমন্ত্রীয়ে দিশপুৱত কিছু সময় বেছিকৈ বহি ৰাজ্যখনৰ জটিল সমস্যাবোৰৰ বিষয়ে চিন্তা কৰিব লাগে। তেখেতে বিধায়ক সকলক ৩ বজাৰ পিচত দেখা কৰিবলৈ সুবিধা দিছে যদিও তেখেতক বিধায়ক সকলে দেখা কৰাত বা লগ কৰাত অসুবিধা পাইছে সঘণে তেখেত দিশপুৱৰ বাহিৰত থকাৰ কাৰণে। ৰাজ্যখনৰ মুখ্যমন্ত্রী জনে সাধাৰণ কিবা অনুষ্ঠান মুকলি কৰিবলৈ নগৈ দিশপুৱত থাকি ৰাজ্যখনৰ জটিল পৰিস্থিতিৰ বিষয়ে অধিক গুৰুত্ব দিব লাগে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাইচ চেঞ্চেলাৰৰ লগত মাননীয় মুখ্যমন্ত্রী মহোদয়ে দিচপাচন কৰা উচিত বিশ্ববিদ্যালয়ৰ কাৰণে ক'ত কিমান টকা পইচা গ্রাণ্ট আদি দিব লাগে। সেইবিলাক কথা দাইৰেক্ট ভাইচ চেঞ্চেলাৰৰ লগত

আলোচনা হোৱাটো বিচাৰো ছাত্ৰ বা অন্য সকলৰ লগত নহয় তেখেতে নিজেই পৰিস্থিতিটো জটিল কৰি দিছে। ছাত্ৰ সকলকলৈ ৰাজনীতিলৈ সোমাই যোৱাত তেখেতে উৎসাহ দিছে। অথচ তেখেতে কয় ছাত্ৰ সকলে ৰাজনীতি কৰিব নেলাগে।

শ্ৰীনকুল দাস : মাননীয় সদস্য সকলে ছাত্ৰ সকলৰ ইউনিয়ন খৰৰৰ কৰি দিব বিচাৰিছে নকি।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয় আজি ছাত্ৰ সকলে এনে ভুলনীতিৰ কাৰণে আন্দোলন কৰিবলৈ বাধ্য হৈছে। বিদেশী খেদাৰ নামত যদি আন্দোলন সৃষ্টি নহলহেঁতেন তেতিয়া হলে আমিও বিধায়ক হিচাপে বিধান সভালৈ নিৰ্ব্বাচিত হৈ নাহিলোহেঁতেন আমি প্ৰত্যেকেই এটা প্ৰফেচনত থাকিব পাৰিলোহেঁতেন? আগৰ ৰাজনীতিবিদ সকলে বিদেশী সমস্যাৰ কথাটো হৃদয়ংগম কৰিবলৈ চেষ্টা নকৰিলে যাৰ ফলত ছাত্ৰ সকল ৰাজনীতিত সোমাই পৰিল। আজি ছাত্ৰ সকলক সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰ কৰিবৰ কাৰণে চৰকাৰে কি ষ্টেপ লৈছে। আজি বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলৰ লগত বিশ্ববিদ্যালয়ৰ শিক্ষক সকলে দৰমহা কিমান টকা পাব, কোন বিভাগত কিমান টকা অনুদান পাব এই বিলাক কথা চৰকাৰে আলোচনা কৰাৰ যুক্তি নাই। বিশ্ববিদ্যালয়ৰ ভাইচ চেঞ্চেলাৰৰ লগত এনে আলোচনা কৰিব লাগিব। ছাত্ৰ সকলক পলিটিকেল মটভেটেট কৰাৰ যুক্তি সংগত হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, যতীন মালী ডাঙৰীয়াই আৰু এটা কথা কৈছিল চি, এম বিলিফ ফাণ্ডৰ পৰা কেন্সাৰ পেচেণ্টক সাহায্য দিয়াৰ বাবে বহুতো দৰ্খাস্ত পৰি আছে তাৰ একো একচন হোৱা নাই। কথাটো সত্য। মই নিজে এই কাৰণেই তেনে দৰ্খাস্ত বিলাক ৱিকমেনদেচন দিয়া বন্ধ কৰিছো। চি, এম অফিচলৈ যদি যায় আৰু সাহায্য পুজিঁৰ পৰা অনুদান বিচৰা দৰ্খাস্ত বিলাক যদি চাই তেতিয়াহলে তাত দেখিব কোনে কিমান কিমান সাহায্য পাইছে। কোনোবাই এক লাখ, কোনোবাই ডেৰলাখ আৰু কোনোবাই পাঁচ লাখ টকা পাইছে। কিন্তু এইটো পাইছে স্কুল-কলেজ সমূহে কেন্সাৰ ৰোগীয়ে নহয়। কেন্সাৰ ৰোগীয়ে পাইছে ১৫০ টকা মুখ্যমন্ত্ৰী সাহায্য পুজিঁৰ সম্পূৰ্ণ অপব্যৱহাৰ হৈছে। আমাৰো চৰকাৰ গঠন হৈছিল। আমি কিছু ভুল কৰিলো। তাৰ পিছত বৃক্ষপুঠ ভেলিৰ ৰাইজৰ সহায়ত কংগ্ৰেছ চৰকাৰ গঠন হ'ল কিন্তু এই চৰকাৰৰ পৰা উপকাৰো এধান-মানো পোৱা নাই। মূলসুতিৰ যিখিনি মানুহ সেই মানুহখিনিৰ একো উন্নতি হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজি শিক্ষা বিভাগটো কিহৰ কাৰণে আছে। মাত্ৰ চাকৰি বিচাৰ কাৰণেহে এই বিভাগটো আছে। স্কুলত চকমাটি নাই, ব্লেকবোৰ্ড নাই, বেঞ্চ-ডেস্ক্ নাই, বিলডিং বনাবৰ কাৰণে টকা-পইচা নাই, ডি আৰ, ডি টকা পইচালৈ কাম কৰিব লগীয়া হৈছে। আমি শুনিবলৈ পাইছো যে অহা বছৰৰ পৰা কেন্দ্ৰই ডি আৰ, ডি' টকা ডাইৰেক্টলি ডি. আৰ, ডি এজেন্সিলৈ পঠিয়াব। নহলে আজি যিটো চিমেমৰ দ্বাৰা ডি আৰ. ডি ৰ টকা divert কৰিছে তাৰ দ্বাৰা দুখীয়া ৰাইজৰ উপকাৰ হোৱা নাই। ডি, আৰ, ডি টকা যি ধৰনে য'ত খৰচ হব লাগে সেইধৰণে হোৱা নাই। আপুনি যদি পৰীক্ষা কৰি চাই তেতিয়াহলে দেখিব যে যোৱা বছৰ বোজগাৰ আঁচনিৰ দ্বাৰা যি টকা দিয়া হৈছিল য'ত য'ত ৰাস্তাৰ কাৰণে দিয়া হৈছিল তাত কিমান টকাৰ কাম হ'ল? ডি, আৰ, ডিৰ পইছাৰে ৰাস্তাৰ কাম-কাজ কৰাৰ উদাহৰণ আমাৰ যোৰহাটৰ বহুতো উদাহৰণ আছে। যোৰহাট জিলাৰ ডেভলপমেণ্ট কামৰ বাবে আমাৰ ২৭ খন গাওঁ পঞ্চায়ত আছে। তাত যিজন বি, ডি, অ' আছে আজি ডেৰবছৰ দিন গাওঁ পঞ্চায়তৰ প্ৰেচিডেণ্টৰ লগত কাজিয়া কৰি আছে। তেওঁলোকৰ গণ্ডগোলত আজি ডেৰ বছৰে ৰাইজৰ কাম-কাজ হোৱা নাই। হাইকোৰ্টয়েও বদলিৰ কাৰণে নিৰ্দেশ দিছে তথাপিটো কাৰ প্ৰয়োচনাত সেই বিষয়াজনক যোৰহাটত ৰখা হৈচে। সেইটো চৰকাৰেহে জানে বি. ডি. অ' আৰু প্ৰেচিডেণ্টৰ খেলি মেলিত ৰাইজৰ কাম নোহোৱাটো কিবা যুক্তি থাকিব পাৰে নেকি? দিল্লীলৈ যাওঁতে প্ৰধান মন্ত্ৰীয়ে আমাক কৈছিল যে অসমৰ ডি, আৰ, ডি টকা বিলাক ড্ৰাইভাৰচন হৈছে এইটো সঁচাকৈয়ে লাজৰ বিষয়। অসমৰ বিধায়ক সকলৰ কাৰণে এইটো বৰ লাজৰ বিষয়। চৰকাৰৰ নিজাকৈতো উন্নয়নত খৰচ কৰিবলৈ ধন নাই, কেন্দ্ৰৰ পৰা অহা ধনো অপব্যৱহাৰ কৰা হৈছে। আজি পি, ডব্লিউ, ডিৰ বিভাগৰ মহৰি সকলে তেওঁলোকৰ দৰমহা পাবৰ বাবে ধৰ্ণা দিছে. তেওঁলোকে দৰমহা পোৱা নাই। এইটো কৰা লাজৰ কথানে? আমি মন্ত্ৰী, বিধায়কে ভোজ ভাত খাই, চাহ মিঠাই খাই অবাৰত টকা খৰচ কৰিব নেলাগে। আজি এইখন চৰকাৰ আছে কালিলৈ হয়টো এখন বেলেগ চৰকাৰ আহিব তেওঁলোকেও এনে ধৰণে ৰাইজক টকা ব্যয় কৰিব নালাগিব। গতিকে মই ভাৱো এই বিলাক খৰচ কমাই উন্নয়নৰ কামত চৰকাৰে মনোযোগ দিয়া উচিত হব।

অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে সম্প্ৰতি এটা কথাৰ ওপৰত

বৰকৈ যুক্তিৰ অৱতাৰণা কৰা হৈছে যে প্ৰত্যেক জনগোষ্ঠীকে প্ৰত্যেক জাতীয় সত্বাকে সম্মান কৰিবলৈ আৰু উন্নতি কৰিবৰ কাৰণে আমি স্বায়ত্ব শাসণ দিয়াৰ কথা চিন্তা কৰিব লাগে। কিন্তু কথা হ'ল প্ৰত্যেক জনগোষ্ঠীক অটন'মি দিয়াৰ কথা যি ভাবে অৱতাৰণা হৈছে সেই দিশত মুখ্যমন্ত্ৰী মহোদয়ক এই কথাও চিন্তা কৰিবলৈ অনুৰোধ জনাইছো যে বিভিন্ন জনগোষ্ঠীক দিব খোজা অট'ন'মিৰ লগতে নিশ্চয় অৰ্থনৈতিক অট'ন'মিও আমি তেওঁলোকক দিবলাগিব কিয়নো অৰ্থনৈতিক অট'ন'মি অবিহনে অট'ন'মিৰ কোনো মূল্য নাথাকিব। সেই কাৰণে কেন্দ্ৰৰ পৰা যদি ৰাজ্য চৰকাৰে অৰ্থনৈতিক দিশত অট'ন'মি আনিব নোৱাৰে তেতিয়া হলে জনগোষ্ঠী সমূহক অট'ন'মি দিয়াৰ ৰাজ্য চৰকাৰৰ আঁচনিত কোনো অৰ্থ নাথাকিব। আজি অসম খন ভাগ ভাগ হৈ সাতখন ৰাজ্য হ'ল। তাৰ পিচতে অসমৰ বাহিৰে আন আন ৰাজ্যৰ মেঘালয় নগালেণ্ড আদি ৰাজ্যৰ জনসাধাৰণে কি ধৰণে জীৱন নিৰ্বাহ কৰিছে সেই বিলাক লক্ষ্য কৰিব লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্বায়ত্ব শাসনৰ ওপৰত এটা ষ্টেটমেণ্ট দিলেই নহব। ৰাজনৈতিক ষ্টেটমেণ্ট দিয়াৰ সলনি আন্তৰিকতাৰে কোনো কথা কলে কামত আহিব। আমি আমাৰ কালৰ পৰা অঞ্চলিক ভিত্তিত বা জিলা ভিত্তিত স্বায়ত্ব শাসন দিলে ভাল হয় বুলি কৈছিলো। অসমৰ জনসাধাৰণে কোন ৰাজনৈতিক দলে কি কৰিছে তাতকৈও সদনৰ পৰা কি সিদ্ধান্ত লয় সেইটোৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। আমাৰ ইয়াত জনগোষ্ঠীৰ অট'ন'মি দিয়াৰ আজিও কেন্দ্ৰৰ পৰা আৰু বেছি অট'ন'মি আদায় কৰাৰ কাৰণে ৰাজ্য চৰকাৰে চৰ্চা কৰিব বুলি আশা ৰাখিছো। কাইলৈ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই বিধান সভাত বাজেট উত্থাপন কৰিব আৰু আমি আলোচনা সমালোচনা কৰিব পাৰিম। কিন্তু আচলতে অসমৰ বিত্ত মন্ত্ৰীয়ে বিশেষ একো দেখুৱাব নোৱাৰে কিয়নো তেওঁ কেন্দ্ৰীয় অৰ্থনৈতিক পলিচিয়েই ইয়াতো প্ৰতিফলন হব মাত্ৰ। আমি চাৰিটা বিষয়ৰ বাদে সকলো দিশতে অটন'মি বিচাৰিছো। মুখ্যমন্ত্ৰীয়ে সেই বিতৰ্কলৈ নাযাই কেৱল অৰ্থনীতিৰ ক্ষেত্ৰত অন্ততঃ কিছু অট'ন'মি বিচাৰিব পাৰে? দলীয় কথালৈ চাই বা দলীয় অনুশাসনৰ কথা বাদ দি হলেও ৰাজ্য খনৰ কথা চিন্তা কৰি এই বিলাক কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই চিন্তা কৰাৰ প্ৰয়োজন হৈছে বুলি মই ভাবো। পৰিষদজিলা গঠন কৰা বা জনগোষ্ঠী সমূহক অট'ন'মি দিয়াৰ কথা চিন্তা চৰ্চা কৰা কথাটো ভেকো ভাওনাহে হব যদিহে ইয়াৰ লগত অৰ্থনৈতিক অট'ন'মিৰ দিশটো ভালদৰে চালি জাৰি ব্যৱস্থা লোৱা নহয়। জিলা পৰিষদ বিলাকক

অন্ততঃ কিছু পৰিমাণে ধন নিদিলে সেই বিলাক কৰাৰ কোনো মূল্যই নাথাকিব। যোগাযোগ, প্ৰতিৰক্ষা, কাৰেন্সি আৰু বহিঃ পৰিক্ৰমা এই চাৰিটাৰ বাদে আমি কেন্দ্ৰৰ পৰা সম্পূৰ্ণ অট'ন'মি বিচাৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইমান খিনি বিচাৰিব নালাগে কিন্তু অৰ্থনৈতিক অট'ন'মি অনাৰ কাৰণে অন্ততঃ এটা প্ৰস্তাৱ কৰি কিছু সকাহ দিব পাৰিলেও ৰাইজৰ আস্থা ভাজন হব পাৰিব। নহলে জনগোষ্ঠীৰ স্বায়ত্ব শাসনৰ গোটেই কথা বিলাক বুমেৰাং হৈ পৰিব। সেই দিশত চিন্তা চৰ্চ্চা কৰা আৱশ্যক। আমি বিৰোধী দলৰ কাৰণে বিৰোধীতা কৰিম এনে কথা নহয়। আজি আইন শৃংখলাৰ নামত যি বিলাক ঘটনা ঘটি আছে সেই বিভীষিকাৰ কথা আমি নালাগে কোনোও সহ্য কৰিব নোৱাৰে আৰু তাৰ বিৰোধীতা কৰিবই।

(ভইচ : বুলেট প্ৰুফ আনিছে।)

Shri Nakul Das (Minister Sericulture etc) : Mr. Speaker sir, I would like to draw your attention to Rule 152 of the Rules of Procedure and Conduct of Business. This is regarding scope of discussion.

শ্ৰী হতেন্দ্ৰ নাথ গোস্বামী : ডুমডুমাত হৈ যোৱা ঘটনাত আমি কোনো সুখী নহয়। তাৰ কাৰণে আমি অকলে কাকো দোষ দিব নোৱাৰো। আমি সকলোৱেই তাৰ দোষী কাৰণে বুলি ভাবিব লাগিব। আমি দুখ পাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াইও বিষয়টোৰ ওপৰত স্ব'মৰোট' ষ্টেটমেণ্ট দিব পাৰিলেহেতেন। গোটেই কথাটো সাধাৰণভাবে লোৱা হৈছে কিন্তু আচলতে এইটো সিমান সাধাৰণ নহয় নৰমেল নহয়। এই বিলাক ভাতৃঘাতী সংঘৰ্ষ বা সৈন্য পুলিচৰ অত্যাচাৰ বন্ধ কৰিব লাগে। তেনে এটা পৰিবেশৰ সৃষ্টি কৰিব লাগিব। বিশ্বাস দিব লাগিব। বৰ্তমান বৰদলৈ আজি এঘাৰ মাহৰ মূৰকত ঘূৰি আহিছে। এইটো সুখৰ কথা। অসমৰ প্ৰথম মুখ্যমন্ত্ৰীৰ পুতেক এঘাৰ মাহৰ মূৰকত মুকলি হৈ ঘূৰি আহিছে। অপহৰণ কাৰীয়ে মুকলি কৰি দিলে কাৰণেই আহিব পাৰিছে। চৰকাৰৰ প্ৰচেষ্টাত নহয়।

*শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : চাৰ, মন্ত্ৰীসভাৰ ওপৰত আলোচনা হৈ আছে কিন্তু কিছুমান মন্ত্ৰী সদনত উপস্থিত নাই। আন মন্ত্ৰী মহোদয় এগৰাকীয়ে আনৰ আসনত বহি আছে। ইয়াত উপস্থিত থাকি নুশুনে যেতিয়া বাহিৰত চেৰাৰত বহি আৰু কথা বিলাক শুনিব জানো। সদনত আলোচনা হোৱা কথা বিলাক মন্ত্ৰী সকলে উপস্থিত থাকি শুনিব লাগে। নহলে কৈ কি লাভ হব। যোগান মন্ত্ৰীক

*Speech not Corrected

কৈও লাভ নাই। তেখেতে চীট সলনি কৰি বহাত একো কথা নাই কিয়নো তেখেত আগতে ইউ-এম-এফ আছিল এতিয়া কংগ্রেছ আইত আছে আমাৰ হিতেন গোস্বামীৰ অন্তৰৰ কথা বিলাক শুনিবলৈ মন্ত্রী নাই। বাহিৰত বহি মন্ত্রী সকলে টোপনিয়াই আছে।

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ অসমৰ বিধান সভাত কি হৈছে নহৈছে অসমৰ জনসাধাৰণে আগ্রহেৰে চাই থাকে। কংগ্রেছ আইযে কি কয় সেইটো বিচৰা নাই। আজি প্রথম মুখ্যমন্ত্রীৰ পুতেক বলীন বৰদলৈক মুকলি কৰি দিয়াত ঘূষি আহিব পাৰিছে আৰু সেইটো আনন্দৰ কথা হৈছে। আমি সকলোৱে সুখ পাইছো। আমি বিচাৰিছো তেনেকুৱা এঘাৰমহীয়া অনিশ্চয়তা আন ক্ষেত্রত নহওক। এই কথা অসমৰ জনসাধাৰণে বিচাৰিছে। কিন্তু একে সময়তে ডুম ডুমাত ঘটা ঘটনা দুখ লগা। সেইটো ব্যক্তিগত কথা নহয়।

মাননীয় অধাক্ষ: সকলো বিলাকৰ ওপৰত কলে কাট মোচনৰ ওপৰত কবলৈ সময় নাথাকিব।

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ আমাৰ ইয়াত মানৱ অধিকাৰ উলংঘন হৈছে। এইটো সকলোৰে কাৰণে হৈছে। কেইজনমান ব্যক্তিৰ কাৰণে হৈছে বুলি নকও। মানৱ অধিকাৰ যাতে উলংঘন নহয় সেইটো নিশ্চিন্ত কৰিব লাগে। তাৰ কাৰণে বাস্তৱ ভাবে চিন্তা চৰ্চ্চা কৰিব লাগে। এইটো মুখ্যমন্ত্রী ডাঙৰীয়াই নিশ্চয় চিন্তা কৰিব। অসমত যি বিলাক ঘটনা হৈছে সেই বিলাকৰ ওপৰত বিধান সভাত কি ধৰণৰ দৃষ্টিভঙ্গী লোৱা হয় সেইটো অসমৰ জনসাধাৰণে উদগ্রীৱ ভাবে চাই আছে বুলি মই ভাবো। তাৰ সলনি অন্য কিছুমান কথাত মূৰ ঘমাই আচল কথা এৰাই চলিলে পার্লিয়ামেণ্টৰি ফর্ম অৱ ডেমাক্রেচিৰৰ আচল সুফল পোৱা নাযাব। মই ভাবো পার্লিয়ামেণ্টৰি ফর্ম অৱ ডেমোক্রেচিয়েই হৈছে আটাইতকৈ ভাল আৰু সেইটো অবিহনে দেশখনৰ ভবিষ্যত এন্ধাৰ। অসমৰ মুখ্যমন্ত্রীয়ে অসমৰ সমস্যা বাজিৰ সম্যক পৰিস্থিতি উপলব্ধি কৰি সেই মতে চিন্তা চৰ্চ্চা কৰিব লাগে বুলি ভাবো। নহলে সমস্যাৰ সমাধান নহয়। হিংসাক প্রশ্রয় দিব নালাগে। হিংসা কিন্তু হৈছে। আমি পুলিচৰ ওপৰত অত্যন্ত গুৰুত্ব দিয়া বাদ দি জনসাধাৰণক বিশ্বাসত লোৱাত গুৰুত্ব দিব লাগিব তেহে অসমলৈ শান্তি আহিব। সময় কম আৰু বেছি নকৈ ইয়াতে সামৰণি মাৰিছো।

*Speech not Corrected

Shri Parameswar Brahma : Mr. Speaker Sir, I have also brought a Cut Motion on the Council of Minister. Yes Sir, under the Heads of Council of Ministers for 1994-95, the Council of Ministers has demanded 67·88 Crores. Here I have a say yes Sir, Council of Ministers of Ministry is a part and parcel of parliamentary democracy and the administration depends on the efficiency of Council of Ministers. We have comparatively large Council of Minister in the State. It has different implications. The important one is financial implication. Because a large part of the State exchequre incurred for the maintenance or workings of the Ministers without adding the development of the society or for the interest of the people. It is very unfortunate and I also feel because the State is now facing financial crisis acutely. In this connection, we should have an efficient and smaller Council of Ministeres/Ministry. It would have lessen the burden of financial implication. The other activities that done by Ministers has become a subject of controversy and discussion also. This is not good. I also suggest through the representative of the present Ministry and one thing is that Sir. We have large Ministry but it has given a sense among the people that we do not have efficient Ministry, efficient Ministers for the development of the State and for the efficient running of the administration. Ministers should also have social commitment to the people. They should see the interest of the people. people want their services, want development and change. They should show by their social commitment the collective responsibility so that we also have an efficient Government and we also have a comparable progress and development. It has become a painful matter, Sir, I also feel personally

that most Ministers are not attending office regularly. People coming from different places has to suffer very much. The people generally comes for discussion of urgent matters. This is to be changed and I request Ministers to attend office punctually. I do not put any blame to any individual Minister. But Member of Ministry should not do something unwanted, not desirable in the interest of the public life and in the interest of the society and State or also for political system. This should be stopped and it should not be occured. It will decrease the credibility of the Government and also the political system of the country and one point, sir, India is a big country. Here also in this State we have seen Lopsided development because there are many Ministers. Two points in my Kokrajhar area, particularly, developmental activities have been stopped. Here, I should mention that in Kokrajhar district the Flood Control Department, P W.D, Irrigation department are very hopeless. This is not good. In some zones, funds have been released but for kokrajhar or for in some mostly backward tribal areas the funds are not released as a result the developmental works are hampered. In addition, For kokrajhar Rs. 270 lakhs only has been allotted for P.W.D. It should have been more. Here I request the Government that after the creation of BAC we have a commitment to the people for the development of this area, to give benefit and development to the people in the BAC area. I request the Government to expedite the release of fund jenerously. Sir, It is happens so then people miloose confidence in the Government. This is not good. So in running the administration and invoke the sense of responsibility among the people and

also to make them fell that they also have roles to play for the development of the society including different political parties. So that people can take into confidence of the Govt. They should also play positive role in the society. May be there are differences in ideas and even then we should come forward to shoulder the responsibility despite differences of ideas and approaches on Problems and issues, So Sir, in such issues and problems I would request the Ministers and persons involved not to view things on political consideration. Such approach, I am sure, will not produce any good result. If we take up the works of development on political view point Sir, I would submit that it will be counter-productive. There is a general apprehension of the people against the ministry. This demand is placed before the House at a time when the contractors are not getting their bills in time and as a result all the developmental activities in the State has come to stop. For deterioration in the law and order many lives and properties were lost and there is still unrest prevailing in the State. I lastly want to point out that the Ministers has a role to play in the matter of development of the State. Any lopsided view and negligence will breed resentment, hatred and general feeling of mistrust among the people. In Assam also both Scheduled Caste and non-scheduled Tribes feeling of dissatisfaction due peperrattd negligence. We must remove those feelings from their minds so as to bring a healthy society. Simultaneously, developmental programmes should be undertaken in the whole of interest the State and without any prejudiecs. I request the Govt. to give the B.A.C. equal share of responsibility to shoulder

the collective responsibility for the development of the State. We want to share the responsibilities to bring fullest development. With these few words, I conclude my speech on the Supplementary Demands for Grants in respect of 'Council of Ministers'. Thank you Sir.

* Dewan Jainal Abedin : Sir, a Point of Order, Shri Sarma is not a signatory in the Cut Motion, and so he need not be given time to speak on this. He has moved many other cut motions on which he will get chance to speak.....

Mr. Speaker : Normally, I cannot restrict.....

*শ্রীজয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সৰ্ব্বশ্রী যতীন মালী, হিতেন্দ্রনাথ গোস্বামী, ডাঃ কমলা কলিতা, নগেন শর্মা, ফনীভূষন চৌধুৰী আৰু গহীন দাস এই কেইজনে বিতৰ্কত ভাগ লোৱাৰ কথা আছিল। আমাৰ মাননীয় সদস্য শ্রীনগেন শর্মা ডাঙৰীয়াই তেখেতৰ হৈ মোক কবলৈ দিছে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হল আমাৰ মাননীয় মন্ত্রী শ্রীনকুল দাসে উলিয়াই দিছে আমাৰ চাপ্লিমেণ্টৰী ডিমাণ্ড'ৰ আলোচনাত কিমান স্কুপ আছে। মই ৬৭'৮৮ লাখ টকাৰ ওপৰত কথাখিনি অলপ কম। এতিয়া যোৱা বছৰ আগৰ বিধান সভাত ১৬ লাখ ২৬ হেজাৰ টকা মন্ত্রী পৰিষদৰ কাৰণে চাপ্লিমেণ্টৰী গ্রিণ্ড' আনিছিল। এই টকা শেষ হোৱাৰ পিচত আকৌ দেখিছো মাত্র ১৫টা দিন আছে তাৰ বাবে ৪গুনতকৈ অধিক টকা লাগে বুলি কৈছে। মই দেখিছো, ইয়াত কেইটা মান কথাত আচৰিত হব' আডাৰ চচিয়েল চার্ভি'চত ২০ লাখ টকা দুটা মান হেডত দেখুৱা হৈছে। স্পিচিয়েল এণ্ড এডুকেশ্যান'ত মাত্র ৪ লাখ টকা দেখুৱা হৈছে। আডাৰ চচিয়েল চার্ভি'চ' মানে মন্ত্রীৰ গাড়ী, টি এ, ডি এ, পি ও এল, আৰু আদাৰ এণ্টাৰটেইণ্টমেণ্ট খৰচটোক আচল কৰি দেখুৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিনৰ আগতে নতুন দৈনিক বাতৰি কাকতত ওলাইছে "মন্ত্রীৰ স্বনামধন্যা কোন ভাগৰতী"। কোনোবা এগৰাকী

*Speech not Corrected

মহিলাই চাকৰি কৰিব। মন্ত্ৰীয়ে চৰকাৰী গাড়ীত বঙা লাইট জ্বলাই স্কুল এখনলৈ লৈ গৈছে এপইণ্টমেণ্ট দিব লাগে বুলি। মন্ত্ৰীয়ে ক'ত কি কামত খৰছ কৰিছে, মন্ত্ৰী সকলৰ লিডাৰ হিচাবে মাননীয় মুখ্যমন্ত্ৰীয়ে তদন্ত কৰি চাব লাগে। এইবিলাক ফাংচনত বঙা লাইট থকা চৰকাৰী গাড়ী ব্যৱহাৰ কৰিছিল নে নাই? সেইজন কোন মন্ত্ৰী আছিল। সিদিনা অলপতে ব্যতিক্ৰমকতত ওলাইছে কোনোবা এজন মন্ত্ৰীৰ মাটি নাই। এতিয়া আমি মাটি কিয় বিচাৰিব লগীয়া হল? মন্ত্ৰী হোৱাৰ আগতে মাটি বিচাৰিব লাগিছিল যেতিয়া ভূমি নাছিল তেতিয়া বিচাৰিব লাগিছিল। সিদিনা গণেশগুৰিত থকা নতুন হোটেল এখনলৈ মই গৈছিলো তাত শুনিবলৈ পালো যে জাগীৰোডৰ ফাৰ্মৰ পৰা ২ টা গৰু মন্ত্ৰী এজনৰ ঘৰলৈ দি পঠাইছো। এতিয়া গৰু ২টা হেৰুৱা বুলি কম নে চুৰি হোৱা বুলি কম। একাউণ্টচত চুৰি হোৱা বুলি লিখা হয় তেতিয়া কি হব?

মাননীয় অধ্যক্ষ: এইটো কি হব, কি ন'হব এনেয়ে কব নালাগে।

*শ্ৰীজয়নাথ শৰ্মা: এইটো বিচাৰ কৰিবৰ কাৰণে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। মাননীয় মন্ত্ৰী সকলৰ দৃষ্টি গোচৰ হবৰ কাৰণে কিছুমান কথা কওঁ তাৰ লগতে যাতে একচন হয়। কাৰণ কোনোবা মন্ত্ৰীয়ে বিশাল বিভাগৰ কোন কোন ঠাইত কি ঘটিছে মন্ত্ৰীয়ে নাজানে। বিভিন্ন ক্ষেত্ৰত আশ্বাস দিয়ে আৰু তাৰ খবৰ নলয়। বি, বৰুৱা কেনচাৰ হস্পিতেলৰ কাৰণে গাড়ী আনিব বুলি কৈছিল কিন্তু আজি ১ বছৰ হ'ল অনা নাই। শূণ্যতে তৰোৱাল ঘুৰোৱাৰ দৰে হ'ল। এতিয়া উদ্যোগৰ কথা কওঁ—অসমত যিমান বিলাক উদোগ আছে বিক্ৰী কৰিবৰ কাৰণে ১ জন মন্ত্ৰী লাগে। সৌ সিদিনা পিয়েৰলেচত প্ৰায় ১০০ কোটিতকৈ বেছি টকা ধাৰে আনিছে আৰু বেট অৰ ইনটাৰেষ্টও বোছ হেছে। জানবলৈ পাইছো যে সেই টকাৰে দৰমহা দিছে। ধাৰ কৰি অনা পিয়েৰলেচৰ টকাৰ পৰা অসমৰ উদ্যোগৰ কাৰণে মন্ত্ৰী সকলৰ টি, এ, ডি, এ, দিছে নেকি? মন্ত্ৰী সকলে সমষ্টিলৈ গলে টি, এ লব নালাগে! অধিকাংশকে সমষ্টিলৈ অহা-যোৱা কৰা দেখিছো। কাছাৰলৈ গলে কলিকতা হৈ যায়। শিলং হৈ নাযায়। বম্বাক উপত্যকাৰ প্ৰায় বিলাকে কলিকতা হৈ যোৱা বিলত দেখিছো। এই গোটেই কথাবোৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে হস্তক্ষেপ কৰা উচিত। মন্ত্ৰী সকলৰ কাৰ্য্য কলাপৰ কাৰণে এখন চিক্ৰেট চেচন হব লাগে। চাহ পাতে ৫০ পইচাৰ পৰা ১৮ পইচা হৈছে। কেৰিনেটত কি

*Speech not Corrected

ডিবেট হৈছিল হাউচতপ্লেচ কৰিব লাগে। মন্ত্রী সকলে অসমৰ ষেভিনিউ কিয় লোকচান কৰিছে এইবোৰ দেখুৱাব লাগে। মই শুনিছো কোনো আলোচনা হোৱা নাই। এটা কালেকটিভ দিচিচন লব লাগে কি কাৰণত এইটো কৰিলে এবাৰ নহয় দুবাৰ নহয় ৩-৪ বাৰ আলোচনা কৰিব লাগে। এগ্রিকালচাৰৰ টেক্স কমাইছে। কোন মন্ত্রীয়ে কি ডিবেট কৰিছিল? এ, জি, পি, চৰকাৰৰ দিনত শতকৰা ৮০ ৰ পৰা ৭৫% কৰা হৈছিল। আপোনালোকে অসমৰ হৈ কেবিনেটৰ সিদ্ধান্ত লব। যুগ যুগ ধৰি অসমৰ ৰাইজৰ জীৱনত, অসমৰ প্রতিটো মুহুৰ্ত্তত তাৰ প্রভাৱ পৰিব। আমাৰ সংহতিৰ অবিহনে আমাৰ মাজত এটা প্রতিযোগিতা হৈছে এ, জি, পি, ৰ দিনত এনেকুৱা হৈছিল আমি কথাত নো কি হৈছে। আমাৰ মন্ত্রীয়ে উষা জাহাজত ঘুচিয়া ঘুচি লাগিছিল এতিয়া আপোনালোকৰ মন্ত্রীয়ে পানী জাহাজত লাগিছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমি কিছুমান কথাত লাজ পাইছো। পর্য্যটন বিভাগে ভালুকপুংত বৰশী বাবৰ কাৰণে খিকথাক কৰিছে। আপোনালোকে লোৱা সিদ্ধান্ত সমূহ সকলোৰে আদৰণীয় হব লাগে। এই বিলাক কোনো সমষ্টিগত হব নেলাগে। যোৱাবাৰ শ্রীজয়নাথ শর্মাই ৬০ খন স্কুল নিছে। সেইটো হয়, মই নিছো। কিন্তু মই মোৰ সমষ্টিৰ কাৰণে বিধায়ক হিচাবে নিশ্চয় চেষ্টা কৰিম। যিমানে মই আনিবলৈ পাৰো সিমানে মোৰ সমষ্টিৰ কাৰণে ভাল। কিন্তু মন্ত্রী হৈ যদি মই কেৱল মোৰ সমষ্টিৰ কথাকেই ভবা হয় তেতিয়াহলে সেইটো যুক্তিসংগত নহব। এজন মন্ত্রী কোনো এটা সমষ্টিৰেই নহয়। তেওঁ সমগ্র ৰাজ্যখনৰেই মন্ত্রী। গতিকে ৰাজ্যখনৰ সকলো দিশ চাই-চিতি গোটেই ৰাজ্যখনৰে সকলোতে সমানে দায়িত্ব পালন কৰিব লাগে। কিয়নো তেওঁ, গোটেই ৰাজ্যখনৰে মন্ত্রী। আজি-কালি দেখা যায়, আমাৰ বেছিভাগ মন্ত্রীয়েই ফাইল ভালকৈ নপঢ়ে। কাৰণ ইয়াত এটা স্পষ্ট উদাহৰণ দিব পাৰি। সেইটো হল ১৯৯৪-৯৫ চনৰ কাৰণে ৰাজ্যপালৰ ভাষণত যি ৩২০ লাখ টকা ধার্য্য কৰাৰ কথা ৰাজ্যপালৰ ভাষণত এই বাজেটৰ কথা কবলগীয়া হল, কোনোবা এজন বিষয়াই লিখি দিলে বুলিয়েই মন্ত্রীয়ে ফাইল নোচোৱাকৈ ফাইল চহী কৰিছে। এই কার্য্যৰ দ্বাৰা স্বয়ং ৰাজ্যপাল ডাঙৰীয়াই কাঠগড়াত থিয় হব লাগিব। তেওঁলোকে ফাইল নপঢ়ে। আমাৰ ইন্দিয়ান মেৰেজ এক্ট (হিন্দু 'ল) মতে এজন পুৰুষে নিজৰ পৰিবাৰ থকা একে সময়তে

*Speech not Corrected

আন এগৰাকী বিয়া কৰিব নোৱাৰে। যেতিয়ালৈকে তেওঁ আগৰ গৰাকীক ড্ৰাইভর্চ নকৰে। কিন্তু এই চৰকাৰৰ এজন মন্ত্রীয়ে তেওঁৰ পৰিবাৰ থকা স্বত্বেও তেওঁ আন এগৰাকীক পত্নী হিচাবে গ্রহণ কৰিছে। আৰু তেওঁৰ লগতেই ব্যস্ত হৈ ৰাইজৰ কাম কাজৰ প্রতি পিঠি দিছে। এজন মন্ত্রীয়ে তেওঁ শুই থকা সময়খিনিৰ বাহিৰে বাকী গোটেই খিনি সময়েই তেওঁ ৰাইজৰ কাৰণে মনো-নিবেশ কৰিব লাগে। এজন ভাল মন্ত্রীয়ে তেওঁ শুই থকা সময়তো ৰাইজৰ সুখ-দুখ আৰু মঙ্গলৰ কথাই সপোনত দেখা পায়। মই বৰ দীঘলীয়া কৰিব নুখুজো। এতিয়া আচল কথা হ'ল আমাৰ ৰাজ্যখনত বৃহত্তৰ স্বার্থৰ কাৰণে আমি সন্ত্রাসবিহীন আৰু সংঘাটবিহীন ৰাজনীতি কৰিব লাগে। কিন্তু আমাৰ দৰং জিলাত চাৰিজনকৈ মন্ত্রী আছে। তেওঁলোকে কি কি কাম কৰিলে? মই ভাবো বিশেষ একো কৰিব পৰা নাই। ছাত্র সন্থাই সন্ত্রাসবিহীন আন্দোলনৰ কথা কৈ ধর্ম্মঘট কৰিছে। কিন্তু তেওঁলোকক সমর্থন কৰাৰ দৃষৰ কথা, তেওঁ-লোকৰ চাৰিজনক গ্রেপ্তাৰহে কৰিলে। অলপতে আমাৰ মন্ত্রী এজন মঙ্গলদৈ-লৈ গৈছিল, তাত মন্ত্রীজন থকা সময়ত আৰবী বিভাগৰ মূৰব্বী অধ্যাপক এজনে তেওঁৰ ছোৱালী এজনী হেলমেট্ নোহোৱাকৈ স্কুটাৰত উঠাই স্কুললৈ লৈ গৈছিল। বাটতে সহকাৰী পুলিচ ইন্সপেক্টৰ এজনে তেওঁক এৰেষ্ট কৰিলে। এৰেষ্ট কৰাই নহয়, তেওঁক ল'ক আপতো সুমাই পিন্ধিথকা পেণ্টটোও খুলি দিলে। আনকি বাজ আলিত আঠু কঢ়াই থৈ দিয়া হৈছিল। এই কথাবিলাক কিন্তু কোনো দিনে বিচাৰ কৰা হোৱা নাই। তাত মন্ত্রীজন উপস্থিত থকা সময়তো এনেবিলাক ঘটনা সংঘটিত হৈ থাকে। তাৰ কোনো বিচাৰ কৰা হোৱা নাই। তেতিয়া আমি ভাবিবলৈ বাধ্য হম নেকি যে চৰকাৰৰ নির্দ্দেশতে এই বিলাক হৈ থাকে? এতিয়া যিহেতু মই নিজেই কথাষাৰ আপোনালোকৰ আগত অৱগত কৰিছো। গতিকে এতিয়া আমি ভাবো এই বিষয়টো যদি চোৱা নহয়, বা ব্যৱস্থা লোৱা নহয়, তেতিয়াহলে আমি বুজিম এই বিলাক মন্ত্রীৰ ইন্সট্রাকচনতেই হয়।

মাননীয় অধ্যক্ষ ঃ আপুনি চমু কৰক।

*শ্রীজয়নাথ শর্ম্মা ঃ মই দীঘলীয়া নকৰো। আজি এনেকুৱা বিলাক কাৰণতেই ৰাইজৰ এটা সন্দেহ হয়। এই যে নগাওঁত ৭ জনক আলফাই হত্যা কৰা বুলি যে ওলাইছিল সেইটো এতিয়া আৰক্ষীৰ কাম নে, আলফাৰ কাম, সেইটো

*Speech not Corrected

সন্দেহ হৈছে। যেনেকৈ তিনিচুকীয়া আৰু ডিব্রুগড়ত ৫ জনক গুলীয়াই মৃত্যুৰ মুখলৈ ঠেলি দিলে। কিছুমান কথা তেওঁলোকে অতি সহজভাবে লৈছে। আমি শুনিছো, মুখ্যমন্ত্রীয়ে হেনো বাৰণ হৈছে। কোনোৱে কয়—অমুকজন হেনো, মুখ্যমন্ত্রীৰ সোঁ-হাত, আৰু আন এজনে কয়—অমুকে বোলে মুখ্যমন্ত্রীৰ সোঁ-হাত, তমুকে বোলে মুখ্যমন্ত্রীৰ সোঁ-হাত। এইদৰে মুখ্যমন্ত্রীৰ অজস্ৰ সোঁ-হাতৰ সৃষ্টি হৈছে। দেখা গ'ল মুখ্যমন্ত্রী বাৰণেই হ'ল। কিন্তু বাৰণৰ হাত দুইফালে আছিল। সোঁফালেও আছিল আৰু বাওঁফালেও আছিল। অলপতে মুখ্যমন্ত্রীৰ ভিজিলেন্সচেলৰ পেড চুৰ কৰি এজন যুৱ কংগ্রেছৰ জেনেৰেল চেক্রেটৰীয়ে জাল চহী কৰি অন্যায়ভাবে বহু যুৱকক চাকৰি দিয়া বুলি ওলাইছে। তাৰ বিনিময়ত অজস্ৰ টকা-পইচা সংগ্রহ কৰিছে। ইয়াৰ কোনো বিচাৰ নাই। এই কথাটোৰ বিচাৰৰ কাৰণে, শিৱসন্তু ওজাৰ ওচৰলৈ মই গৈ এই বিষয়টো অৱগত কৰিছিলো। কাৰণ তেওঁৰ ওচৰলৈ সহজে যাব পাৰি। কিন্তু কোনো এক্চন নহল। আনকি এই কথাটো মই মন্ত্রী নগেন নেওগকো কৈছিলো। তাৰ পিচতো কোনো এক্চন নহল। সেইকাৰণে মই কব বিচাৰিছো। আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰাও যদি ভাল পৰামৰ্শ আগবঢ়াই তেতিয়াহলে সেইটো গ্রহণ কৰাৰ কাৰণে বিবেচনা কৰিব লাগে। এইটো দিগ্লাৰ পলিছি হব লাগে। ছাত্র সন্থাই সন্ত্রাসবিৰোধী ৰাজনীতি কৰিবৰ কাৰণে আহ্বান জনাইছিল। কিন্তু সেই ক্ষেত্রত তেওঁলোকক সহাৰি দিয়াৰ বিপৰীতে তেওঁলোকৰ কেইবাজনকো গ্রেপ্তাৰহে কৰিলে। তাৰমানে সন্ত্রাসবাদ হৈ থাকিলে চৰকাৰে মনে মনে ভালেই পায়। আপোনালোকে ৪০,০০০ পোষ্ট এল, পি স্কুলৰ কাৰণে সৃষ্টি কৰিলে। সেইটো আমি ভাল পাইছো। প্রকৃততে কি কাম কৰিলে। হাজৰিকা বোলা এজনে ডিৰেক্টৰৰ ফ'লচ্ চহী কৰি ৫০০ মান লৰাক চাকৰি দিছিল আৰু অজস্ৰ টকা সংগ্রহ কৰিছিল। নিয়মমতে তেওঁক অনতিপলমে এৰেষ্ট কৰিব লাগিছিল। কিন্তু চৰকাৰে তেওঁক সুবিধা দি চাচ্পেণ্ট কৰিলে। এই চাচ্-পেণ্টৰ সুবিধা লৈয়েই তেওঁ কোৰ্টৰ ওচৰ চাপিল। কোৰ্টৰ পৰা তেওঁ কাগজ আনি গজগজীয়াকৈ বহি ললে। সেইদৰে শ্রীজগন্নাথ শর্ম্মাৰ কথাটো চি, বি, আই অনুসন্ধান কৰিবলৈ জোৰ দি থকা হৈছে। তাকো নকৰিলে। চি, বি, আইক অনুসন্ধান কৰিবলৈ দিব লাগে। কিয়নো সঁচা কথাটো ওলাওক। এইটোত আমাৰ কোনো আপত্তি নাই।

*Speech not Corrected

আপোনালোকেই কৈছিল—মিউনিচিপেলিটিৰ কথাটো চি, বি, আই'ক দিম এই কথা কেবিনেটত আলোচনা হৈছিলনে ? এল, অ' চি'ৰ কথাটোও চি, বি, আইক দিম বুলি কৈছিল কিয় নিদিলে ? দিদিয়ক আৰু সচাঁটো ওলাওক তাত আমাৰ আপত্তি নাই, আপত্তি থাকিব সেই সকলৰ যি সকল ইয়াত জড়িত আছে। আপোনালোকেও জড়িত আছে নেকি ? যদি নাই ৰাইজক দেখা কৰি দেখুৱাই দিয়ক। মোৰা বছৰ কৈছিল—ৰাজ্যত শান্তি আনিব লাগে কিন্তু শান্তিৰ নামত আপোনালোকে পাঞ্জাৰৰ পৰা ৩০টা বেটেলিয়ন আনিছে। অসম চৰকাৰৰ হায়াৰ অফিচাৰক প্ৰত্যাখান কৰি পাঞ্জাৰৰ পৰা ডি, জি, পি, বিলাক আনিছে। আমাৰ অফিচাৰ কেইজন অফচাৰ নহয় নেকি যে আজি পঞ্জাৰৰ পৰা বা বিভিন্ন ঠাইৰ পৰা হায়াৰ অফিচাৰ আনিব লগা হৈছে আজি আমাৰ নিজৰ অফিচাৰ বিলাকক মৰেলী ডিপ্ৰেছ কৰিছে, অপমান কৰা হৈছে। যি নহওক A Government is worthy if the Government have the ability to prevent problem. আমি এতিয়া চৰকাৰ বুলি এই চৰকাৰক কব নোৱাৰো যি চৰকাৰে সমস্যা প্ৰতিৰোধ কৰিব নোৱাৰে আপোনালোকে পাঞ্জাৰৰ পৰা কিয় কামাণ্ডু ফৰ্চ আনিব লগা হ'ল ? এতিয়া অপোনালোকে তিনিটা অপৰেচন কৰি আছে বোধকৰো এইটো কেবিনেটটো আলোচনা হৈছে। এটা হ'ল কেট অপাৰেচন। ইয়াত মানুহজনক ধৰিব নোৱাৰিলে বেলেগ এজনে যাক দেখুৱাই দিয়ে তাকেই ধৰি আনিব। দ্বিতীয়টো হ'ল স্পট ডিচিচন। ইয়াৰ অৰ্থ হ'ল স্পটত যাকে পায় তাকে গুলিয়াই মাৰিব লাগে। তৃতীয়টো হল 'আই' অপাৰেচন। অৰ্থৎ ওপৰে ওপৰে চাই থাকিব আৰু যাক যাকে ধৰিব লাগে বুলি ভাবে তাকেই ধৰি আনে। কিন্তু ইয়াৰ বাবে আপোনালোকৰ কেবিনেটৰ এপ্ৰুভল আছে নে ? যদি নাই ৰাইজক কৈ দিয়ক। আপোনালোকে কেনে প্ৰশাসন চলাইছে ? আজি গোটেই ৰাজ্যখনত আলফাৰ সমস্যা সমাধান কৰিবলৈ গৈ গোটেইবোৰ কিমিনেলাইজেচন কৰি পেলাইছে। তাৰ প্ৰকৃত প্ৰমান আপোনা-লোকেই কোনোবা এজন কংগ্ৰেছৰ লিডাৰ আছিল। তেওঁ কাৰোবাৰ হাত এখন কাটিছিল। আচৰিত কথা যি জনৰ হাত কটা গৈছে তেওঁ পাইছে ১।১১ হেজাৰ টকা কিন্তু যি জনে হাত কাটিছিল তেওঁক আপোনালোকে দিছে ২ লাখ টকা। দুই লাখ টকা পাই এতিয়া মন্ত্ৰীৰ গাড়ীত ঘূৰি ফুৰিছে। আপোনালোকৰ আৰু এটা পলিচি ওলাইছে। আপোনালোকে

পলিচিটো লওতে কেবিনেটৰ এপ্ৰভেল লৈছে নে ? আলফাৰ মানুহক ধৰিবলৈ গৈ—নাপালেই বাপেকক ধৰি আনে, বাপেকক নাপালে ভায়েকক, ভায়েকক নাপালে ককায়েকক ধৰি আনে এইটোৱেই আপোনালোকৰ গ্ৰেপ্তাৰ কৰাৰ পলিচি নে ? এই গোটেই বিলাক আপোনালোকে শতকৰা ১০০ ভাগ পলিচি কৰি কৰিছে। দ্বিতীয় কথা হ'ল ৰাম সৰস্বতী নামৰ এজন শিক্ষকক আপোনালোকে ভাল শিক্ষকতা কৰাৰ কাৰণে পুৰস্কাৰ দিছিল। তাত শ্ৰীনকুল দাস মন্ত্ৰী ডাঙৰীয়াও আছে। তেওঁক আলফাৰ লগত লিংক থকা বুলি গ্ৰেপ্তাৰ কৰি আনিছে। তেওঁক ভাল শিক্ষকতা কৰাৰ বাবে পুৰস্কাৰ দিওঁতে ফটোও তোলা হৈছিল। সেই ফটোও আমাৰ মন্ত্ৰী শ্ৰীনকুল দাস, আয়ুক্ত শ্ৰীপ্ৰফুল্ল শৰ্মা আৰু শ্ৰীমতী তিলোত্তমা বৰুৱাও আছে। মন্ত্ৰীও ইয়াত আছে গতিকে এখেত সকলকো এৰেষ্ট কৰিব লাগে।

এতিয়া আমাৰ কথা হ'ল শিক্ষক এজনক কিয় এৰেষ্ট কৰিব লাগে ? যাৰ ফলত আজি অসমৰ যুৱক সকলৰ মাজত, উঠি অহা ডেকা সকলৰ মাজত আৰু গোটেই অসমৰ জনসাধাৰণৰ মাজত এটা ফিলিংচ আহিছে যে আমি অসমীয়া নহয় আমাক সদায় কেন্দ্ৰই শোষণ কৰি আছে। কিন্তু অসমীয়া মানুহক আজি শোষণ কৰি থকাৰ কাৰণে বা কেন্দ্ৰৰ পৰা অসমীয়া ৰাইজক ৰক্ষা কৰিবৰ কাৰণে প্ৰপজেল দিছেনে ? কোনোবা নেতা গৈ ৰিপ্ৰেজেণ্টেচন দিছে নে ? দিল্লীত কোনোবাই এই কথা বিলাক উত্থাপন কৰিছেনে ? কিন্তু আজিলৈকে দিল্লীত গৈ কোনো এজন মন্ত্ৰী অসমৰ হৈ ৰিপ্ৰেজেণ্টচন দিয়া নাই। সেইকাৰণে মই কৈছো—আপোনালোকে ভ্ৰমণ বানচ বৰ্জ্জন কৰক। স্পেচিয়েল বানচ বৰ্জ্জন কৰি ৰাইজক সেৱা কৰক আৰু ৰাইজৰ সেৱাত মন প্ৰাণ দি ব্ৰতী হওক।

*শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৰিপূৰক দাবীৰ সন্দৰ্ভত যি ৬৭'৮৮ লাখ টকাৰ মঞ্জুৰী বিচাৰিছে—সেই টকা দিয়াত আমাৰ আপত্তি নাই। কিন্তু কথা হ'ল—এই টকা বিলাক কোন সময়ত কেনে ধৰণে খৰচ কৰিছে, প্ৰকৃত অৰ্থত খৰচ কৰিছেনে নাই আৰু বিত্ত শৃংখলা বজাই ৰখা হৈছে নে নাই ? ইয়াৰ এটা স্পষ্টীকৰণ পৰিপূৰক মঞ্জুৰীৰ উত্তৰত আমাক জনাব লাগিব। আমাৰ ধাৰণা যে মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীয়ে বিত্ত শৃংখলা বজাই ৰাখিব পৰা নাই আৰু বিত্ত শৃংখলাৰ পৰিবৰ্ত্তে বাজেটত যিবিলাক

*Speech not Corrected

সমস্যা উদ্ভব হৈছে—এই সমস্যাসমূহ সমাধানৰ কাৰণে মুখ্যমন্ত্রী ডাঙৰীয়াই যিবিলাক পদক্ষেপ লৈছে তাত আমাৰ সন্দেহ আছে। কাৰণ যোৱা বিধান সভাত মুখ্যমন্ত্রী ডাঙৰীয়াই এই সদনতেই আশ্বাস দিছিল যে— তেখেতৰ লগত যি ১৬ খন গাড়ী জড়িত আছে—সেইটো কমাই ৬ খন কৰিম বুলি কৈছিল—কিন্তু এতিয়ালৈ কৰা আমি দেখা নাই। তাৰ পিচত এয়াৰপোৰ্টলৈ যাওঁতে বিভিন্ন মন্ত্রীৰ লগত বিভিন্নখন গাড়ী যোৱাটো বন্ধ কৰিম বুলি তেখেতে কৈছিল। কাৰণ এজন কেন্দ্রীয় মন্ত্রীৰ লগত এয়াৰপোৰ্টলৈ কেইবাখনো গাড়ী যোৱাত যথেষ্ট খৰছ হয় কাৰণে সেই খৰচ কমাবৰ কাৰণে তেখেতে সকলো দায়িত্ব পালন কৰিম বুলি আশ্বাস দিছিল। কিন্তু তেখেতে সেই দায়িত্ব পালন কৰিব পৰা নাই। সেইকাৰণে মই ভাবো টকা দিয়া কোনো ডাঙৰ কথা নহয়—যদি এইটো ৰাইজৰ স্বাৰ্থত, জনসাধাৰণৰ স্বাৰ্থত প্রকৃতাৰ্থত খৰচ হয়। আজি বিভিন্ন সময়ত বিভিন্ন কামত মন্ত্রীসকল অসমৰ বাহিৰলৈ যাবলগীয়া হয়—লগতে বিভিন্ন বিষয়া আৰু পালি-পহৰীয়া লগত লৈ যায়। বোম্বেত গৈছে, দিল্লীত গৈছে—যাওঁতে পি, এচ, অ', ড্রাইভাৰ আদি লৈ যায়। গতিকে মই মাননীয় অধ্যক্ষৰ যোগেদি মুখ্যমন্ত্রী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো যে বৰ্ত্তমান যিটো ব্যৱস্থা চলি আছে মন্ত্রীসকলৰ মাজত এই ব্যৱস্থাৰ যদি পুনৰ সংশোধন নহয়, বা এই ব্যৱস্থা যদি বন্ধ কৰা নহয়—তেতিয়াহলে বিত্ত শৃংখলা কেতিয়াও পালন কৰা নহয়। আমাৰ মাননীয় সদস্য শ্রীহিতেন্দ্র নাথ গোস্বামী ডাঙৰীয়াই পৰামর্শ দিছে যে—এই ক্ষেত্রত 'পুলকাৰৰ' ব্যৱস্থা কৰিব পাৰিলে তেলৰ খৰচসমূহ বাচি যাব। এই পুলকাৰ মন্ত্রীসকলৰ কাৰণে নহয়—বিভাগীয় বিষয়া সকলৰ ক্ষেত্রত যদি ব্যৱস্থা কৰি দিব পাৰে তেতিয়াহলে বৰ্ত্তমান যিটো বিত্ত সমস্যা সৃষ্টি হৈছে—সেইটো সমাধান হব বুলি মই ভাবো।

তাৰ পাছত এতিয়া বানপানী আহিবৰ সময় হৈছে। বহুকো ঠাইত মঠাউৰি ভঙা আছে—কিন্তু তাৰ মেৰামতিৰ কোনো ব্যৱস্থা নাই। ধেমাজী আৰু জুনাই সমষ্টিৰ ভিতৰত ধেমাজীত ১ কিলোমিটাৰ মঠাউৰি ভাঙিছে—সেই-দৰে চিচিত ভাঙিছে আৰু বিভিন্ন ঠাইত বিশেষকৈ ধেমাজী জিলাতে ৭·৫ কিলোমিটাৰ মঠাউৰি ভাঙিছে। সেইবিলাক গ্রাম্য বিকাশ অভিকৰণক মেৰা-মতি কৰিবলৈ দিছে। অধ্যক্ষ মহোদয়, ব্রহ্মপুত্রৰ নিচিনা ইমান ডাঙৰ নদীৰ মঠাউৰি জানো গ্রাম্য বিকাশ অভিকৰণে (ডি, আৰ, ডি, এ) বান্ধিব পাৰে ?

তেওঁলোকৰ এই সামান্য টকাৰে কেন্দিয়াও ব্ৰহ্মপুত্ৰৰ পানী বাধা দিব পৰা নহয়। যোৰাবাৰ ১৬ খন মঠাউৰি ভাঙিছে সেইবিলাকৰ এটাও বন্ধা হোৱা নাই। তাৰোপৰি ধেমাজী আৰু ঢকুৰাখানাত ভঙা মঠাউৰিও বন্ধা হোৱা নাই। সেইকাৰণে মই মাননীয় অধ্যক্ষৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই ক্ষেত্ৰত যিবিলাক টকা খৰচ কৰা হয় সেইবিলাক প্ৰকৃততে বাইজৰ সেৱাত খৰচ কৰিলে ভাল হয়।

অধ্যক্ষ মহোদয়, যিবিলাক টকা খৰছ কৰা হয়, সেই বিলাক টকা খৰছ কৰোতে 'ফাইনেঞ্চিয়ল ডিচিপ্লিন' ৰক্ষা কৰিলে ভাল হয়। আমাৰ উপৰোক্ত বক্তা কেইজনে কৈ গৈছে আৰু মইয়ো কৈছো আমাৰ মন্ত্ৰী সকলে টকাৰ অপব্যয় কৰি আছে। বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ 'লেকজুৰী-য়াচ্' কামত খৰচ কৰিছে। এইদৰে চলি থাকিবলৈ দিলে অসমৰ অৱস্থা অতি বেয়া হৈ পৰিব। গতিকে অধ্যক্ষ মহোদয়, মই কব বিচাৰিছো যি দলৰেই চৰকাৰ নহওঁ, কংগ্ৰেছ ই দলেই হওঁক বা এ, জি, পিয়েই হওঁক আমি সকলোৱে মিলি কাম কৰিব লাগিব, অপব্যয় বিলাক বোধ কৰিব লাগিব নহলে অসমৰ পৰিস্থিতি অতৰ ভৱিষ্যতে অতি ভয়ানক হব। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে তেখেতে গুৰুত্ব সহকাৰে এই সকলো বিলাক বিবেচনা কৰি ব্যৱস্থা লব বুলি আশা ৰাখি, কৰ্ত্তন প্ৰস্তাৰৰ সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ যি ১নং মঞ্জুৰীৰ সম্পৰ্কত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে মই তাৰ সমৰ্থন কৰিছোঁ আৰু এই বিষয়ত দুটা মান কথা কব বিচাৰিছো। অধ্যক্ষ মহোদয়, আমি বিভিন্ন শিতানত খৰচ কৰিবৰ বাবে পইচা খিনি বিধান সভাত অনুমোদন কৰি দিওঁ যাতে এই পইচা খিনি সদব্যৱহাৰ হয়। কিছুমান ক্ষেত্ৰত দেখিবলৈ পোৱা গৈছে, মন্ত্ৰীসভাৰ শিতানত যি পইচা অনুমোদন কৰি দিয়া হৈছে সেই পইচাৰ অপব্যৱহাৰ কৰা হৈছে। এই পইচাৰ সদব্যৱহাৰ হোৱা নাই। অধ্যক্ষ মহোদয় মই আপোনাৰ জাৰয়তে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো মন্ত্ৰী সভাখনৰ কলেৰৰ সম্পৰ্কে। এই সম্পৰ্কে আমাৰ হিতেন গোস্বামী ডাঙৰীয়াইও কৈ গৈছে। আমাৰ মন্ত্ৰীসভাখনৰ কলেৰৰ যথেষ্ট ডাঙৰ হৈছে। মন্ত্ৰী সভাৰ সম্প্ৰসাৰণ ঘটোৱাটো মুখ্যমন্ত্ৰীৰ সাংবিধানিক অধিকাৰ

*Speech not Corrected

আছে তাত আমি কবলগীয়া একো নাই। কিন্তু ভাৰত চৰকাৰৰ যিটো নীতি, বা ভাৰতৰ ৰাষ্ট্ৰপতিৰ যিটো নিৰ্দ্দেশ যে মন্ত্ৰী সভাৰ কলেৱৰ ১০ হব লাগে সেইটো আমাৰ ইয়াত কাৰ্য্যকৰী কৰা হোৱা নাই। তথাপিতো আমি আপত্তি নকৰো মুখ্যমন্ত্ৰীয়ে বিভিন্ন ৰাজনৈতিক কাৰণত মন্ত্ৰী সভাৰ সম্প্ৰসাৰণ কৰিছে। কিন্তু মন্ত্ৰী হিচাপে যি বিলাক মানুহক নিযুক্তি দিয়া হৈছে। সেই সকলে নিজৰ বিভাগটোত কি হৈ আছে একো নাজানে। তেওঁলোকৰ নিজৰ বিভাগটোৰ ওপৰত কোনো অধ্যয়ন নাই। গতিকে তেওঁলোকৰ দৰ্মহা, গাড়ী আদিৰ নামত যি বিলাক পইচা খৰচ কৰি থকা হৈছে সেইবিলাক "ওৱেষ্টেজ' হৈ আছে। মন্ত্ৰী বুলিলে, এখন গাড়ী, এটা অফিচ, প্ৰাইভেট চেক্ৰেটেৰী আদি লৈ বহি থাকিলেই নহব। তেওঁলোকে নিজৰ নিজৰ বিভাগ বিলাকৰ কাম-কাজ বিলাকত চকু দিব লাগিব, অধ্যয়ন কৰিব লাগিব, তেতিয়াহে দেশৰ কামত আহিব। অধ্যক্ষ মহোদয় আৰু এটা ডাঙৰ কথা হৈছে কিছুমান মন্ত্ৰীয়ে যতে তাতে 'এচুৰেঞ্চ' দি ফুৰে, কৰবাত দুটা মানুহ লগ পালেও এচুৰেঞ্চ দিয়ে, কৰবাত পানলোকানী এজনকো এচুৰেঞ্চ দিয়ে। এই মিছা 'এচুৰেঞ্চ' বিলাকৰ পৰা চৰকাৰৰ ভাৰমূৰ্ত্তি বেয়া হৈ পৰিছে। মন্ত্ৰী সকলে ভাবিব লাগে, প্ৰথমতে তেওঁলোক এজন এম, এল, এ তাৰ পিচতহে একোটা বিভাগৰ মিনিষ্টাৰ ইনৰ্চাজ। অধ্যক্ষ মহোদয়, এই মিছা প্ৰতিশ্ৰুতিৰ পৰা বহুত মানুহ 'ডিক্টমাইজ' হৈছে। অধ্যক্ষ মহোদয় আপোনাৰ সমষ্টিৰ ক্ষেত্ৰত আপুনিও মন্ত্ৰী বিলাকৰ হাতত ডিক্টমাইজ হৈছে।

মাননীয় অধ্যক্ষ ঃ মই কেতিয়াও ডিক্টমাইজ' হোৱা নাই। আপুনি এইবিলাক কথা নানিব। মোক এইবিলাকৰ মাজলৈ নানিব। স্পীকাৰক এইবিলাকৰ মাজলৈ টানি অনাটো উচিত নহয়।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, আপুনি তেনেহলে বৰ ভাগ্যবান। আপোনাক মই ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ ঃ মই কৈছোৱেই মই কেতিয়াও ডিক্টমাইজ হোৱা নাই আপুনি এই বিলাক কথা ইয়াত নানিব।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই এই বিলাক কথা কৈছো মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰাৰ বাবে। নহলে এই বিলাকত

*Speech not Corrected

এনেই পইচা খবচ কবি লাভ নাই। মই এতিয়া আমাব ভূমিধব বর্মণ ডাঙবীয়াব কথা কব খুজিছো। তেখেতে শিক্ষা মন্ত্রী হৈ থাকোতে এনে বহুত এচু বেঞ্চ দিছিলে। আপোনালোকে নাভাবিব যে মইযো নলবাবীব মানুহ তেখেতো নলবাবীব মানুহব কাবণে হিংসাতে কৈছো। তেখেতে শিক্ষামন্ত্রী হৈ থাকোতে বহুতো স্কুলক 'কমিটমেণ্ট' দিছিলে, কাম একো নহল এতিয়া তেখেতে হস্পিতেল বিলাকক কমিটমেণ্ট দিবলৈ লাগিছে। অধ্যক্ষ মহোদয় এইখিনিতে মই এটা কথা কব খুজিছো আমাব মানুহ বিলাক মবিলে স্বর্গত গৈ চিত্রগুপ্তব অফিচত হাজিব হব লাগে। চিত্রগুপ্তব অফিচত মানুহব আত্মা বিলাক কিউ কবি গৈ আছে, এনেতে চিত্রগুপ্তব অফিচত এটা বঙা লাইট জ্বলি উঠিল, তেতিয়া আত্মা বিলাকে ভয় খাই সুধিলে এইটো কি হৈছে, তেতিয়া ক'লে যে ইয়াত ভয় খাব লগা একো নাই। জ্যোতি বসুরে মিছা কথা কৈছে। তাব অলপ পিচত আকৌ এটা বঙা লাইট জ্বলি উঠিল তেতিয়া আত্মা বিলাকে সুধিলে, আকৌ কি হ'ল, তেতিয়া ক'লে যে, মহাবাষ্ট্রব মুখ্যমন্ত্রীয়ে মিছা কথা কৈছে। ডাঙব মানুহ বিলাকে পৃথিবীত মিছা কথা কলে আমাব ইয়াত বঙা লাইট জ্বলি উঠে। অলপ দেবিব পিচত চিত্রগুপ্তব অফিচত হাজাব হাজাব লাইট জ্বলি উঠিল তেতিয়া মৃত আত্মা বিলাকে ভয় খাই সুধিলত কলে যে আপোনালোকে ভয় খোৱাব কোনো কাবণ নাই। এতিয়া অসমব স্বাস্থ্যমন্ত্রী ভূমিধব বর্ম্মণে কববাত বক্তৃতা দি আছে। (সদনত সকলোরে হাঁহি দিয়ে)। এতিয়া কথা হৈছে, আমাব মন্ত্রী বিলাকে ইমান মিছা কথা কব নালাগে। অধ্যক্ষ মহোদয়, মই আপোনাব জবিয়তে মুখ্যমন্ত্রী মহোদয়ব দৃষ্টি আকর্ষণ কবিব খুজিছো, আমাব চবকাবব কেইটামান বিভাগ জনসাধাবণব লগত ওতপোতঃ ভাবে জড়িত। তাব ভিতবত স্বাস্থ্য বিভাগ অন্যতম। মই মুখ্যমন্ত্রী মহোদয়ক অনুবোধ জনাইছো, তেখেতে কোনো মানুহ পঠিয়াই অনুসন্ধান কবি চাওঁক। অন্ততঃ নিজে জানিবব বাবে। আজি আমাব হস্পিতেল বিলাকত একো নাপাব। মই এজন প্রাক্তন স্বাস্থ্য মন্ত্রী হিচাপে, এজন এম, এল, এ হিচাপে, সিদিনা এজন মানুহক চিকিৎসাব বাবে এখন হস্পিতেললৈ লৈ গৈছিলো তাত 'কটন', চেলাইন, আদি কবি 'নিডুললৈকে' সকলো বিলাক বাহিবব পবা কিনি দিব লগা হৈছে। আৰু তাত ৯০০ টকা খবছ হৈছে। এইবিলাক কথা যদি মিছা বুলি প্রমাণ কবিব পাবে তেন্তে

মই পদত্যাগ কৰিম। বৰ্ত্তমান অসমৰ শতকৰা ৯০ ভাগ ডাক্তৰেই স্বাস্থ্য বিভাগৰ কাম কাজত সুখী নহয়। ২ কোটি ৫০ লাখ টকা খৰছ কৰি 'এটো এনালাইজৰ' নামৰ এটা মেচিন কিনা হৈছিল। কিন্তু ইমান দামী মেছিন এটা এতিয়া মেডিকেলৰ বাৰাণ্ডাত পেলাই ৰখা হৈছে।

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী): অধ্যক্ষ মহোদয়, সেই মেচিনটো এ, জি, পি চৰকাৰৰ দিনতে কিনা হৈছিল।

*শ্রীচন্দ্রমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, সেই মেচিনটো এ, জি, পি চৰকাৰৰ দিনতে কিনা হলেও বহুৱাব লাগিছিল।

*ডাঃ ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী): এই মেচিনটো কিনোতেই দোষ হৈছিল। যিটো দোষৰ কাৰণে আমি আজিও বহুৱাব পৰা নাই।

*শ্রীচন্দ্রমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয় কি দোষ হৈছিল? যদি দোষ থাকে, সেইবিলাক আতৰ কৰিব লাগে।

মাননীয় অধ্যক্ষ: আপুনিও হেলথ মিনিষ্টাৰ আছিলে।

*শ্রীচন্দ্র মোহন পাটোৱাৰী: এই বিলাক কৰিব। আজিও পেথলোজি, ৰেডিঅ' লোজি আদি দৰকাৰী বিভাগত ১৫/১৬ লাখ টকাই দি কিনি অনা মেচিন পৰি আছে। এই বিলাক কামত লগোৱা হোৱা নাই। এই কথাবিলাক আমি কবই লাগিব। এইবিলাক কথা নকলে নহব। মই মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো Former Chief Minister and for the information of the Hon'ble Chief Minister. আৰু সেই মন্ত্রী বিলাকৰ দৰমহা, টি এ, ডি এ আদিত আমি আপত্তি নকৰো। আৰু ১০/২০ টকা এটি বঢ়াই লওক কিন্তু বাইজৰ কাম হব লাগিব। মুখ্যমন্ত্রী মহোদয় আৰু এটা ইম্পোৰটেণ্ট বিভাগ হ'ল কৃষি বিভাগ। আমাৰ বাইদেৰে কৃষিৰ কথা একো নাজানে। মই এদিন অধ্যক্ষ মহোদয়ৰ সন্মুখতে বাইদেউক এটা ধান দেখুৱাই সুধিছিলো মোৰ লগত জয়নাথ শর্মাও আছিল। তেখেতে মোক সুধিছিল এইটো কি? ধানৰ নাম নজনা মানুহে কৃষি মন্ত্রী হৈ আছে। মুখ্যমন্ত্রী মহোদয়, এতিয়াৰ কৃষি মন্ত্রী গৰাকী প্রাক্তন মুখ্যমন্ত্রী আছিল। আৰু বৰ্ত্তমান এজনী কেবিনেট মন্ত্রী। ধান কি বস্তু নাজানে কিন্তু কৃষি মন্ত্রী হৈ আছে।

*ছৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্রী): আপুনি মোক প্রশ্ন সুধিব। মই

*Speech not Corrected

উত্তৰ দিম। যিহকে পাই তাকে কিয় কৈ ফুৰিছে। এইবিলাক মিছা কথা।

*ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য মন্ত্রী): অধ্যক্ষ মহোদয়, এই যন্ত্র পাতিবিলাক তেখেতৰ দিনতে কিনা আছিল। তেখেতে এতিয়া ডাঙৰ কথা কবলৈ আহিছে। মাননীয় অধ্যক্ষ: আজি বাৰিপুৰাৰে পৰা খুৰ হুলস্থুল হৈ আছে। আজি কোনেও আইন কানুন মনা নাই।

*শ্রীচন্দ্রমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, আপুনি এতিয়া কাক কবলৈ দিব?
মাননীয় অধ্যক্ষ: মই এতিয়া কাক কি কম? আজি কোনেও সদনৰ নিয়ম মনা নাই। আপোনালোকে কাট মোচন দিয়ক। আজি কোনেও কল মানা নাই।
শ্রীচন্দ্রমোহন পাটোৱাৰী: সেই মেচিন পত্র কিনা সময়ত মই মন্ত্রী নাছিলো। মোৰ পিছত এ. জি, পি চৰকাৰে মেচিন পত্র কিনিছে। প্রশ্ন হৈছে যদি মেচিন ডিফেকটিভ if that is a defective machine purchased by us Govt. has every right to discuss on the subject.
মাননীয় অধ্যক্ষ: আপোনালোকে কোনেও একো কথা মনা নাই।

(সদনত হুলস্থুল)

শ্রীচন্দ্রমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, মই এতিয়া এটা চেনচিটিভ কথা মুখ্যমন্ত্রী মহোদয়ক দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। এইখন যিহেতু অসম। অসমৰ প্রতি গৰাকী মানুহে, অসমৰ ভূমি পুত্রসকল অসমৰ মাটিৰ লগত সম্পর্কিত আমাৰ মুখ্যমন্ত্রী মহোদয়ৰ পূর্বপুরুষ সাত সৰীয়া আহোমৰ চুকাফাই বৃহত্তৰ অসমীয়া জাতি গঠন কৰিছিল। এতিয়া আমাৰ মুখ্যমন্ত্রী মহোদয়ে মন্ত্রী লোৱাৰ সময়ত অসমৰ মাটিৰ লগত সম্পর্ক থকা, অসমৰ কেচাঁ মাটিৰ লগত সম্পর্ক থকা, অসমক কেচাঁ মাটিৰ গোন্ধ পোৱা লোকক ললে ভাল হয়। এই অসমৰ সদনত অসমীয়া ভাষাত কলে বুজি পাব লাগে

(সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ: মই এই কথা শুনি বিৰাট দুখ পাইছো। এই সদনত অসমৰ লগত সামঞ্জস্য থকা সকলোৱে কব পাৰে। বেঙ্গলীতো কব পাৰে। (সদনত বিৰাট হুলস্থুল, কাৰো কথা শুনা নাযায় বিৰোধী তথা দলৰ মাননীয় সদস্য সকলে নিজৰ আসনৰ পৰা উঠি আহি কথাৰ কটাকটি কৰে)

*Speech not Corrected

শ্রীচন্দ্রমোহন পাটোৱাৰী : এইখন বাংলাদেশৰ বিধান সভা নহয় যে বঙালী ভাষাত কথা পাতিম, অসমীয়া ভাষাৰ কাৰণে অনিল বৰা শ্বহীদ হৈছিল, আমি অসমীয়াত কথা কৈছো, কোনোবাই বুজি নাপালে নাপাওক।

(পুনৰ সদনত হুলস্থুল)

*শ্রীজয় নাথ শর্মা : আমি অসমীয়া, আমি অসমীয়াত কথা কম সেইটোৰ কাৰণে যদি কাষোবাৰ চেণ্টিমেণ্টত লাগিছে লাগক।

(পুনৰ সদনত হুলস্থুল, একো শুনা নাযায়।)

(মাননীয় অধ্যক্ষই বাৰে বাৰে মাননীয় সদস্য সকলক সকিয়াই দি আছে আপোনালোকে বহক এনেকৈ মই সদন চলাব নোৱাৰো। মাননীয় সদস্য সকলে সদনৰ মাজলৈ আহি ঢকিয়াই ঢকিয়াই কথা কয় কাষো কথা ধৰিব পৰা নাযায়।)

Mr. speaker : Order, order, The House cannot function in this way. Will you please complete your speech. (Noise... Noise) The House is adjourned for ten minutes.

(The House Reassembled after 10 minutes adjournment with the Hon'ble Speaker in the Chair)

Mr. Speaker : Mr. Chandra Mohan Patowary will speak :

*শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমি আজি গ্রেণ্ট সমূহৰ ওপৰতে কৈ আছো। আমাৰ কথা হ'ল আমাৰ মন্ত্রী সকলে তেওঁলোকৰ দায়িত্ব পালন কৰিব পৰা নাই। যদি তেওঁলোকে দায়িত্বই পালন কৰিব নোৱাৰে তেনেহলে তেওঁলোক মন্ত্রী হৈ থকাৰ প্রয়োজন কি ? মই ইয়াৰ আগতে 'ডলাৰ বগৰি' বুলি শব্দ এটা উল্লেখ কৰিছো। সেই শব্দটোৰ অর্থ মই এতিয়া বঙালী ভাষাত অনুবাদ কৰি দিব নোৱাৰিম যদিও ইয়াৰ অর্থটো কি তাক সকলোৱে বুজি পাইছে। মই নিজেও এজন আইনজ্ঞ আৰু গুৱাহাটী হাইক'ৰ্টৰ বাৰৰ এজন মেম্বাৰ। সেই হিচাপে মই এইটোও ভালকৈ জানো যে ভাৰতীয় সংবিধানৰ অনুমোদিত ভাষা সমূহৰ ভিতৰত বঙালীও এটা ভাষা আৰু সেই ভাষাত কথা কোৱাৰ অধিকাৰ সকলোৱে আছে।

*Speech not Corrected

.....সদনত গন্ডগোল.....

এতিয়া আমাৰ মূল কথাটো হ'ল যে কোনোবা মন্ত্রীয়ে কাম কৰা নাই সেই বিষয়ে আমি সদনত কোৱাৰ অধিকাৰ আছে। is..... I am also a Member of High Court Bar. In the Constitution many languages have been recognised and Bengali is one of the languages and everybody has right to speak. Dobogori I can not interprete Bengali ..... I have got certain responsibilities being a public representative on the floor of the House to ask the Minister concerned about this grant and Chief Minister is the Council of Minister and he is also the leader of Council of Ministers, so Chief Minister.....if I have committed any mistake during my time what mistake I have done please show me. You have done that mistake also. Why you have done for the people..... ...সেই কাৰণে মুখ্য মন্ত্রীয়ে আমাক আচল কথা খিনি কব লাগিব। আজি চৰকাৰে কিবা ভুল কৰিলে তাত মাত মাতিবই লাগিব। চৰকাৰৰ ভুলৰ কাৰণে অসমৰ সামগ্রিক স্বার্থ কেতিয়াও বিলীন হৈ যাব নোৱাৰে। আমাৰ মুখ্যমন্ত্রী ডাঙৰীয়াও সাত ঘৰীয়া আহোমৰে এজন। তাহানিৰ সেই আহোমৰ ভিতৰতে এজন চুকাফাই তেওঁলোকৰ স্বার্থ জলাঞ্জলী দি অসম খন গঠন কৰিছিল আৰু তেওঁলোকে সুদীর্ঘ ৬০০ বছৰ অসমত ৰাজত্ব কৰিছিল। আজি চুকাফাৰ সেই অসমখনত ঘুনে ধৰিলে নেকি? আমাৰ সেই ইতিহাসৰ আঁট হেৰাই গৈছে নেকি? যদি সেই আঁট হেৰাই গৈছে তেনেহলে আমি জাতি গঠনৰ যিটো প্রচেষ্টা আৰু প্রক্রিয়াৰ প্রয়োজন তাৰ দ্বাৰা সেইটো ঘূৰাই আনিব লাগিব। আজি হেমাঙ্গ বিশ্বাস, জ্যোতি প্রসাদ আগৰৱালা আদিৰ লেখীয়ালোকসকল মোতকৈ বেছি অসমীয়া গতিকে সেইহে হেৰাই যাব খোজা সত্বাটো আমি উদ্ধাৰ কৰিব লাগিব। আজি অসম খনক খণ্ড বিখণ্ড কৰাৰ কাৰণে নানাবোৰ প্রচেষ্টা চলি আছে এইবিলাক কথা কেবিনেটত আলোচনাও কৰা হৈছে। আজি অসম খনত গোষ্ঠী ভিত্তিত যিদৰে ৰাজ্য গঠন কৰাৰ উপক্রম হৈছে সেই ফালৰ পৰা

*Speech not Corrected

এতিয়া মাত্র কলিতা আৰু কাষ্ট হিন্দুৰ মানুহ খিনিহে আছে। গতিকে কাইলৈ কলিতা সকল, ব্ৰাহ্মন সকলক আৰু মুছলমান সকলকো একোখনকৈ পৃথক ৰাজ্য লাগে বুলি দাবী আহিব। কিন্তু অসমখন ইতিমধ্যে সাত ভাগ হৈ খণ্ড বিখণ্ড হৈ গৈছে। এতিয়া আৰু বাকী থকা খিনিও ভাগ বতৰা হবলৈ হলে অসমৰ আৰু কোনো অস্তিত্বই নহব। এইখিনিতে মই ক্ষোভেৰে এটা কথা কবলৈ বাধ্য হৈছো যে আজি ভাৰতৰ ভিতৰতে এখন ৰাজ্য হৈ অসমৰ কোনো ঠাইতে অস্তিত্ব নাইকীয়া হবলৈ ধৰিছে। ভাৰতৰ জাতীয় সঙ্গীত, বেদৰ মন্ত্ৰ আদিত গঙ্গা সৰস্বতী, গোদাবৰী আদিৰ নাম আছে কিন্তু ব্ৰহ্মপুত্ৰৰ নাম নাই।

আজি অসমৰ মানুহখিনিক ডবা খেলৰ গুটি হিচাবে ব্যৱহাৰ কৰা হৈছে। অসমৰ মানুহ খিনিৰ মাজত কাৰোবাক আলফা, কাৰোবাক চালফা, কাৰোবাক উগ্রপন্থী আদি আখ্যা দি তেওঁলোকৰ মাজতে ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টি কৰি অসমৰ মানুহখিনি নাইকীয়া কৰিব বিচাৰিছে নেকি সেই প্রশ্ন মই পোনে পোনে মুখ্যমন্ত্রী মহোদয়ক সুধিব খুজিছো। যদি সেয়ে হয় তেনেহলে কাক লৈ আপোনালোকে ৰাজনীতি কৰিব আৰু দেশ শাসন কৰিব? সেই কাৰণে আপোনালোকে অসমীয়া মানুহক ডবা খেলৰ গুটি হিচাবে ব্যৱহাৰ নকৰি চুকাফাই অসমীয়া জাতিৰ লগত যিদৰে বিলীন হৈ গৈ এটা বৃহৎ অসমীয়া জাতি গঠন কৰিছিল সেই সত্বাটো ৰক্ষা কৰিবলৈ আমি সকলোৱে চেষ্টা কৰিলেহে অসমৰ নামত এতিয়া যিখিনি আছেগৈ সেইখিনি ৰক্ষা কৰিব পাৰিম। অধ্যক্ষ মহোদয়, যদিহে চৰকাৰে স্পনচৰ কৰি হত্যা কৰে তেতিয়াহলে আলফাৰ হত্যাত কৰি চৰকাৰৰ হত্যা বেছি গৰিহনাৰ যোগ্য। তিনচুকীয়াৰ হত্যাৰ কথা বাতৰি কাকতত ওলাইছে। ডি, চি আৰু এচ, পিয়ে কৈছে যে তাত আলফাৰ কেম্প নাই। আৰ্মিয়ে কৈছে যে, তাত এটা আলফাৰ কেম্প আছে। এতিয়া কথা হ'ল কোনটো সত্য? আজি সাধাৰণ নিৰীহ জনসাধাৰণৰ ওপৰত যিটো অবর্ননীয় অত্যাচাৰ চলিছে সেইটো বর্ণনা কৰিব নোৱাৰি। আমি এই ঘটনা বিলাকৰ প্রতিবাদ কৰি যাম। আৰু এই প্রতিবাদ কৰোতে যদি মৃত্যুও হয় তেনেহলে আপত্তি নাই। বাংলাদেশৰ এজন কবিয়ে গাইছে—'মৃত্যুকে কে ভয় কৰে, ছোট বেলায় খেলেছি মৰা মৰা খেলা'। আজি প্রশ্ন হৈছে যে, আজি অসমৰ জাতি গঠনৰ প্রক্রিয়াত ব্যাঘাট হৈছে। অসমীয়া জাতিক পঙ্গু কৰি ভাগ ভাগ কৰি ষড়যন্ত্র কৰি পুনৰ অসমক খন্ডিত কৰিব বিচাৰিছে। আজি

*Speech not Corrected

আলফা, উগ্রপন্থী ধৰাৰ নামত নিৰীহ জনসাধাৰণৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে, হত্যা কৰা হৈছে। আমি তাৰ প্ৰতিবাদ সদায়ে কৰিম। কাৰণ আমি মৃত্যুকে ভয় কৰে, ছোট বেলায় খেলেছি মৰা মৰা খেলা। আমি বহুতো মৃত্যুৰ সন্মুখীন হৈছো মৃত্যু ৰ কাৰণে আমাৰ ভয় নাই। গতিকে তাৰ প্ৰতিবাদ আমি কৰি যাম। আপোনালোকে আজি আলফাৰ ইচুটো সমাধান কৰিবলৈ বিচাৰিছে। এইটো সমাধান কৰিলে আমি ভাল পাম। কিন্তু আলফাক দুটা ভাগত ভাগ কৰি ৰাজনৈতিক কাৰণত যিটো বাতাবৰণৰ সৃষ্টি কৰিছে সেইটোও বৰ্ণনা কৰিব নোৱাৰি। আজি শুক্লেশ্বৰ মন্দিৰৰ ওচৰত ফুল বিক্ৰী কৰা মানুহ বিলাকৰ ওপৰত চালফাই টেক্স লগাইছে। তেওঁলোকক চিকিৰিটি দিয়া হৈছে আৰু বে-আইনী ভাৱে তেওঁলোকৰ হাতত আৰ্মচ আছে। আজি আলফাক দুটা ভাগত ভাগ কৰি এটা ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে। এইটো আমাৰ এপ্ৰিহেনচন। গতিকে আমাৰ মন্ত্ৰীসকল সৰ্তক হব লাগে।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, আজি অলপ আগতে যিটো পৰিস্থিতি হৈছে, সেইটো দুখঃ জনক। আমাৰ সকলো মাননীয় সদস্যই শাসক দলৰে হওক বা বিৰোধী দলৰে হওক আমাৰ অসমৰ সকলো জনগোষ্ঠীৰ ভাষা সংস্কৃতি আদিলৈ লক্ষ্য ৰাখি চলিব লাগে। ভবিষ্যতে যাতে এনে এটা পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে আমি সকলো মাননীয় সদস্যই চেষ্টা কৰিব লাগে। আমাৰ সদনৰ মজিয়াত হোৱা আলোচনাই যাতে বিভিন্ন জনগোষ্ঠীৰ মনত তিক্ততা আনি দিব নোৱাৰে তাৰ বাবে আমি সকলো সচেতন হব লাগে।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধাক্ষ মহোদয়, আজি আমাৰ বিধান সভাত যিটো পৰিস্থিতি হৈ গল সেইটো অতি দুখঃ জনক। মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই কথা কটাকটি কৰি দুটামান কথা কৈছিল। তেখেতে কৈছে যে, উগ্ৰ অসমীয়াবাদ কৰি অসমক ধ্বংস কৰা হৈছে, খণ্ড বিখণ্ড কৰা হৈছে। কিন্তু ১৯৬০ চনত অসমীয়াক ৰাজ্য ভাষা কৰিবলৈ নোযোৱা হলে হয়তো মেঘালয়, মিজোৰামৰ সৃষ্টি নহল হয়। আজি আমাৰ ৰাজ্যখনক বিচ্ছিন্নতা বাদী শক্তিয়ে গা কৰি উঠিছে। অসমক খণ্ড বিখণ্ড কৰাৰ চেষ্টা কৰিছে। আমি তেওঁলোকক ধৰাৰ বাবে চেষ্টা কৰিছো।

Mr. Speaker : Now, it is 1.30 P.M. and I guillotine all

*Speech not Corrected

the remaining cut motions. Now. I put all the remaining Supplementary Demands for grants Nos. 2, 3, 4, 5, 6, 9, 11, 12, 14, 15, 16, 17, 19, 21, 23 26, 27, 29, 33, 35, 36, 39, 40, 41, 42, 44, 45, 46, 48, 51, 52, 54, 55, 56, 57, 59, 62, and 64 for approval of the House.

Those who are in favour say 'Ayes'
Those who are in against say 'Noes'
'Ayes' have it, 'Ayes' have it, 'Ayes have it'

The Supplementary Demands for Grant Nos. 1, 2, 3, 4, 5, 6, 9, 11, 12, 14, 15, 16, 17, 19, 21, 23, 26, 27, 29, 33, 35, 36, 39, 40, 41, 42, 44, 45, 46, 48, 51, 52, 54, 55, 56, 57, 59, 62, and 64 are passed.

Item No. 4(a). The Assam Appropriation (No. 1) Bill, 1994 be circulated.

(The Bill was circulated).

Now, Minister, Finance to move the motion for introduction of the Bill.

Introduction Consideration and Passing of the Assam Appropriation (No. 1)' Bill, 1994

Shri Jiba Kanta Gogoi (Minister, Finance) : Sri I beg leave to introduce 'The Assam Appropriation (No. 1) Bill 1994'

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted.

There is a message from the Governor of Assam.

RAJBHAVAN

Dated 12.3. 1994.

Under the provision of Article 207 (1) of the Constitution of India, I Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No. 1) Bill, 1994.

Sd/-Loknath Misra,
Governor of Assam.

Mr. Speaker : Now, Minister, Finance to introduce the Bill.
Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg leave to introduce 'The Assam Appropriation (No. 1) Bill, 1994
Mr. Speaker : Secretary, Assam Legislative Assembly to read out the Title of the Bill, 1994.
(Secretary, ALA read out the title of the Bill) Now, item No. 4(b). There is a message from the Governor of Assam.

"RAJBHAVAN

Dated 12-3-1994.

Under the provision of Article 207(3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Appropriation (No. 1) Bill, 1994, be taken into consideration by the Assam Legislative Assembly.

Sd/-Loknath Misra
Governor of Assam"

Now, Minister, Finance to move.
Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg to move that the 'The Assam Appropriation (No. 1) Bill, 1994 be taken into consideration.

*শ্রীযতীন মালী : অধ্যক্ষ মহোদয়, মই এইখিনিতে এটা কথা কব বিচাৰিছো। আমাৰ ভিজিলেন্স চেল সম্পর্কত মই চৰকাৰৰ পৰা এটা কথা জানিব বিচাৰিছো ভিজিলেন্স চেলৰ যিটো কমিচন আছে তেওঁলোকে কেইগৰাকীমান বিষয়াৰ বিৰুদ্ধে অহা এলিগেচনৰ তদন্ত কৰি এলিগেচনটো সত্য বুলি প্রমানিত কৰি চৰকাৰক ৰিপোর্ট দিছে বুলি শুনিছো। গতিকে ভিজিলেন্স চেলে বিষয়া কেইগৰাকীৰ ওপৰত যিটো ৰিপোর্ট দিছে তাৰ ওপৰত ব্যৱস্থা গ্রহণ কৰিব লাগে। দ্বিতীয়তে পলাশবাৰী, মুকালমুৱা আৰু নগাঘুলিত যিকেইটা আঁচনি লোৱা হৈছিল তাৰ কাম এই বিত্তীয় বছৰতে কৰিবনে?

Mr. Speaker : Minister, Finance to reply.

*শ্রীজীৰকান্ত গগৈ (বিত্ত মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়ে মই চাম।

*শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, গড় কাপ্তানি বিভাগত যি টকা বিচাৰিছে সেই সম্পর্কত এষাৰ কথা কব খুজিছো—আজি এই বিভাগৰ ঠিকাদাৰ সকলে বিৰল টকা পোৱা নাই। সৰু সৰু ঠিকাদাৰ সকলে তেওঁলোকৰ ধৈণীয়েকৰ গঢ়ণা বিক্রী কৰি খাবলগীয়া অৱস্থা হৈছে। আজি গোটেই অসমৰে ৰাষ্টা ঘাট দলঙৰ অৱস্থা নোহোৱা হৈছে। কাঠৰ দলংবোৰ ভাঙি গৈছে। এইবোৰ মেৰামতিৰ ব্যৱস্থা কৰিব লাগে, ঠিকাদাৰ সকলে টকা পোৱাৰ ব্যৱস্থা কৰিব লাগে বিত্ত মন্ত্রী মহোদয়ে এই কথাটোৰ প্রতি চকু দিব লাগে।

*শ্রীপদ্মেশ্বৰ দলে : অধ্যক্ষ মহোদয়, আমি এটা জানিবলৈ পাইছিলো যে এন, ই, চিৰ পৰা লুইত আৰু চাৰতিত দলং বনাবৰ কাৰণে টকা দিয়া হৈছিল ৭ম ৫ বছৰীয়া প্লেনৰ পৰা। এই দলং দুখনে অসম-অৰুণাচল অসম নাগালেণ্ডক সংযোগ কৰাৰ কথা আছিল। কিন্তু এই আঁচনি কি কাৰণে এতিয়া ড্রপ কৰা হৈছে মন্ত্রী মহোদয়ে জনাবনে? এন, ই, চিৰ ৩৪ নং বৈঠকত ইয়াক অনুমোদন জনোৱা হৈছিল।

*শ্রীজীৰকান্ত গগৈ (বিত্ত মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীনগেন শর্মা আৰু শ্রীদলে ডাঙৰীয়াই যি বিষয় উত্থাপন কৰিছে সেই বিষয়ে মই বিশেষ ভাবে বিবেচনা কৰি চাম।

Mr. Speaker : I now put the motion before the House.

*Speech not Corrected

The motion is that "The Assam Appropriation No. 1) Bill, 1994, be taken into consideration".

(The Motion is passed)

Now item No. 4 (c)

I now put clause 2, 3 and Schedule to the Bill before the House for approval.

The question is that—

Clauses 2, 3 and Schedule to the Bill do stand part of the Bill. (The Motion is adopted)

(Clauses 2, 3 and Schedule do form part of the Bill)

Now I put clause 1, Enacting Formula and Short Title of the Bill before the House for approval.

The question is that—

Clause 1, Enacting Formula and Short Title do stand part of the Bill.

(The motion is adopted)

Clause 1, Enacting Formula and Short Title do form part of the Bill.

Now item No. 4(d)

Shri Jiba Kanta Gogoi (Minister Finance): Mr, Speaker sir I beg to move that 'The Assam Appropriation (No. 1) Bill, 1994' be passed.

*শ্রীজয় নাথ শর্মা :—অধ্যক্ষ মহোদয়, এটা পইণ্ট অব অর্ডাৰ আছে। আজি যিখন বিষ্টেটমেণ্ট হাউচত লে ডাউন কৰিছে ইয়াত চৰকাৰী কৰ্মচাৰী ঋণৰ কথাটো নাই। এপ্রো প্রিয়েচন বিল যি খন পাচ কৰিছে তাৰ এই টকা কেপিটেল এক্সপেণ্ডিচাৰত দেখুৱা হৈছে। এই চৰকাৰী কৰ্মচাৰীৰ কাৰণে ৰখা ঋণৰ ২৮ কোটি টকা কলৈ গ'ল ?

*Speech not Corrected

*শ্রীজীৱ কান্ত গগৈ (বিত্ত মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইটো ইয়াত পোৱা নাই চাব লাগিব। ক'ত আছে টকাটো।

*শ্রীজয় নাথ শর্মা ঃ অধ্যক্ষ মহোদয়, এইটো মিলা নাই, গতিকে পাছ নোৱাৰে। এইটো আজি পেণ্ডিং ৰাখিব লাগে। নহলে এই ২৮ কোটি ৩৬ লাখ ২ হেজাৰ টকা কত খৰচ কৰে ঠিক নাই।

*শ্রীগোলোক চন্দ্র ৰাজবংশী (মন্ত্রী সংসদীয় পৰিক্রমা) ঃ অধ্যক্ষ মহোদয়, এইটো ইয়াত আছে ৩৮ নংত। ঋণৰ কথাটো ইয়াতে আছে।

*শ্রীজয় নাথ শর্মা ঃ অধ্যক্ষ মহোদয়, পার্লিয়ামেণ্টেৰী বিভাগৰ মন্ত্রী ৰাজবংশী ডাঙৰীয়া এজন অতি অভিজ্ঞ ব্যক্তি, এইটো তেখেতে ভুলকৈ কব নোৱাৰে। ইনডেক্স ওৱান আক ইনডেক্স টুত এইটো কনচলিডেটেড কৰি দেখুৱা হৈছে দুয়োটা টোটেল কৰি দেখুৱা হৈছে। কিন্তু ৩৮ নম্বৰত চৰকাৰী ঋণৰ টকা ২৮ কোটি ক'ত গ'ল ?

শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, এইটো ইয়াতে আছে।

*শ্রীজয়নাথ শর্মা ঃ কর্মচাৰী সকলৰ ঋণৰ টকা ক'ত গল ?

*শ্রীগোলোক চন্দ্র ৰাজবংশী (পার্লিয়ামেনটৰী মন্ত্রী) ঃ সেইটো ইয়াত আছে।

*শ্রীজয়নাথ শর্মা ঃ কত আছে ?

*শ্রীজীৱকান্ত গগৈ (বিত্ত মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়,৬২ নম্বৰত আছে।

*শ্রীজয়নাথ শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, শক্তি বুলি দিছে কর্মচাৰী বুলি নাই। ৬২ত আছে কর্মচাৰী সকলৰ ঋণৰ টকা।

Mr. Speaker : I now put the motion before the House. The motion is that "The Assam Appropriation (No 1) Bill 1994, be passed."

The motion is passed. The Bill is passed.

I request the Hon'ble Chief Minister, Hon'ble Ministers, Ministers of State, Hon'ble Members, gentlemen of the Press

*Speech not Corrected

in the Press Gallary ; Official Reporters and official in the officers' Gallary to join in the lunch arranged in the pandal adjacent to the House.

The House stands adjourned till 3.30 pm to-day.

Debates on Governors Address

(The House reassembled at 3-30 P.M. to-day with Speaker in the chair)

Mr. Speaker : Mr. Anowar Hussain please complete your speech in two minutes.

*শ্রীআনোৱাৰ হুচেইন : অধ্যক্ষ ডাঙৰীয়া, শ্রীমজিবুৰ ৰহমান চাহাবে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্রস্তাৱ আনিছে তাৰ সপক্ষে মোৱা ১০ তাৰিখে মই কিছু কথা কৈছিলো। আৰু এটা কথা কৈ মই বক্তব্য সামৰিম। বিৰোধী দলৰ নেতা শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই এটা শংকা প্রকাশ কৰি কৈছে যে অসমত অসমীয়া আউট নাম্বাৰ হোৱাৰ উপক্রম হৈছে। নিসন্দেহে এইটো এটা উদ্বেগজনক কথা আৰু মোৰ যদি স্মৃতি শক্তিয়ে প্রতাৰণা কৰা নাই তেতিয়াহলে অসম সাহিত্য সভাৰ সভাপতি ডাঃ গগৈয়ে অসমীয়াৰ সংখ্যা ২৩ শতাংশ বুলি কৈছে। এইটো ৰৰ দুর্ভাগ্যজনক কথা। ১৯৭১ চনত যিটো লোক পিয়ল হৈছিল তাত কোৱা হৈছিল ৬৯ ভাগ অসমীয়া আছে। ই আজি ২৩ শতাংশ হোৱাটো দুর্ভাগ্যজনক কথা। কিন্তু ইয়াৰ কাৰণ কি? এই কাৰণবোৰ ফহিয়াই চাব লাগিব। আজি যি সকলে কেঁচা মাটিৰ গোন্ধ পাইছে যি সকলে অসমীয়াৰ স্বার্থ ৰক্ষা কৰিবৰ কাৰণে চিঞঁৰ বাখৰ কৰি আছে সেই সকলে বাস্তৱ সত্যলৈ গৈ প্রকৃত কাৰণবোৰ উলিয়াব লাগিব। মই কাকো অপবাদ দিব খোজা নাই। অসমীয়া ইতিহাসৰ এটা কলংকিত অধ্যায় অগপ চৰকাৰৰ দিনত হৈ গ'ল। ১৯৮৯ চনত বিজনি আৰু চিদলীৰ ভূটানৰ পাদ-দেশত কয়লা-ময়লা অঞ্চলত বড়ো উগ্রপন্থীৰ দ্বাৰা প্রায় ১ হাজাৰ পৰিয়াল গৃহহীন হৈছিল, ঘৰ-দুৱাৰ পুৰি খেদি দিয়া হৈছিল। তেখেত সকলৰ শাসন

Speech not Corrected

কালত কেচা মাটিৰ গোন্ধ পোৱা সকলে কি কৰিলে ? পুনৰ সংস্থাপন কৰাৰ পৰিবৰ্তে ১০ হাজাৰ ৰাজবংশী লোক সকলক কোকৰাঝাৰ জিলাৰ পৰা লৈ আহি বঙাইগাওঁ জিলাৰ বিদ্যাপুৰত আঠৈ হাজাৰ টকা আৰু আধা বিঘা মাটি প্ৰাণ ভিক্ষা দি অসমীয়া জাতি ৰক্ষা কৰিলে। তেওঁলোকৰ কাৰণেই অসমত মানুহ ভগনীয়া হৈছে। এটা শক্তিশালী চৰকাৰ থকা সত্বেও তেওঁলোকক নিজৰ ঠাইত পুনৰ সংস্থাপন নকৰি ভগনীয়াৰ দৰে সংস্থাপন কৰিলে। আজি ৰাজবংশী ভাই সকলে যোৱা পিয়লত অসমীয়া নিলিখি ৰাজবংশী ভাষা বুলি লিখিছে। ১৯৯৩ চনত বঙাইগাওঁ, কোকৰাঝাৰ জিলাত বড়ো উগ্রপন্থীৰ দ্বাৰা কেবা হাজাৰ লোক গৃহহীন হৈছিল। কিন্তু আমাৰ মুখ্যমন্ত্রীয়ে সাহসীকতাৰে সেই বিলাক মানুহক অর্থ সাহায্য দি তেওঁলোকক নিজৰ ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰিলে। দুটা চৰকাৰৰ পার্থক্য চাওক। এটা চৰকাৰে অসমীয়া লোকক ভগনীয়া ৰূপত সংস্থাপিত কৰিছে। আৰু এটা চৰকাৰে ক্ষতি পূৰণ দি নিজৰ ঠাইত পুনৰ সংস্থাপন কৰিলে। অসমীয়াৰ সর্বনাশ কোনে কৰিলে ? এই কথাবিলাক ভালকৈ ফহিয়াই নিৰাময়ৰ ব্যৱস্থা কৰিব লাগিব। আজি বিধান সভাত যি অপ্রীতিকৰ অৱস্থা হল ইয়াত বৰ লাজ পাইছো। যি গালি দিয়া হল তাক সাধাৰণ সভ্য মানুহেও সেই বিলাক গালি সহ্য কৰিব নোৱাৰে। শ্রীমজিবুৰ ৰহমান চাহাবে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্রস্তাৱ আনিছে তাক সমর্থন জনাই বক্তব্য সামৰিলো।

Mr. Speaker : Shri Dewan Jainal Abedin.

*Shri Dewan Jainal Abedin : Mr. Speaker Sir, after a year the Hon'ble Governor has placed his speech before the House. We have carefully gone through the speech of the Hon'ble Governor and we have seen that in his lengthy speech there are many things but, unfortunately the real problems of the people of the state are not reflected in the speech. Sir, here he has tried to paint a rosy picture of the economic conditions of the state. But sir, in reality what do we find ? In reality, while the present Government is a bankrupt Government it would be sufficient to say that the

*Speech not Corrected

Government is getting financial crisis. As a matter of fact, this Government is looking towards the centre, bank agencies for financial help because it has turned the economy of the state into a bankrupt economy. so, it is very unfortunate that Assam although it is a very resourceful state having aboudance of natural resources, mineral, resources forest resources, fertile lands to cultivate but it is really regretable that inspite of all these resources our economy today has turned to such a sorry state. sir, about agriculture.....

Sir, about agriculture much has been said about agriculture in Governor's address. It has been said that the production will go up this year. This is mere an expectation since no step has been taken by the Govt. to modernise the agricultural cultivation in order to augment the production. Therefore, Sir, it is seen that the Govt. is not sincere to increase the agricultural output in the State. Sir, so far the industry is concerned, the less said is better because we do not see any programme for expansion of industries in the State. Sir, we find there are big promises for establishment of Numuligarh Oil refinery, setting up of IIT, establishment of Gas cracker and so on and so forth. But side by side we have seen there are promises of handing over the entire industries department to the private sector. In this House it has been questioned the necessity of having Industries Department in the Govt. since all the industries are being let out to the private sector. If it is so, there is no need of having a Ministry or a Minister in the Govt. because now the only business of the Industries Minister is to have over or sell out all the remaining industrial units to the private sector. Sir, it is part of the Assam Accord that the Ashok paper

Mill would be revived. It is a matter of great regret that after all these 10 years the Ashok Paper Mill is yet to be revived and valuable parts of the Mill are being sold out everyday. Therfore, it is not known what will be the fate of the industries that are yet to be set up in the State.

Now, Sir, about unemployment problem, it has become so acute that our youths are being driven to desparation and frustration and compelled to take to the path of terrorism. This ULFA problem has cropped up here and in the name of solving ULFA problem, Sir, Governor has said that some more additional companies of military and paramilitary and paramilitary forces are being inducted. May I ask the Govt. is this the way to solve the complicated problem of terrorism ? We should look into the root cause of the problem of terrorism. The root cause appears to be socio-economic problem. Therefore, the problem which is socio-economic in nature cannot be solved in a military way. You cannot solve this problem of terrorism by para-military or military forces. You should solve it through diologues and mutual consultation. Sir, the Government on the other hand is claiming that there is no law and order problem in the State. May I ask the Hon'ble Chief Minister if there is no law and order problem in the State then why he is taking shelter under black cat. ? Therefore, I say, Sir, through army operation the ULFA or ABSU terrorism cannot be solved. The people of Assam has a goodwill for this Govt. We should take advantage of this good will and through diologues Government should pressurise the ULFA and ABSU to come to an amicable solution to this vexed problm of terrorism. Sir, I have some doubt whether the Govt is sincere to solve the pro-

blem of ULFA. I have also doubt that Govt. wants to prolong the problem for their interest. So that they can curtain the democratic rights of other political parties. Democratic forces are not presently functioning in the State. Virtually there are only two parties functioning in the State. One is Congress (I) and the other is ULFA. If any other polit'cal party wants to bring out a protest rally Government will not grant any permission on the plea that there are 144 Cr. PC promulgated. So, Sir, democratic forces have become invalid. They have become irrelevant under this Government. I am thus compelled to remark that Government wants this terrorism of ULFA or ABSU to continue becuase it pays them. I should like to request the Government to be truthful. They should not go for haughty military approach. But through diologue they should find out a solution of this problem by utilizing the good will of the people. In this context, Govt. have made some Acts to fight terrorism but again these Acts are being used against the other political forces. I must say, this sort of action will not pay. For example, we have seen the emergency declared by Smti Indira Gandhi and we all know what was the result of that emergency. Therefore, I say that this sort of undeclared emergency in Assam will not pay the Govt. in the long run.

Sir, the Governor's Address runs into long pages of 28 but no where a single word about the plight of minority people has been mentioned there. The religious.....

The religious and linguistic minority people are living under state of neglect and fear. Sir, here a process of electoral revision is going on to-day. In the name of revi-

sion of electoral rolls the minority people in the State are harassed and badly treated beyond limit. In this month of March in certain Assembly constituencies of the State in the name of revision of electoral rolls harassment is going on. Towards the end of the last year the electoral rolls were ready for public scrutiny. At that time some of our brethren of the Opposition Bench went to the Election Commission and put up an objection that these 40 constituencies, there are presence of a large number of foreigners and the refore, the draft rolls should not be published. As per revised instructions issued on May 17, last year two lists were prepared, list one and list two. This was challanged in the Guwahati High Court by several public organisations and the High Court upheld and cancelled the whole process and asked to publish a consolidated list excluding those persons who are declared foreigners by the Tribunals. That was fine—but the Election Commission filed an appeal before the Supreme Court on 18th of February. The Supreme Court admitted the special writ petition and fixed 8th of April as the date of hearing and at the same time they have asked the Election Commission not to publish any rolls till 8th of April. Learned Counsel for minorities also urged upon the Honourable Court that no publication be made by the Election Commission whatsowever. This is the last part of the verdict of the Honourable Supreme Court ; and asked the Election Commission of India to postpone the process of revision till 8th of April. But Sir, the Election Commission has distorted the spirit of the order of the Supreme Court and they continued the process of revision. They do not regard the original documents even.....bank accounts of 1951, NRC, Citizen-

ship certificate and birth certficates are not even accepted....

Mr. Speaker : You have already taken 8 minutes extra.

*Shri Dewan Jainal Abedin : The matter is very urgent and of public importance Sir. No basic documents have been accepted by the election Commission. There are 76 lakhs of people who have been placed in the list no. 2 and out of them 13.70 lakhs people have filed petition. Among them during the last year 9 lakhs people have been asked to produce fresh documents, whose names are there in the 1966 rolls. Not only that Sir, their children have been asked to produce linkage certificate. Linkage certificates are given by the Panchayats.....

Mr. Speaker : There are guidelines for the Election Commission. How can we help ? How the Govt. of Assam can help ?

*Shri Dewan Jainal Abedin : It is very much within the capacity of the Govt. Sir, To-day we have voted for 100 lakhs as Supplementary Demand for Grants and it proves that we have a say.....

Mr. Speaker : I have given you 20 minutes time already

*Shri Dewan Jainal Abedin : Yes, Sir, within two minutes, I shall conclude.

It is necessary for me to mention Sir, that about 16 lakhs of minority people are being harassed now. This should be stopped forthwith and the process of hearing should be stopped immediately. With these Sir, I conclude.

শ্রীধ্রুব কুমার সেন : মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষনের উপর মাননীয় সদস্য শ্রীমজিবুর রহমান সাহেব যে ধন্যবাদ সূচক প্রস্তাব রেখেছেন তার বিরোধীতা করে আমি ২/১ টা কথা বলতে চাই।

*Speech not Corrected

মহোদয়, আইন শৃংখলার কথা বলতে গিয়ে প্রথমে বলতে চাই যে রাজ্যে যে অবস্থা বর্তমানে চলছে—এতে কোনও ধরনেরই হিংসা আমরা সমর্থণ করিনা। সেটা সরকারী বা বে-সরকারী যাই হোক নাকেন? আমি বা পুলিশ সাধারন মানুষদেরে আইন-শৃংখলার রক্ষার নামে হত্যা করবে—সেটা কোনও অবস্থায়ই সমর্থণ করা যায় না।

(ভয়েস : বেঁচে আছেন পুলিশের জন্যই)

সেটা আপনারা ভাবতে পারেন। মহোদয়, আইন শৃংখলার ব্যাপারে রাজ্যপালের ভাষনে যে সব বিষয়ের উল্লেখ করা হয়েছে এতে কবিগুরু রবীন্দ্রনাথ ঠাকুরের একটা কথাই কেবল মনে পড়ছে— "ফিরে দাও অরণ্য-লহ তোমার নগর।" আজ যে অবস্থা আমরা দেখছি—সভ্যতার নামে যা চলছে এটা কোন অবস্থায়ই মেনে নেওয়া যায় না। এই ব্যাপারে একটা উদাহরন দিচ্ছি যে প্রতিদিন সকালে উঠেই আমাদের প্রয়োজন হয় জলের অথচ দেখবেন জল নেই। কারণ বিদ্যুৎ নেই। ফলে দৈনন্দিন জীবনের সমস্ত কাজই বন্ধ হয়ে যায়। হাস্পাতালে যাবেন ঔষধ নাই, চিকিৎসক নাই, বেড্ নাই। কেবল-নাই-নাই। তারপর দেখবেন গ্যাস নেই, কেরোসিন নেই। ব্ল্যাকে ১০ টাকা লিটারে কেরোসিন। আসামে ৪০ বৎসর কংগ্রেস সরকার রাজত্ব করেছে। কি দিয়েছে কংগ্রেস সরকার জনসাধারণকে? কেবল চারিদিকে নাই নাই হাহাকার। উপরন্তু সৃষ্টি করেছে কাশ্মীর সমস্যা, পাঞ্জাব সমস্যা, আসাম সমস্যা। একটার পর একটা সমস্যা সমস্ত ভারতবর্ষে আজ যে অবস্থা চলছে—তারজন্য সম্পূর্ণ দায়ী এই কংগ্রেস পার্টি। (ভয়েস্ঃ—বি জে পি কি করছে?) বি জে পি কি করবে তা ক' দিন পরে দেখবেন। স্বাধীনতার পর থেকে কংগ্রেস কি করে আসছে তা বিবেচনা করুন। স্বাধীনতার নামে এই পার্টি লক্ষ লক্ষ লোককে গৃহহারা করেছে, রিফিউজি করেছে। জওহরলাল নেহেরুর ব্যক্তিগত স্বপ্ন-প্রধানমন্ত্রী হওয়ার জন্য দেশকে বিভাজন করা হয়েছে। আর প্রধানমন্ত্রী হওয়ার পর নেহেরু দেশকে কি দিয়েছেন? এশ্, গ্যাস আর ক্যাশ। নোবেল পুরস্কারের লোভে সারা দেশকে এশ'এ অর্থাৎ ছাই দেশকে দিয়াছে ছাই, বিদেশকে দিয়াছে গ্যাস্ আর নিজের ফেমিলিকে দিয়াছে ক্যাশে পরিনত করেছেন। তাছাড়া কেমন করে বংশ পরম্পরায় দেশের শাসনভার কুক্ষিগত করা যায় সেই চিন্তাই করেছেন। ফলে দেশ পেল ইন্দিরা গান্ধী, রাজীব গান্ধী। (ভয়েস্ঃ আদবানিজী কি করছেন?) আদবানিজীর কথা বলতে হবে না। মুখ্যমন্ত্রী হিতেশ্বর শইকীয়া সাহেবের কথা বলুন। তিনি কি করছেন? তিনিতো এখান থেকে সারা দেশে পাঠাচ্ছেন গ্যাস্। নিজের রাজ্যকে

পরিণত করেছেন এশ'এ। আর ক্যাশের কথা অবশ্য না বলাই ভাল। স্যার, ভারতবর্ষের ইতিহাসে তিনজন লুণ্ঠণকারীর নাম স্মরনীয় হয়ে থাকবে। সুলতান মামুদ, লর্ড কলাইভ আর এই তিনজন লজ্জন পাতে নদিরশা। এই কংগ্রেস পার্টির লুণ্ঠন সকলকে হার মানাবে।

(সদনে গণ্ডগোল)

মাননীয় অধ্যক্ষ : রাজ্যপালের ভাষনের উপর বক্তব্য রাখুন।

শ্রীধ্রুব কুমার সেন : রাজ্যপালের ভাষনের পরিপ্রেক্ষিতে বলতে চাই যে এখানে ধুবড়ীর সমস্যার কথা কিছুই বলা হয় নি। ধুবড়ী একটা পুরাতন জেলা তার জন্য কারো মাথা ব্যাথা নাই। সেখানে পূর্বে একটা এ পি এস সি'র কেন্দ্র ছিল। সেটাও বরপেটায় উঠিয়ে নিয়ে আসা হলো। বরপেটায় একটা কেন্দ্র হউক তাতে আমার আপত্তি নেই। কিন্তু ধুবড়ী থেকে কেন উঠিয়ে নেওয়া হবে? এই মন্ত্রী সভায় এই জেলার ৪জন মন্ত্রী থাকতে তারা কেউ একটুও আপত্তি করলেন না—এটা কেমন কথা? তাছাড়া ধুবড়ী ট্রেন লাইন আসামের পুরনো ট্রেন লাইন। সেটা বন্ধ করে দেওয়া হয়েছে। ধুবড়ীতে একটা পুরোনো এয়ারপোর্ট ছিল—সেটাও শেষ হয়ে গেছে। সেখানকার বিদ্যুতের অবস্থাতো অত্যন্ত শোচনীয়। ২৪ ঘন্টার মধ্যে বড়জোর ৪/৫ ঘন্টার জন্য কারেন্ট থাকে। ফলে গত ১৫ দিন যাবৎ ধুবড়ী শহরে মিউনিসিপালটির সাপ্লাইয়ের জল নাই। নগর উন্নয়নের ব্যাপারে এখানে গৌহাটী এবং বরপেটার গোয়ালপাড়া কথা উল্লেখ আছে। কিন্তু ধুবড়ীর ব্যাপারে কিছু নাই।

মহোদয়, শিক্ষার ব্যাপারে আলোচনা করে শেষ করতে পারবো না। ধুবড়ী জিলায় মাদ্রাসা স্কুলগুলি শুক্রবারে বন্ধ থাকে আর রবিবারে খোলা থাকে। এটা কেমন কথা? একটা ইউনিফর্ম নীতি সকলের জন্য থাকা দরকার। এই বৈষম্যের ফলে আর কিছু না হোক কিন্তু একটা হিংসা প্রতিহিংসামূলক পরিবেশের সৃষ্টি হতে পারে। এগুলো দূর করতে হবে।

স্বাস্থ্য বিভাগের কথা কি আর বলব। ২০০ বেডেড্ হাস্পাতালে বেড্ নাই। হাস্পাতালে এক্সরে মেশিন নাই। মেশিন আছেতো এক্সরে প্লেট নাই। এইসব অবস্থা সারা আসামে চলছে।

স্যার, ধুবড়ী শহরে আরেকটা নতুন সমস্যার সৃষ্টি হয়েছে। সেটা-সালফার সমস্যা। সব সময়ই টুকটাক গণ্ডগোল লেগেই আছে। তারজন্য মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করছি যাতে সময় মতো এইসব সমস্যাকে যেন সামাল

দেন নতুবা পরে নিয়ন্ত্রনের বাইরে চলে যাবে। এই বল আমি রাজ্যপালের ভাষনের উপর যে ধন্যবাদ সূচক প্রস্তাব এসেছে তার বিরোধীতা করে এবং সংশোধনী প্রস্তাবের সমর্থণ করে আমার বক্তব্য শেষ করছি।

*শ্রীবাবু ঋংপী : মাননীয় অধ্যক্ষ মহোদয়, আজি রাজ্যপালর ভাষণর সন্দর্ভত যিবিলাক বিতর্ক হৈছে—তার পরিপ্রেক্ষিতত মই রাজ্যপালর ভাষণটো বিরোধীতা করি কেইটামান কথা কব বিচারিছো। আপোনালোকে জানে যে কার্বি আংলং আরু উত্তর কাছারর বাইজে আজি ৭ টা বছর ধরি স্বায়ত্ব শাসনর বাবে যিবিলাক দাবী তুলিছিল, অসম চরকারে তথা কেন্দ্রীয় চরকারর ওচরত এ, এচ, ডি, চিয়ে যিবিলাক দাবী উত্থাপন করিছিল—সেইখিনি কথা আজি রাজ্যপালর ভাষণত দেখা নগল। স্বায়ত্ব শাসনর কথাবিলাক আজি চরকারী বক্তব্য হিচাবে রাজ্যপালর ভাষণত স্পষ্ট হৈ থকার দর্কার আছিল। কার্বি আংলং রাইজর এই স্বায়ত্ব শাসনর দাবীসমুহর ক্ষেত্রত চরকারে কিমান খিনি আগ বাঢ়িছে সেই কথাও স্পষ্ট হৈ উঠিব লাগিছিল কিন্তু আজি সেই বিলাক রাজ্যপালর ভাষণত দেখিবলৈ পোরা নগল। এই ক্ষেত্রত অসমর বিভিন্ন জনগোষ্ঠীর কারণে স্বায়ত্ব শাসনর যিটো প্রক্রিয়া আরু তার ভিত্তিত অসম চরকারর যিটো স্থিতি -সেই স্থিতি সম্পর্কেও আলোচনার ঠাই রাখিব লাগিছিল কিন্তু চরকারে আলোচনার স্থল রখা নাই। যার ফলত আজি কার্বি আংলং আরু উত্তর কাছার জিলার স্বায়ত্ব শাসনর দাবীর পরিপ্রেক্ষিতত যিটো গণতান্ত্রিক আন্দোলনর প্রক্রিয়া গঢ়ি উঠিছে—সেই সন্দর্ভত চরকারে যিটো আরশ্যকীয় ভূমিকা গ্রহণ করিব লাগিছিল—সেইটো নকরার বাবে আজি কার্বি আংলং আরু উত্তর কাছার জিলার মাজত এটা অতি ভয়াবহ রূপ ধারণ করিছে। আপোনালোকে শুনি আচরিত হব যে কার্বি আংলং আরু উত্তর কাছার জিলাত আজি এ, এচ, ডি চি'য়ে আন্দোলনর ভূমিকা ল�ৈ রাইজক যি হারাশাস্তি করিছে—সেই হারাশাস্তি অব্যাহত আছে আজিও শেষ হোরা নাই। ষষ্ঠ অনুসূচী মতে যিটো ক্ষমতা কার্বি আংলং জিলাত প্রদান করিব লাগিছিল সেইটোও করা হোরা নাই। কংগ্রেছর নেতাই আজি যি ধরণে সাধারণ রাইজক হারাশাস্তি করি আছে সেইটো নিশ্চয় চরকারে জানে। ইয়ার পরিপ্রেক্ষিতত মই কব বিচারিছো যে আজি অসমত যিটো আলফা আদি করি নানা সন্ত্রাসবাদর সৃষ্টি হৈছে—ঠিক তেনেকৈ পাহাৰীয়া জনগোষ্ঠীর কারণেও তেনে সমস্যাই সৃষ্টি হব ধরিছে আরু

*Speech not Corrected

এই সমস্যা সমাধানৰ কাৰণে চৰকাৰে যিটো ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল—সেই কথা ৰাজ্যপালৰ ভাষণত প্ৰকাশ কৰা নাই।

এইখিনিতে এটা উল্লেখ কৰিব লগা হৈছে যে—অসম তথা কাৰ্বি আংলংৰ কাৰণে যিটো অতি প্ৰয়োজনীয় সম্পদ—সেইটো হৈছে বিদ্যুত। এই বিদ্যুত বিশেষকৈ কাৰ্বিলাংপী যিটো বিদ্যুত প্ৰকল্প এই বিদ্যুত প্ৰকল্পটো ব্যক্তিগত খণ্ডলৈ ৰূপান্তৰিত কৰাটো অতি গুৰুত্বপূৰ্ণ কথা। এই চলন্ত বিদ্যুত প্ৰকল্পটো জিলা কাউন্সিলৰ জৰিয়তে কাৰ্বি আংলং ৰাইজে যিটো আশা কৰিছিল—সেই আশা ধূলিসাত কৰি পেলাইছে। এই ক্ষেত্ৰত অসম চৰকাৰে কাৰ্বি আংলং ৰাইজ বা জিলা পৰিষদৰ লগত কোনো ধৰণৰ আলোচনা নকৰি বিদ্যুত প্ৰকল্পটো ব্যক্তিগত খণ্ডলৈ ৰূপান্তৰিত কৰিছে। তাৰ প্ৰতিবাদ কল্পে আজি কাৰ্বি আংলং জিলাত ১২ ঘণ্টীয়া বন্ধ চলিছে। এই কথা স্পষ্ট কৰি নিদিয়ে তেতিয়াহলে কাৰ্বি আংলং-আক উত্তৰ কাছাৰ জিলাই একেবাহে প্ৰতিবাদ কৰি যাব। অন্যহাতে শিক্ষাৰ ক্ষেত্ৰত কাৰ্বি আংলংৰ বাবে যিখিনি কথা উল্লেখ কৰিব লাগিছিল—সেইখিনি কৰা নাই। এই ক্ষেত্ৰত কাৰ্বি আংলংৰ শিক্ষাৰ বাবে কলেজ সমূহত যিবিলাক সা-সুবিধা দিব লাগিছিল সেইবিলাকৰ কথা ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই—যাৰ ফলত আজি ৰাজ্যপালৰ ভাষণটো বিৰোধীতা কৰিব লগা হোৱাত এইখিনি কথা কবলৈ বাধ্য। কিন্তু স্কুল, কলেজ সমূহৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা ৰাজ্যপালৰ ভাষণত লোৱাৰ প্ৰয়োজন আছিল—সেইখিনি লোৱা হোৱা নাই। চৰকাৰৰ যিটো আশ্বাস এই সন্দৰ্ভত আছিল—সেইটো এতিয়ালৈকে স্পষ্ট ভাবে ৰূপায়ণ কৰা দেখা নগল। ঠিক তেনেকৈ যিবিলাক নাগৰিক গাঁওঁ এলেকাত বসবাস কৰি আছে—তেওঁলোকৰ উন্নয়ণৰ ক্ষেত্ৰত কব পাৰি যে অসম চৰকাৰে উন্নয়ণ কৰিম বুলি জিলা পৰিষদক ৩০ টা বিভাগ হস্তান্তৰ কৰাৰ কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে প্ৰকাশ কৰিছিল—কিন্তু কাৰ্য্যক্ষেত্ৰত এইটো ফলৱতী কৰা দেখা নগল। যাৰ বাবে কাৰ্বি আংলং ৰাইজৰ কাৰণে বিভিন্ন অভাৱ অভিযোগ বাঢ়ি গৈ আছে। শিক্ষা বিভাগৰ ক্ষেত্ৰত আমাৰ কাৰ্বি আংলং জিলাত প্ৰাথমিক শিক্ষাৰ স্তৰতে ৰাজ্য চৰকাৰৰ ফালৰ পৰা ১২ কোটি টকা টকা দিব লগা আছিল। এই টকা এতিয়াও দিয়া হোৱা নাই। তদুপৰি কাৰ্বি আংলংৰ কাৰণে ৮ কোটি টকা যিটো দেখুৱাইছে—সেইখিনি ধনো এতিয়ালৈকে পোৱা হোৱা নাই। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ধনখিনি দিয়াৰ বাবেও কোনো পদক্ষেপ লোৱা দেখা নগল। গতিকে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত

*Speech not Corrected

মই এইটো স্পষ্ট ভাবে কব বিচাৰিছো যে স্বায়ত্ত শাসনৰ যিটো প্ৰক্ৰিয়া সংবিধানৰ ২৪৪ (ক) ধাৰামতে আমাৰ এই দাবী সংবিধান সম্মত। এই দাবী যেতিয়ালৈকে পুৰণ নহয়—তেতিয়ালৈকে আমাৰ আন্দোলন অব্যাহত থাকিব। মই দুখ পাইছো যে—ৰাজ্যপালৰ ভাষণত এই বিষয়ে কোনো স্পষ্ট ইঙ্গিত দিয়া নাই। মই সকলো ৰাইজকে আন্দোলনৰ বাবে আহ্বান জনাইছো। অসমৰ খিলঞ্জীয়া মানুহৰ স্বায়ত্ত শাসনৰ দাবী যাতে বাস্তৱত ৰূপায়ণ কৰিব পাৰি—তাৰ বাবে আগবাঢ়ি আহিব।

শ্ৰীভৃগুকুমাৰ ফুকন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত শাসকীয় দলৰ ফালৰ পৰা ধন্যবাদ সূচক প্ৰস্তাৱ উৎথাপন কৰিছে। সেই প্ৰস্তাৱত মই বিৰোধীতা কৰি মোৰ বক্তব্য দাঙি ধৰিব খুজিছো। প্ৰথম কথা হ'ল—চলিত বাজেট অধিবেশনত যিটো ৰাজ্যপালৰ ভাষণ সদনত দাঙি ধৰা হ'ল, সেই ভাষণে অসমৰ জনসাধাৰণৰ মনত একো নতুন আশাৰ সঞ্চাৰ কৰিব পৰা নাই। ৰাজ্যপালৰ ভাষণত এইটোৱেই উপলব্ধি হৈছে যে এই ভাষণত কোনো নতুনত্ব নাই আৰু কোনো নতুন আশাৰ ইংগিত নাই। এই চৰকাৰৰ দিনৰ শাসন কালত যিবিলাক কাৰ্য্যকলাপ চলি আছে আৰু চৰকাৰে যিবিলাক অন্যায় অবিচাৰ কৰি আছে সেইবিলাক ঢাকি ৰাখিব বিচৰা হৈছে। সেইবিলাক ইয়াত প্ৰতিফলিত নহল। ৰাজ্যপালৰ ভাষণত আইন শৃংখলা পৰিস্থিতিৰ কথা ভাষণৰ আৰম্ভণীতে উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, ভাষণত উল্লেখ কৰা মতে অসমৰ আইন শৃংখলা পৰিস্থিতিৰ যিটো স্বাভাৱিক অৱস্থা বুলি কৈছে, সেইটো এটি ৫ বছৰীয়া শিশুৱেও বিশ্বাস কৰিবলৈ টান পাব। আনকি যি সকল বিধায়ক চৰকাৰ পক্ষত আছে তেখেত সকলৰ নিজৰ বিবেকক সুধি চালেও সেই বিবেকে কোনো দিনে এই কথা বিশ্বাস কৰিবলৈ টান পাব। কিয়নো, আজিৰ দিনত দিন দুপৰতে যিমান বিলাক হত্যা-কাণ্ড, লুণ্ঠন, অপসৰণ ইত্যাদি কাৰ্য্য বিলাক চলি আছে সেইবিলাকৰ দমনৰ আৰু নিৰ্ম্মুলকৰণৰ ক্ষেত্ৰত চৰকাৰ অসহায় অৱস্থাত নিৰ্ব্বিকাৰ দৰ্শকৰ ভূমিকা লৈ আছে। অলপতে টাটা টি কোম্পানীৰ বিষয়াজনক হত্যা কৰিলে। সেই হত্যাকাণ্ডৰ আমি তীব্ৰ-ভাবে গৰিহণা দিছো। কিন্তু হত্যাকাণ্ডৰ সুযোগলৈ বা আলম লৈ সদৌ অসম ছাত্ৰ সন্থাৰ যি পাঁচজন সদস্যক নিৰ্ম্মমভাবে হত্যা কৰিলে তাকো আমি তীব্ৰ-ভাবে গৰিহণা দিব লাগিব। সামৰিক বাহিনীৰ ৰিপোৰ্ট'ত কৈছে যে "এনকাউণ্টা-ৰত" সেই পাঁচজন ল'ৰাৰ মৃত্যু হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব খুজিছো—প্ৰকৃততে যদি সেই ল'ৰা পাঁচজনৰ "এনকাউণ্টাৰত" মৃত্যু

হৈছে তেতিয়াহলে তেওঁলোকৰ নখ, জিভা, চকু কোনে কাঢ়ি নিলে ? এতিয়া আকৌ চৰকাৰী পক্ষৰ বা শাসক দলৰ মন্ত্ৰী-বিধায়ক সকলৰ এটা অভ্যাসত পৰিণত হৈছে যে এ, জি, পিৰ শাসন কালৰ সময়ত কিমান হত্যাকাণ্ড হৈছিল, কিমান লুণ্ঠন হৈছিল, সেইবিলাকহে তথ্য দাঙি ধৰিবলৈ বিচাৰে। অৱশ্যে মই নকওঁ যে আমাৰ সময়তো এনে বিক্ষিপ্ত ঘটনা হৈছিল কিন্তু আমি তাক বোধ কৰিবলৈ চেষ্টা কৰিছিলো। আমি কোনো দিনে উচতাই দিয়া নাছিলো। বহুতে কোৱাৰ দৰে আলফাৰ লগত আমাৰ কোনো ধৰণৰ সম্পৰ্ক স্থাপন হোৱা নাছিল। যদি কোনোবাই আলফাৰ লগত আমাৰ এনে সম্পৰ্ক গঢ়ি উঠিছিল বুলি প্ৰমাণ কৰিব পাৰে তেতিয়াহলে আমি যিকোনো শাস্তি লবলৈ প্ৰস্তুত আছো। অথচ, আজি আমি কি দেখিছো, কিছুমান যুৱকে আজি কালি অস্ত্ৰ-সস্ত্ৰ লৈ লৈ ঘুৰি ফুৰিছে। আগৰ চৰকাৰৰ দিনত সন্ধ্যা ৫ বজাৰ পিচত মানুহ ওলাব নোৱাৰে বুলি আপোনালোকে কৈ ফুৰিছে কিন্তু আজি কি ঘটিছে সন্ধিয়া ৫ বজাৰ কথা বাদেই দিন দুপৰতে মানুহ ঘৰত থাকিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। আনকি দিন দুপৰতে নিৰাপত্তা নোহোৱা হৈছে। এই নিৰাপত্তা কোনে দিব ? এই নিৰাপত্তা চৰকাৰে দিব নালাগে জানো। গতিকে অসমত যি সন্ত্ৰাসবাদ এতিয়া পূৰ্ণগতিত চলি আছে তাক বন্ধ কৰিবৰ কাৰণে অকল চৰকাৰী পক্ষৰ ওপৰতেই নিৰ্ভৰ কৰিলে নহব, শাসক দলে অকলে এই ভয়ানক সমস্যা সমাধান কৰিব নোৱাৰে। এই সমস্যা সমাধানৰ কাৰণে সকলো দলৰ ফালৰ পৰা উমৈহতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। আজি যিটো সমস্যাই আমাৰ ৰাজ্যখনত দেখা দিছে এইটো আজিৰ সমস্যা নহয় ই বহুদিনৰ পৰা চলি অহা এটা পুঞ্জিভূত সমস্যা। স্বাধীনতাৰ পিচৰে পৰা অসমৰ মানুহৰ মনত পুঞ্জীভূত হৈ থকা ক্ষোভ প্ৰকাশ পাইছে বিভিন্ন ৰূপত। আমাৰ ৰাজ্যখন আজি প্ৰচুৰ সম্পদৰ মাজত আছো, চাহ, তেল, কয়লা ইত্যাদি প্ৰচুৰ সম্পদ আমাৰ ৰাজ্যখনত আছে কিন্তু এই সম্পদৰ দ্বাৰা আমাৰ ৰাজ্যৰ মানুহ খিনিৰ যি দৰে কল্যাণ হব লাগিছিল বা ৰাজ্যখনৰ উন্নতি হব লাগিছিল সেইটো হৈ নুঠিল। সেই কাৰণেই এচাম যুৱকে ক্ষোভ আৰু হতাশাৰ বলি হৈ বিদ্ৰোহী হৈ উঠিছে। অসমৰ কয়লা আৰু তেল চাহপাত ইত্যাদি বাহিৰলৈ যে যাব নালাগে সেইটো আমি কোৱা নাই, কিন্তু আমি এইটোও বিচৰা নাই যে আমি চিৰদিনেই দিল্লীৰ ওচৰত আঠু লৈ থাকিম আৰু দিল্লীলৈ আমাৰ ভাগ্য গঢ়িবলৈ বাট চাই থাকিম। দিল্লীৰ ইচ্ছা অনিচ্ছাৰ ওপৰত আমি নিৰ্ভৰশীল হৈ থাকিম সেইটো আমি বিচৰা নাই আৰু অসমৰ জনসাধাৰণে বিচৰা নাই। গতিকে অসমৰ আজি যিটো সমস্যা সেইটো ৰাজ-

নৈতিক আৰু অর্থনৈতিক দিশৰ ফালৰ পৰা ভালদৰে জুকিয়াই চোৱা উচিত। তাৰোপৰি অসমৰ যুবক সকলৰ চাকৰি বাকৰি সংস্থাপনৰ বেলিকা নানা ধৰণৰ আহুকাল আহি পৰিল, গতিকে তেওঁলোক ক্ষোভ আৰু হাতাশাত জর্জ্জৰিত হৈ পৰিছে। গতিকে বন্দুকৰ গুলিৰে এই যুৱচামক হত্যা কৰি সমস্যা সমাধান নহয়। এই ক্ষেত্ৰত ভাই-ককাইৰ বিচাৰ কৰা হোৱা নাই। বর্ত্তমান বাতৰি কাকতৰ পাট লুটিয়ালে দেখিব প্ৰতি দিনেই অমুকত গুলিয়াই হত্যা কৰা হৈছে, তমুকত লুণ্ঠন হৈছে অপহৰণ হৈছে ইত্যাদি সাধাৰণ ঘটনাৰ দৰে হৈ পৰিছে। ইতিপূৰ্ব্বে অসমৰ জনসাধাৰণৰ বুকুৰেদি বহুবাৰ বন্দুকৰ গুলি পাৰ হৈ গৈছে কিন্তু কোনো দিনেই সসস্ত্ৰ বাহিনীৰ গুলিলৈ ভয় কৰি অসমৰ ৰাইজ সৈমান হোৱা নাই বা আপোচত অহা নাই। গতিকে বন্দুকৰ গুলিৰে সমস্যা সমাধান কৰাতো সহজ-সাধ্য নহয়। এতিয়াও অসমৰ জনসাধাৰণে নিজৰ বুকুয়েদি বন্দুকৰ গুলি পাৰ হৈ যাব বুলি শংকা বোধ নকৰে আৰু আপোচ নকৰে। এতিয়া আকৌ পাঞ্জাৰ কামাণ্ডো বাহিনী আনি অসমৰ অগ্নিগর্ভ। সমস্যা সমাধান কৰিব বিচাৰিছে, হত্যাকাণ্ড সংঘটিত কৰি সমস্যা সমাধান কৰাতো সহজ সাধ্য নহয়।

অধ্যক্ষ মহোদয়, সেইকাৰণেই মই কৈছো আপোনালোকে ৰাজনৈতিক দৃষ্টিভংগী গ্ৰহণ কৰক। আলফাৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা অৱলম্বন কৰা হৈছে, সেই ব্যৱস্থাই অসমৰ পৰিস্থিতিক অনিশ্চয়তাৰ মাজলৈ লৈ গৈছে। অসমক যি সকলে ভাল পাই, যিসকলে অসমৰ উন্নতি কামনা কৰে, সেইসকল আজি অসমৰ ভবিষ্যতৰ কাৰণে সন্দিহান। যদি তেনে কোনো এজন মানুহক যদি সোধা হয় তেওঁ অসমৰ ভৱিষ্যৎ সম্পৰ্কে সন্দিহান হয়নে, তেতিয়া কোনো এজনেও সন্দিহান নহয় বুলি নকব। সেইকাৰণে চৰকাৰে গভীৰভাবে চিন্তা কৰাৰ সময় আহি পৰিছে। মই পুনৰবাৰ কৈছো যে, কোনো এটা হত্যাকাণ্ডৰ প্ৰত্যুত্তৰত আন এটা হত্যাকাণ্ড কৰিলে সন্ত্ৰাসবাদী কার্য্য কেতিয়াও নকমে। অধ্যক্ষ মহোদয়, হিংসাই হিংসা মাতি আনে। আলফা দমনৰ নামত চৰকাৰে যি নিৰীহ, নিৰপৰাধী মানুহক হত্যাকৰিছে সেই হত্যাকাণ্ডই পৰিস্থিতি কেতিয়াও আয়ত্বলৈ আনিব নোৱাৰে। আজি যি নিৰপৰাধী মানুহৰ ওপৰত জঘন্য অত্যাচাৰ আৰম্ভ হৈছে, তাৰ প্ৰতিবাদ কৰিব লাগে। আজি তিনিচুকীয়া, তুলীয়াজান, ডুমডুমা, নগাওঁ আদি অঞ্চলত নিৰীহ মানুহৰ ওপৰত নানা অত্যাচাৰ চলিছে। ৮০ বছৰ বয়ষীয়া বৃদ্ধক টাডাত গ্ৰেপ্তাৰ কৰিছে। অধ্যক্ষ মহোদয়, আলফাই স্বাধীন অসমৰ বাবে সংগ্ৰামৰ দাবী তুলিছে। কিন্তু এই বৃদ্ধজনেতো সশস্ত্ৰ সংগ্ৰামৰ দাবী তোলা নাই, তেওঁটো এ, কে, ৪৭ ৰাইফল লৈ ওলোৱা নাই। কি কাৰণে

এই বৃদ্ধজনক নানা অত্যাচাৰ চলোৱা হৈছে। আজি সমাজৰ বয়োজেষ্ঠজন আৰ্মিৰ হাতত অপমানিত হব লগীয়া হৈছে। সমাজৰ বয়ষষ্ঠ লোকৰ গালত আৰ্মিয়ে চৰ সোধাইছে। মই চৰকাৰক অনুৰোধ জনাইছো এই বিলাক বন্ধ কৰিব লাগে। প্ৰতিশোধ পৰায়ণ মনোভাৱেৰে কোনো সমস্যাৰ সমাধান নকৰে। অসম গণ পৰিষদ চৰকাৰৰ দিনত যিবিলাক ঘটনা ঘটিছিল, সেইবিলাকৰ বিচাৰ হব লাগে বুলি আমি তেতিয়া কৈছিলো। আপোনালোকেও তেতিয়া বিৰোধী দল হিচাপে আমাক সমালোচনা কৰিছিলে। অসম গণ পৰিষদ চৰকাৰৰ পাঁচ বছৰীয়া শাসন কালত অসমত যি পৰিস্থিতি আছিল, আজি যে অসমৰ পৰিস্থিতি তাতকৈ অধিক বেয়া হৈ পৰিছে সেই কথা আপোনালোকে স্বীকাৰ নকৰিলেও অসমৰ বাইজে স্বীকাৰ কৰিব। আজি আৰক্ষী বিভাগৰ মানুহৰেই নিৰাপত্তা নোহোৱা অৱস্থা হৈছে। আজি থানাত বোমা বিস্ফোৰণ ঘটাই আৰক্ষী লোকক হত্যা কৰা হৈছে। আমাৰ চৰকাৰৰ শাসন কালত ৫০০ আলফাৰ যুৱকক আৰক্ষী বিভাগত নিযুক্তি দিয়া হৈছে বুলি অসত্য অভিযোগ আনিছিল। গহপুৰ থানাত গৃহৰক্ষী বাহিনীৰ এজন লোকৰ সহযোগত বোমাবিস্ফোৰণ ঘটাই থানাৰ বিষয়াজনক মৃত্যুঘটোৱা সেই গৃহৰক্ষী জনক নিযুক্তি দিছিলে কোনে। এই বিলাক কথা চালি জাৰি চোৱাৰ প্ৰয়োজন হৈছে। অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণ সম্পৰ্কে ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে, অসম চুক্তি দফা সমূহ ৰূপায়ণৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আই, আইটি আৰু শোধনাগাৰৰ ক্ষেত্ৰতো বিশেষ অগ্ৰগতি পৰিলক্ষিত হোৱা নাই। আমাৰ চৰকাৰৰ ৫ বছৰ শাসন কালত অসমচুক্তি ৰূপায়ণৰ বাবে আমি বহুখিনি চেষ্টা কৰিছিলো, কিন্তু সেই সময়ত দিল্লীৰ কংগ্ৰেচ (আই) চৰকাৰে আমাৰ লগত ভাল দৰে সহযোগ নকৰাৰ বাবে আমি বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাছিলো। এতিয়া আপোনালোকৰ নিজৰে চৰকাৰ দিল্লীত আছে গতিকে আপোনালোকে কিয় কৰিব পৰা নাই। অসমৰ উদ্যোগ ক্ষেত্ৰৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। আজি এটা কথা কব লাগিব যে উদ্যোগ বুলি অসমত একোৱেই নাই। উদ্যোগ বিভাগে অসমৰ প্ৰতিটো উদ্যোগ ব্যক্তিগত খণ্ডক বিক্ৰী কৰি পেলাইছে। এখন চৰকাৰে যদি এটা উদ্যোগ চলাব নোৱাৰে, এজন ব্যক্তিয়ে কেনেকৈ চলাব। আৰু এই উদ্যোগ বিলাক বিক্ৰী কৰাৰ অধিকাৰ চৰকাৰে ক'ৰ পৰা পালে। অসমৰ বাইজৰ গাঠিৰ ধনেৰে, বুকুৰ তেজেৰে গঢ়ি তোলা উদ্যোগ এটা ব্যক্তিগত খণ্ডত বিক্ৰী-

কবাব অধিকাব আমাব কাবো নাই। আজি অসমত উন্নয়ণ মূলক কাম বুলিবলৈ একোৱেই হোৱা নাই। চন্দন সবকাবে কৈছে যে তেওঁব সমষ্টিত বহুত কাম হৈছে। তেওঁব সমষ্টিত কাম হৈছে আমি ভাল পাইছো কিন্তু এটা সমষ্টিত কাম হ'ল বুলিয়ে গোটেই বাজ্যখনতে হোৱাটো নুবুজাই। চবকাবে কাম কাজ বিলাকত বৈষ্যম মুলক নীতি গ্রহন কবিছে। স্কুল চবকাবীকবণব ক্ষেত্রত চবকাবে সকলো বিধায়কব পবা ১২ খনকৈ স্কুলব তালিকা বিচা— বিছিল। আমি সকলোৱে তালিকা দিছিলো। কিন্তু বিবোধী সদস্যসকলক ১২ খনকৈ দিলে কিন্তু শাসক দলব সদস্যা সকলব ক্ষেত্রত ৩৩/৪০ খনকৈ হ'ল গৈ (ভইচ চেম চেম)। অধ্যক্ষ মহোদয় আক এটা গুৰুত্বপূর্ণ কথা হৈছে, অনুপ্রবেশকাবীব সমস্যা। অসমত অনুপ্রবেশকাবীব সমস্যাই ভয়াবহ বূপ ধাবণ কবিছে। এইটো ভাবত চবকাবব গৃহ মন্ত্রণালয়ও স্বীকাব কবিছে আক উদ্বেগ প্রকাশ কবিছে। কিন্তু আমাব অসম চবকাবব ইয়াত কবিব লগীয়া একো নাই। অধ্যক্ষ মহোদয় অসমব ভবিষ্যতব কাবণে অসমব ভালব কাবণে চিন্তা কবিবলৈ হলে এই বিষয়ত চবকাবে ব্যবস্থা লব লাগিব। অধ্যক্ষ মহোদয় বাজ্যপালব ভাষণত আক এটা ভয়ানক বিপদব ইংগিত দিছে যে পাকি— স্থানব চোবাংচোৱা বিভাগে অসমত অনুপ্রবেশ কবিছে। এই কথা বহুত দিন আগতে কোৱা হৈছিল কিন্তু অসম চবকাবে তাক স্বীকাব কবিবলৈ টান পাইছিল। আজি পাকিস্থানব চোবাংচোৱা বিভাগে অসমত প্রবেশ কবাব বাবে আলফাক জগবীয়া কবা হৈছে আক চবকাবে উদ্বেগ প্রকাশ কবিছে। ইয়াবদ্বাবা সমস্যাব সমাধান হব নোৱাবে। পাকিস্থানব চোবাংচোৱা বিভাগে অসমত যদি কিবা কূটাঘাট মুলক ঘটনা সংঘটিত কবে তেনেহলে তাব দায়িত্ব চবকাবে মুবপাতি লবনে? অসম চবকাবে ভূটানত পাকিস্থানব চোবাংচোৱা বিভাগে ঘাটি স্থাপনকবাব খবব পাই কিন্তু অসমত ঘাটি স্থাপন কবাব খববনাপায়।

অধ্যক্ষ মহোদয়, আমি কথা বিলাক কওঁতে ব্যক্তিগতভাবে কোৱা বুলি ভাবিব নালাগে। কিন্তু যিবিলাত কথা নকলে নহয়, আমি নিশ্চয় কব লাগিব। আজি আমাব অসমত ভয়াবহ সমস্যাব সৃষ্টি হৈছে। এই সমস্যা সমাধানব বাবে আমি বিবোধী দলবোৱে গণতান্ত্রিক কার্য্য পদ্ধতি হাতত হৈছো। বিভিন্ন সময়ত আলোচনা কবা হৈছে, কার্য্যসূচী হাতত লোৱা লৈছে। কিন্তু তেনেকুৱা এটা অবস্থাত মুখ্যমন্ত্রীব দবে দায়িত্বশীল ব্যক্তি এগবাকীয়ে দবকাব হলে বিবোধী দল বিলাকে কেমাইলো খাব ধবণব মন্তব্য ঠিক হোৱা নাই। মই ভাবো মুখ্যমন্ত্রীব মুখত এনেকুৱা অশালীন মন্তব্য শোভা নাপায়। এইজনেই

প্রথম আৰু শেষ মুখ্যমন্ত্রী হব যিজনে এনেকুৱা মন্তব্য দিব পাৰে। অধ্যক্ষ মহোদয়, মই আন এটা বিভাগৰ কথা কবলৈ বিচাৰিছো সেইটো হ'ল বন বিভাগ। আমাৰ মাননীয় সদস্য শ্রীযতীন মালী ডাঙৰীয়াই বন বিভাগৰ কথা কৈছে। গছ কাটি নিশেষ কৰি পেলাইছে। এ জি পি চৰকাৰে গছ কটা বন্ধ কৰি দিছিল। এতিয়া গছ কটা পাৰ্মিট দিয়া হৈছে। যিসকলক গছ কটা পাৰ্মিট দিয়া হৈছে সেই সকলে এতিয়া গছ কাটি খাস্তাং কৰি দিছে। অধ্যক্ষ মহোদয় মোৰ হাতত এখন চিঠি আছে, চিঠিখন মই মুখ্যমন্ত্রী মহোদয়ক দিম। তেখেতে এই বিষয়ে ব্যৱস্থা লব। চিঠিখন পঢ়ি দিছো—

মাননীয় অধ্যক্ষ : চিঠিখন মোক দিয়ক। ইয়াত পঢ়ি দিব নালাগে। ইয়াত পঢ়াৰ আৱশ্যক নাই।

শ্রীভৃগু কুমাৰ ফুকন : অধ্যক্ষ মহোদয় মই চিঠিখন পঢ়ি দিছো— "গোপনীয় : লাউখোৱা অভয়াৰণ্যত গৰাজান আঞ্চলিক বেঞ্জাৰ শ্রীৰফিকুল ইছলামে কিছুমান দুৰ্বৃত্তৰ দ্বাৰাই লালুংগাওঁ/তেতেৱীপাৰ/শিঙিমাৰি বাগানৰ মূল্যবান গছ কটাই বাগান একে বাৰে ধ্বংস কৰাত জুৰীয়াৰ ছাত্র কেইজনে বেঞ্জাৰক বাধা দিয়াত উক্ত বেঞ্জাৰে ষড়যন্ত্র কৰি তাৰ দুৰ্বৃত্তৰ দ্বাৰাই ছাত্রসকলক অফিচৰ পৰা ফুচুলাই পুটালজাৰ গাওঁত নি ৮/৩/৯৪ তাৰিখে ছাত্র এজনক হত্যা কৰে আৰু বাকী বিলাকক গুৰুতৰ জখম কৰে। বেঞ্জাৰৰ পোহনীয়া দুৰ্বৃত্ত সকলৰ নাম—১ আজু সামুহিক বস্তুৰা—শিঙিমাৰী ২/মালেক সামুহিক বস্তুৰা, শিঙিমাৰী ৩/ মহম্মদ সামুহিক বস্তুৰা ৰোমাৰী ৪/কালাম পিতা মৃত আফাজ উদ্দিন লালুংগাওঁ ৫/ জাকিৰ-পিতা নুকল ইছলাম, লালুংগাওঁ ৬/হাতেমআলী পিতা-মৃত ফৰমান আলি লালুংগাওঁ, আৰু আছে। মৌজা জুৰীয়া জিলা—নগাওঁ (অসম)।" ইয়াত যিকেইজন দুৰ্বৃত্তৰ নাম আছে সেই সকলৰ বিৰুদ্ধে অনুসন্ধান নিশ্চয় কৰিব বুলি মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালো। তাত যিটো অৱস্থাৰ সৃষ্টি হ'ল সেই অৱস্থাৰ অৱসান ঘটোৱাৰ কাৰণে আপোনালোক আগুৱাই আহক। মই আপোনালোকক অনুৰোধ কৰিছো, আপোনালোকে যেন পৰিস্থিতি ঢাকি ৰাখিবলৈ চেষ্টা নকৰে। যিমানেই গাপ দি ৰাখিবলৈ চেষ্টা কৰিব সিমানেই পৰিস্থিতি গুৰুতৰ হব। আপোনালোকে অসমৰ মানুহৰ সদায় মুখ বন্ধ ৰাখিব নোৱাৰে। আপোনালোকৰ কাৰ্য কলাপত অসমৰ মানুহ অতিষ্ঠ হৈ পৰিছে একোটা চাকৰিৰ কাৰণে আজি একোটা পৰিয়াল ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হৈছে মোৰ সমষ্টিয়ে এজন লোকে চাকৰিৰ কাৰণে ৩০ হাজাৰ টকা দিবলৈ নিজৰ ঘৰৰ হালুৰা আৰু মাটি বিক্রী কৰি পৰিয়ালটো সৰ্বশ্রান্ত হৈ পৰিছে। সেই পৰিয়ালটোৰ চকুপানী নিশ্চয় আপোনালোকৰ আমাৰ কাৰণে

অভিশাপ হব। চাকৰিব দাম ৩০/৪০/৫০ হাজাব টকা পালে। এ পি এছ চিব পৰীক্ষা দিয়া মানুহে নিযুক্তি পায়। যদি এনে পৰিস্থিতি সহ্য কিন আৰু চলি থাকে তেনেহলে আপোনালোকে আৰু শাসনৰ গাদিত বেছি দিন থাকিব নোৱাৰিব। অসমৰ বাইজ ওলাই আহিব। এইখিনি কৈয়ে মোৰ বক্তব্য সামৰিছোঁ।

মাননীয় অধ্যক্ষ: এতিয়া মাননীয় সদস্য শ্রীলক্ষী প্রসাদ বৰগোহাই ভাঙৰীয়াই কওঁক।

*শ্রীলক্ষী প্রসাদ বৰগোহাঁই: অধ্যক্ষ মহোদয়, আজি মই এই সদনত আমাৰ মাননীয় সদস্য মুজিবুৰ বহমান ভাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ সমর্থনত যি প্রস্তাব দাঙি ধৰিছে সেই প্রস্তাবৰ আমি আন্তৰিকতাৰে সমর্থন জনাইছো। (ভইচ-বিৰোধিতাহে কৰিব লাগিছিল)। সচাঁ কথা বিৰোধীতা কৰিব নোৱাৰো। মাননীয় অধ্যক্ষ: আপোনালোকে ইণ্টাৰপছন নকৰিব। অলপ আগতে মই ইণ্টাৰপছন নকৰিবলৈ কৈছো।

*শ্রীলক্ষী প্রসাদ বৰগোহাই: ৰাজ্যপালৰ ভাষণত যি ভৱিষ্যৎৰ ইংগিত ইয়াত দিয়া হৈছে, সঁচাকৈয়ে অসম চৰকাৰৰ গত বছৰ আৰু ভবিষ্যৎৰ কাৰণে যিখিনি আঁচনি লোৱা হৈছে সেইবিলাক সচাঁকৈ ঠিক হৈছে। আমি তাৰ্য্যৰ মানিছো। আজি কিছুমান সদস্যই এই ভাষণত সম্পূর্ণ মিছা কথা বুলি কৈছে। এই ভাষণখন পাঠ কৰাৰ সময় বিৰোধী পক্ষই সভা কক্ষ ত্যাগ কৰিছিল। কোনো সঁচা কথা এখন চৰকাৰৰ সম্মুখত ৰাজ্যপালে উনুকিয়াটো বৰ তাৰ্য্যৰ মানিব লগীয়া কথা। আজি আমাৰ চৰকাৰে কিছুমান কথা নিজে স্বীকাৰ কৰিছে। যে আজি দুমাহ মানৰ পৰা ৰাজ্যৰ আইন শৃংখলা কিছু বিঘ্নিত হৈছে। অন্য আগৰ চৰকাৰ যিবিলাক আছিল সেই চৰকাৰে এইবিলাক মনে মনে লুকাই ৰাখিছিল। আজি আমাৰ চৰকাৰে লুকধাক নোহোৱাকৈ সকলোৰে আগতে লিখিত ভাৱে কৈ দিছে। আৰু বাকী বিলাক যিবিলাক কথা কৈছে সেই-বিলাক সম্পূর্ণ সঁচা কথা আজি আপোনালোকে আইন শৃংখলা দেখিছে। আমাৰ চৰকাৰে শাসন ভাৰ লোৱাৰ প্রাক মূহুর্ত্তত বা শাসন ভাৰ লোৱাৰ সময়ত বা পিছৰ পৰা আইন শৃংখলা পৰিস্থিতি তেতিয়াও নিশ্চয় হৈছিল। সেইটো সঁচাকৈ ভাবিবলগীয়া কথা। আগৰ পাঁচ টা আৰু তাৰ আগৰ প্রায় ৬ টা বছৰ অশেষ চেষ্টা কৰি প্রায় ১২ বছৰ ধৰি অসমৰ আই শৃংখলা নি:শেষ কৰিবৰ কাৰণে তেতিয়া তৎপৰ হৈ পৰিছিল সেই যত্নৰ ফল স্বৰূপে আজি অসমৰ

*Speech not Corrected

অৱস্থা লাভ কৰিছিল আমাৰ চৰকাৰে শাসনভাৰ লোৱাৰ সময়ত। আজি এই উত্তপ্ত পৰিস্থিতি আমাৰ চৰকাৰে ৩ বছৰ নোওৱাতেই আঢ়ৈ বছৰত যি ধৰণে চম্ভালিছে আচলতে আমাৰ চৰকাৰক বাঃ বাঃ দিব লাগিছিল। ৰাজ্যপালৰ ভাষণত এইখিনি কথা সচাঁকৈয়ে স্পষ্টভাৱে কৈছিল। ৰাজ্যপালক এই কাৰণে আমি ধন্যবাদ দিব লাগে। আজি আমাৰ মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াই কৈছে যে আজি অসমৰ আই শৃংখলা ৰক্ষা কৰিবলৈ পঞ্জাৰৰ পৰা কমাণ্ডো বাহিনী কিয় আনিবলগীয়া হৈছে? তেখেতে কৈছে পঞ্জাৰৰ কমাণ্ডো বাহিনীৰ দ্বাৰা অসমৰ হাজাৰ হাজাৰ লোকক হত্যা কৰিবলৈ চেষ্টা কৰা হৈছে। এইটো মিছা কথা। কাকো হত্যা কৰিবলৈ পঞ্জাৰৰ কমাণ্ডোৰ ৩০ টা বাহিনী আনিবলৈ বিচৰা নাই। ইয়ালৈ মানুহ হত্যা কৰিবলৈ নহয় দুস্কৃতিকাৰী দমন কৰিলৈহে অনা হৈছে। মানুহ মানুহৰ ৰূপ ললেই মানুহ হব নোৱাৰে, মানুহৰ চৰিত্ৰ থাকিব লাগিব। মানবীয় চৰিত্ৰ যদি নাথাকে সেই মানুহ পশু তুল্য হয়। এনে পশু নিঃশেষ কৰিবৰ কাৰণে শক্তি লাগিবই। আমাৰ শাস্ত্ৰত এই কথা কৈছে। দুষ্টক দমন কৰাৰ কাৰণে আমাৰ বিভিন্ন কামাণ্ডো অনা হৈছে। আমাৰ চৰকাৰেও দুস্কৃতিকাৰী সকলক প্ৰকৃত মানুহ কৰিবলৈ চাইছে। চেষ্টা কৰিলে প্ৰকৃত মানুহ হব পাৰে।

তেওঁলোকক সংস্থাপিত কৰিব পাৰিলে ভাল ৰাস্তা দেখু�ৱাব পাৰিলে তেওঁলোক ভাল হব পাৰে। কাৰণ ৰত্নাকৰো বাল্মিকী হৈছিল। দুষ্ট সকলক সুপথে পৰিচালিত কৰিব পাৰিলে তেওঁলোক কিয় ভাল নহব? মাননীয় সদস্য সকলে কৈছে চালফাক কিয় ২ লাখ টকা দিছে আৰু তেওঁলোকে যাক হত্যা কৰিছিল তেওঁলোকক তেনেকৈ দিব পৰা নাই। চালফাক ২ লাখ নহয় আৰু বেছি দিবলৈ বাধ্য যদিহে তেওঁলোকে ৰাজ্যখনকৈ শান্তি ঘুৰাই আনে, সমাজৰ উন্নতি বিধানত সহায়ক হয় তেতিয়া ২ লাখ কিয় আৰু বেছি দিয়ক। তেওঁলোকে কৈছে যে এইটো উচিত নহয় আমিও উচিত বিবেচনা নকৰো কিন্তু বাচি বাচি কাৰোবাক দিব লাগিব। কিন্তু ঘোচ খুৱাই ফুচুলাই আনিলে যথেষ্ট নহয়। অৱশ্যে মাছ সিচিবলৈ গলে পুখুৰীত মাছো ওলাই, সাপ বেংও ওলায়। গতিকে তাৰ ভিতৰত ২/১ এজন বেয়া থাকিব পাৰে তেওঁলোকে ভাল হব বুলি আশা কৰিছো। আমি কোনেও অসংসদীয় শব্দ ব্যৱহাৰ কৰা উচিত নহয় যাৰ কাৰণে ৰাতিপুৱা বেয়া অৱস্থালৈ গৈছিল। অসমত আমি হাজাৰ হাজাৰ লোকক হত্যা কৰিবলৈ পাঞ্জাৰ কামাণ্ডো বা ৩০ টা কোম্পানী বিছৰা

নাই আমি বিচাৰিছো যি প্ৰথাৰে দেশত শান্তি প্ৰতিষ্ঠা হয় সেইটো কৰিব লাগে। শান্তি বিছাৰি যাওতে উলুৰ লগত কিছু বগৰি পুৰা যাবই। আমাৰ কলিতা ডাঙৰীয়া কামৰূপৰ আৰু মই শিৰসাগৰৰ। তেখেতক নি যদি আমিৰ বেশত শিৰসাগৰত এৰি দিয়া হয় নিশ্চয় কিছু ভুল হব পাৰে। ২/১ কেচ তেনেকুৱা হৈছে। মাছৰ গোন্ধ পালেহে মেকুৰী যায়। পুৰা মাছৰ গোন্ধ নাপালে মেকুৰী নাযায়। গতিকে তেখেত সকলে যাক নিৰ্দ্দোষী বুলি ভাবিছে সেইটো অপপ্ৰচাৰও হব পাৰে বা ভুল হব পাৰে। পৰাপক্ষত নিৰ্দ্দিষ্ট অভিযোগ নাথাকিলে কাকো নিবিছাৰে। আই এচ আইৰ কথা কৈছে, বিৰোধী পক্ষই কৈছে যেতিয়া আমিও কব পাৰো। ভুৱা পাছপোৰ্ট বা ভিচা লৈ কোনোবা আই এচ আই যদি পঠিয়াইছে তেওঁলোকক ধৰাটো সম্ভবপৰ নহয়। আমাৰ মাননীয় সদস্য শ্ৰীমহন্ত, ফুকন আৰু জয় নাথ শৰ্মা ডাঙৰীয়াই অৱশ্যতে হলেণ্ডৰ পৰা আহিছে, মহেশ যোশীয়ে তেওঁলোকক ভিচা পাচপোৰ্ট যোগাৰ কৰি টিকট পৰ্য্যন্ত কিনি দিছে, বিজেপিৰ লগত সনা পিটিকা কৰিছে। সিদিনা আমাৰ মহন্ত ডাঙৰীয়াই এটা কথা কৈছে যে আমাৰ চৰকাৰৰ দিনত হেনো কিছুদিন আই-এ-এচ আৰু আই-পি-এচ বিষয়াৰ সৃষ্টি হোৱা নাই সৃষ্টি নোহোৱাত আমাৰ চৰকাৰৰ কোনো দোষ নাই। কাৰণ বৰ্ত্তমান যিটো শিক্ষাৰ পৰিবেশ সেইটো ১৯৭৯ চনৰ পৰাই নষ্ট হৈছে। অসমত শিক্ষাৰ পৰিবেশ আজিও সম্পূৰ্ণভাবে ঘুৰাই আনিব পৰা নাই। ভাল বস্তু খাই ভাল বস্তু উৎপাদন কৰিব নোৱাৰি যদিহে পৰিবেশ নাথাকে। ঘী মৌ মূৰত সানি ললেও পৰিবেশৰ সৃষ্টি নহয় আজি আই এ এচ আই পি এচ সৃষ্টি হয়তো হব কিন্তু সমাজত যিটো নৈতিক অধঃপতন হ'ল তাক কেতিয়াও মেৰামতি কৰিব নোৱাৰি। আজি ইমানেই নৈতিক অধঃপতন হৈছে শিক্ষকক জোতাৰ মালা পিন্ধাবলৈ ছাত্ৰক শিকাইছে। শিক্ষকৰ প্ৰতি ছাত্ৰৰ আগৰ শ্ৰদ্ধা ঘুৰাই আনিবলৈ আৰু ৫০ বছৰ লাগিব চৰিত্ৰ বেয়া হলে চিৰত্ৰ নিৰ্ম্মান কৰা বৰ টান। মই আৰু বেছি কৈ আপোনালোকক আমনি নিদিও। ৰাজ্যপালৰ ভাষণখন সুন্দৰ হৈছে বিৰোধ কৰিব লাগে বুলিয়ে বিৰোধী সকলে বিৰোধীতা নকৰি ইয়াক গ্ৰহণ কৰিব বুলি অনুৰোধ জনায় মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : অধ্যক্ষ মহোদয়, মই এটি স্পষ্টিকৰণ দিব বিচাৰিছো, পাছ পোৰ্ট হৈছে ভাৰত চৰকাৰৰ বস্তু আৰু ভিচা হৈছে নেদাৰলেণ্ডৰ। ইয়াত বিজেপিৰ কোনো সম্পৰ্ক নাই। আমাৰ শইকীয়া ডাঙৰীয়াৰ মন্ত্ৰী সভাৰ এজন

*Speech not Corrected

সদস্যই কাজিৰঙাত গৈ বিজেপিৰ লিডাৰ এজনৰ লগত মাছ মাৰিছে, আমি চেমিনাৰত গৈছো। বিজেপিৰ চেমিনাৰত যোৱা নাই। গতিকে এইবিলাকৰ মাজত আমাক জোৰকৈ টানি আনিব নালাগে। আমাৰ মুখ্যমন্ত্রীয়েও ইউএচ এ লৈ গৈছিল সেইবুলি তেওঁৰ আই এচ আইৰ লগত সম্পর্ক থাকিব নেকি? এই কথাখিনি মুখ্যমন্ত্রীয়ে তেখেতৰ বক্তৃতাত পৰিস্কাৰ কৰি দিব লাগে।

Mr Speaker: Now Hon'ble Chief Minister to reply.

Shri Holiram Terang: Sir, please give me few minutes time.

(Shri Holiram Terang was allowed to speak for a few minutes:)

*Shri Holiram Terang: Sir, I rise to support the amendment moved by Shri Monsingh Rongpi and Shri Babu Rongpi and I accuse the Government on two Couns, firstly bringing all round confusion in the state and secondly dishonouring dignity of the Chair. He could not give the complete picture, so I accuse the Government.

আজি ৰাজ্য পালৰ ভাষণ খন যদি পঢ়ি চোৱা হয় তেনেহলে এনেকুৱা লাগে যেন অসম খন সোনৰ অসম হৈছে। মাজে মাজে দুই এটা হত্যাকাণ্ড হৈছে যদিও সেইটো যোৱা দুটা মাহতহে মুৰ ডাঙি উঠা বুলি কৈ অসমৰ সামগ্রিক আইন শৃংখলা উন্নত হৈছে বুলি কৈছে। সেই ফালৰ পৰা এইখন পঢ়ি চালে এনেহেন লাগে যেন অসমৰ নিচিনা ৰাজ্য এখন পৃথিবীৰ ক'তো নাই। বাস্তৱতে তেনেকুৱা এখন ৰাজ্য হোৱা হলে আমি খুব ভাল পালোহেতেন। অলপ সময় আগতে কংগ্রেছ দলৰ বিধায়ক শ্রীৰবগোহাঁই ডাঙৰীয়াই তেখেতৰ ভাষণৰ যোগেদি সদনৰ সদস্য সকলক যি ধৰণে হুহুৱালে তাত আমি ফুর্ত্তী পাইছো। কিন্তু অসমৰ ৰাইজক যদি এইখন চৰকাৰে হুহুৱাব পাৰিলে হেতেন তেনেহলে আমি আৰু সুখ পালোহেতেন। কিন্তু আজি শান্তিৰ পৰিবেশ ঘুৰি অহা বুলি দাবী কৰা চৰকাৰখনৰ মন্ত্রী, বিধায়ক সকল যেতিয়া ৰাইজৰ মাজলৈ যায় তেতিয়া পুলিচ, মেলিটেৰীৰ বেষ্টনীৰ মাজত যাওতে তেওঁলোকক কোনেও দেখা নাপায়। এইখন চৰকাৰে যদি সচাঁকৈয়ে অসমৰ সমস্যা

*Speech not Corrected

সমূহ সমাধান কৰাৰ কাৰণে যত্ন কৰিলে হেতেন তেনেহলে নিশ্চয় ৰাজ্যপালৰ ভাষণত কাৰ্বি আংলংৰ স্বায়ত্ব শাসনৰ দাবী সমূহৰ কথা কিয় উল্লেখ কৰা নহল ? আজি কাৰ্বি লাংপি প্ৰজেক্টৰ কথা কোৱা হৈছে। এই প্ৰজেক্টত সুভাষ শেঠী, অনিল শেঠী আদি বহুতো জড়িত হৈ আছে যদিও মই সেইবোৰ এতিয়া আৰু উল্লেখ কৰিব খোজা নাই। কিন্তু তাৰ পৰা এ, এচ, ই, বি,ৰ কৰ্মচাৰী সকলক খেদি পঠিওৱা হৈছে। আমটেং এতিয়া এটা ডেন অৱ গেং ষ্টাৰ হৈ পৰিছে। এইবোৰৰ কাৰণে আমি আজি ১২ ঘণ্টীয়া কাৰ্বি আংলং বন্ধ পালন কৰিছো আৰু সেইটো চাকচেচ্‌ফুলি পালন কৰা হৈ আছে। আজি অসম চৰকাৰে কাৰ্বি ৰাইজৰ মনৰ ক্ষোভ ক'ত সেইটো যদি বুজি চাবলৈ যত্ন নকৰে তেনেহলে কাৰ্বি আংলংৰ ৰাইজে আৰু আন্দোলন কৰিবলৈ বাধ্য হব। আৰু এটা কথা হ'ল অলপতে চৰকাৰে ৬টা সম্প্ৰদায়ক চিডিউল ট্ৰাইব কৰা কাৰণে ৰিকমেণ্ড কৰিছে। এইটোত আমিও ভাল পাইছিলোঁ কিন্তু এতিয়া দেখা গৈছে যে যি সকল আগৰে পৰা চিডিউল ট্ৰাইব তেওঁলোকক চিডিউল ট্ৰাইব কৰিবলৈ বিচৰা হৈছে নে তেনে কোনো সম্প্ৰদায়ৰ লোকক টানি আনি চিডিউল ট্ৰাইব কৰাৰ কাৰণে ৰিকমেণ্ড কৰি সৰ্ব্বসাধাৰণ ৰাইজক আভুৰা ভৰি সেই ঠাই যিবোৰ জেনুইন ডিমাণ্ড সেইবোৰ নাইকিয়া কৰাৰ কাৰণেহে চৰকাৰে চেষ্টা কৰিছে। সেই কাৰণে মই চৰকাৰৰ ওচৰত এটাই মাত্ৰ অনুৰোধ জনাব খুজিছো যে কাৰ্বি আংলংক অটনমাচ কৰাৰ কাৰণে আমাৰ যিবোৰ ডিমাণ্ড আছিল সেই-বোৰ যেন চৰকাৰ পক্ষই কিছু মনোযোগ দি সমস্যাবোৰ সমাধান কৰিবলৈ যত্ন কৰে। পাঞ্জাৰ কামাণ্ডো বাহিনীৰ দ্বাৰা অসম ৰক্ষা কৰিবলৈ যেন তেওঁ-লোকে ব্যৱস্থা হাতত ললয়। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলোঁ।

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় ৰাজ্য-পালৰ ভাষণৰ ওপৰত হোৱা আলোচনাত অংশ গ্ৰহণ কৰি কেইবাজনো মাননীয় সদস্যই বহুখিনি কথাই দাঙি ধৰিছে। ইয়াত আইন শৃংখলাৰ কথাও উল্লেখ কৰা হৈছে। এইটো কথা সঁচা যে ৰাজ্য পালৰ ভাষণত এটা কথা উল্লেখ কৰা হৈছে যে বিগত বছৰটোত ৰাজাখনৰ আইন শৃংখলাৰ পৰিস্থিতিৰ লক্ষনীয় উন্নতি সাধন হৈছিল. যদিও যোৱা দুটা মাহৰ ভিতৰত হঠাতে মুৰ দাঙি উঠা হিংসাত্মক কাৰ্য্য কলাপে ৰাজ্যখনৰ কেতবোৰ অঞ্চল নতুনকৈ উত্তেজনাৰ সৃষ্টি কৰিছে। এই কথাটো ৰাজ্যপালৰ ভাষণত পৰিষ্কাৰ ভাবে কোৱা হৈছে। কিন্তু গোটেই ৰাজ্যখনৰ ক্ষেত্ৰতে আইন শৃংখলাৰ পৰিস্থিতি তেনে হোৱা নাই।

*Speech not Corrected

অধ্যক্ষ ডাঙৰীয়া, অসমৰ ২৩ খন জিলাৰ ভিতৰত ষোৱা দুটা মাহত ১১ খন জিলাত হত্যাকাণ্ড হোৱা নাই। বাকী ১৩ খন জিলাৰ ভিতৰত তিনিগড়ত ৫টা হত্যাকাণ্ড সংঘটিত হৈছে আৰু সেই কেইটা ছাত্ৰ সন্থাই তেওঁলোকৰ ছাত্ৰ বুলি দাবী কৰিছে। নগাওঁত চাৰিজাৰ ৭ জন আৰু আনজাৰ ১ জন লোকক হত্যা কৰা হৈছে। আমি আইন শৃংখলা ৰক্ষা কৰাৰ কাৰণে চেষ্টা চলাইছো। এই ক্ষেত্ৰত আমি কোনো ত্ৰুটি কৰা নাই। সেই অনুসৰি আজি ৰাজ্যখনত শান্তিৰ বাতাবৰণ ঘুৰি আহিছে। আজি বিৰোধী পক্ষৰ সদস্য সকলে যি ধৰণেই ব্যাখ্যা নিদিয়ক ৰাজ্যখনলৈ কিন্তু শান্তিৰ বাতাবৰণ ঘুৰি আহিছে। আজি আমি সকলোৱে মুকলি মুৰীয়াকৈ ঘুৰিব ফুৰিব পৰা হৈছো।

অধ্যক্ষ মহোদয়, আজি আমি মুকলিভাবে ফুৰিব পাৰিছো আজি অসমৰ শান্তি শৃংখলা ৰক্ষা কৰাৰ বাবে নিয়ন্ত্ৰন কৰাৰ বাবে অসম চৰকাৰে অনেক চেষ্টা কৰিছে। আৰু ফলবতীও হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতিয়ে শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই তেখেতঁৰ ভাষণত নগাওঁৰ হয়ৰবগাওঁৰ এটা ডকাইটিৰ কথা উল্লেখ কৰিছে। মই খা-খবৰ কৰি জানিব পাৰিছো যে, সেই সম্পৰ্কত তদন্ত চলি আছে। ইতিমধ্যে ৫ জনক গ্ৰেপ্তাৰ কৰা হৈছে। কেইবাহাজাৰো টকা উদ্ধাৰ কৰা হৈছে। তেখেঁতে তেখেঁতৰ ভাষনত কেইবা-জনো বিধায়কৰ কথা উল্লেখ কৰিছে। তাৰে এজন হৈছে মাননীয় সদস্য কৰেন্দ্ৰ বসুমতাৰী। তেখেঁতক পুলিচে গ্ৰেপ্তাৰ কৰাৰ কথা কৈছে। মোক দিয়া ৰিপোৰ্টমতে কৰেন্দ্ৰ বসুমতাৰী পুলিচ থানালৈ ২ জন ব্যক্তিৰ খবৰ কৰিবলৈহে গৈছিল। মই এই কথাটো পুনৰ পৰীক্ষা কৰি চাম। আন এজন মাননীয় সদস্য পানীৰাম ৰাভাৰ ঘৰত চোৰ হোৱাৰ কথাটোও তেখেঁতে উল্লেখ কৰিছে। এই বিষয়ে তদন্ত কৰি আছে। গোলাঘাটত গড় মৰাৰ কথাও তেখেঁতে উল্লেখ কৰিছে। কিন্তু মই পোৱা ৰিপোৰ্ট মতে চৰকাৰৰ গাড়ী বা বিষয়া তাত ইনভলভ্ হোৱা নাছিল। আৰু এটা কথা উল্লেখ কৰিছে যে, আই, এচ, আইৰ সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা লৈছে জানিব বিচাৰিছে। মই মাননীয় সদনৰ দৃষ্টি আকৰ্ষণ কৰি কব খোজো যে, এই সম্পৰ্কত যে আমি একো কৰা নাই এইটো সত্য নহয়। ৰাজ্যপালৰ ভাষণতো কোৱা হৈছে যে উগ্ৰপন্থী সকলক পাকিস্থানৰ আই, এচ, আই আৰু বাংলাদেশে সাহায্য, উচটনি দি আছে আৰু চুবুৰীয়া দেশ ভুটানতো তেওঁলোকে ঘাটি পাতিছে। আই, এচ,

আইৰ সম্পৰ্কত আমি খা খবৰ কৰিছো আৰু আমাৰ সীমিত শক্তিৰে আই, এচ, আইৰ কাৰ্যাকলাপ প্ৰতিৰোধ কৰিবলৈ সকলো ব্যৱস্থা লোৱা হৈছে। প্ৰায় ১ বছৰৰ আগতেই এই বিষয়টো কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈছে। এই বিষয়ে ব্যৱস্থা লবলৈ কোৱা হৈছে। মাননীয় সদস্যসকলে আই, এচ, আইক আজি সমালোচনা কৰিছে, আৰু বহুতো কথা কৈছে। কিন্তু আই, এচ, আই সকলক যি সকলে আনিছে সেই সকল আজি নিমাত কিয়? এজোপা গছ উঘালিবলৈ হলে প্ৰথমে শিপা কাটিব লাগিবনে ডাল কাটিব লাগিব? কিন্তু মোক ডাল কাটিবলৈ কোৱা হৈছে। আজি আই, এচ, আইক কোনে আনিছে?

(সদনত গন্দগোল হোৱা বাবে একো শুনা নাযায়)

আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই ডুমডুমাৰ হত্যাকাণ্ডৰ কথা উল্লেখ কৰিছে।

(সদনত পুনৰ গন্দগোল, একো শুনা নাযায়)

তেখেঁতে তেখেঁতৰ ভাষণত হত্যাকাণ্ডৰ বিৱৰণ দিছে আৰু চৰকাৰক কনদেম কৰিছে। (সদনত গন্দগোল একো শুনা নাযায়)

গতিকে অসমত কেনেকৈ শান্তি শৃংখলা আনিব? মৃত্যু মৃত্যুয়েই, সত্য সত্যয়েই আৰু সন্ত্রাস সন্ত্রাসেই। আজি ডুমডুমাত ৫ জন ছাত্রক আৰ্মিয়ে হত্যা কৰা বাবে তেখেঁতসকল যিমান কনচাৰ্ণ কিন্তু নগাওঁত যি ৭ জন ল'ৰাক হত্যা কৰি নিমখ দি পুতি থৈছিল তাত তেখেঁতসকল ইমান কনচাৰ্ন নহয়।

*শ্রীহিতেন্দ্র নাথ গোস্বামী: আমি সদনৰ মজিয়াতে কৈছো—We have said all sorts of violence. This is not fair.

*শ্রীপ্রফুল্ল কুমাৰ মহন্ত: অধ্যক্ষ মহোদয়, আমাৰ দলৰ তৰফৰ পৰা অল টাইপচ অৰ কিলিংক কনদেম কৰিছো।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী): মই গোস্বামী ডাঙৰীয়াৰ কথাহে কৈছো।

*শ্রীজয়নাথ শর্মা: অধ্যক্ষ মহোদয়, এই চৰকাৰৰ দিনত হোৱা সকলো ধৰণৰ কিলিঙক আমি কনদেম কৰিছো।

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী): অধ্যক্ষ মহোদয়, আমি দুয়োটা ঘটনাৰ কাৰণে দায়ী। ডুমডুমাৰ হত্যাকাণ্ডৰ অনুসন্ধান কৰা হৈছে। ডুমডুমাৰ হত্যাকাণ্ডৰ সম্পৰ্কত মই কব খোজো যে, যোৱা ২৩ ফেব্রুৱাৰী ৰাতিপুৱা ১৮ পঞ্জাৰ ৰেজিমেণ্টৰ

*Speech not Corrected

কমাণ্ডাৰ মেজৰ টি. মেথিউৱে ডুমডুমাৰ পুলিচ থানাত খবৰ দিয়ে যে, ডিব্রু চৈখোৱা বনাঞ্চলত সেনা বাহিনীৰ সৈতে হোৱা এক সংঘৰ্ষত ৫ জন আলফা সদস্য নিহত হয়। আৰু বাকী কেইজন পলাই যাবে। ৫ টা মৃতদেহ সেনাবাহিনীয়ে পুলিচ থানাত গটাই দিয়ে। উক্ত ৫ জন যুৱকৰ নাম প্ৰবীন সোনোৱাল, প্ৰদীপ দত্ত, ভবেন মৰান, অখিল সোনোৱাল, আৰু দেবু বিশ্বাস বুলি জনা যায়। তেওঁলোকৰ এজনৰ বাহিৰে বাকী কেইজনৰ আছুৰ লগত কোনো সম্বন্ধ নাই। তেওঁলোকে ঠিকাৰ কাম কৰিছিল। এই ঘটনাৰ সন্দৰ্ভত মই স্পষ্টভাবে দোহাৰিব খোজো যে. ইয়াৰ লগত চৰকাৰৰ কোনো সংযোগ নাই। কোনো সম্পৰ্ক নাই। সেনাবাহিনীৰ লগত উক্ত ঘটনাৰ সময়ত ৰাজ্য চৰকাৰৰ পুলিচ বা মেজিষ্ট্ৰেট উপস্থিত নাছিল। এই কথা সেনা বাহিনীয়েও স্বীকাৰ কৰিছে। তথাপি ৰাজ্য চৰকাৰে দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দ্দেশ দিছে। উচ্চ ন্যায়ালয়তো ৰিট আবেদন দাখিল কৰা হৈছে। উচ্চ ন্যায়ালয়ৰ দ্বাৰা এই ঘটনা সম্পৰ্কত ন্যায়িক প্ৰক্ৰিয়া চলি আছে। এই সংক্ৰান্তত, এটা কথা উল্লেখ কৰিব পাৰি যে, চাহ বিষয়া স্বৰ্গীয় ৰামেশ্বৰ সিঙৰ হত্যাকাণ্ডৰ লগত নিহত যুৱক কেইজন জড়িত আছিল বুলি প্ৰত্যক্ষদৰ্শী হিচাবে দুজন চকিদাৰে চি, অ, এমৰ আগত বিবৃতি দিছে। আছুৰ সদস্য উক্ত হত্যাকাণ্ডৰ লগত কেনেকৈ বাৰু লিপ্ত হব পাৰে ? নগাওঁ জিলাৰ হত্যাকাণ্ডৰ ক্ষেত্ৰতো চৰকাৰকেই জগৰীয়া কৰিব খোজা অভিযোগ সম্পৰ্কত মই উক্ত হত্যাকাণ্ডৰ বিষয়ে সদনৰ অৱগতিৰ অৰ্থে প্ৰকৃত তথ্য দোহাৰিব খুজিছো। ৰাঙলুমুখৰ কুশৰাম দাসৰ পুত্ৰ শ্ৰভদ্ৰকান্ত দাস এজন গ্ৰামসেৱক। তেওঁৰ স্বীকাৰ উক্তিৰ মতে ৭ জন আত্মসমৰ্পণকাৰী আলফা সদস্যক তেওঁলোকৰে এসময়ৰ বন্ধু আলোচনা বিৰোধী আলফা গোটৰ সদস্য সকলে একেলগে ভোজভাত খোৱাৰ পিচত নৃসংশভাবে হত্যা কৰে আৰু নিমখ দি গাতঁত পুতি থয়। তিনিজন আত্মসমৰ্পণকাৰী আলফা সদস্যই তাৰ পৰা পলাই আহি পুলিচৰ ওচৰত গোটেই ঘটনাতো বিৰৰি কয়। আত্মসমৰ্পণকাৰী আলফা নেতৃবৰ্গই প্ৰেছ মেলৰ যোগেদিও গোটেই ঘটনাটো সদৰি কৰিছে। এই হত্যাকাণ্ড আলফাই কৰিছে। ইয়াত কোনো সন্দেহ নাই। এই ঘটনাটোত ৰাজ্য চৰকাৰৰ বা পুলিচৰ কোনো হাত নাই। চৰকাৰে ইয়াৰ তদন্ত চলাই আছে। অতিকৈ আচৰিত কথা যে, ডুমডুমাৰ হত্যাকাণ্ডৰ সম্পৰ্কত আজি যি ধৰণে তীব্ৰ প্ৰতিবাদ হ'ল নগাওঁ হত্যাকাণ্ডৰ সম্পৰ্কত তেনেধৰণৰ প্ৰতিক্ৰিয়া

দেখা নগল। সেনাবাহিনী বা পুলিচব হাতত মানুহ মবিলে প্রতিবাদ হয়। কিন্তু আলফাই মাবিলে নহয়। এইটো কেনে ধবণব কথা।

অধ্যক্ষ মহোদয়, শ্রীবলিন ববদলৈব অপহবণ সম্পর্কেও বিভিন্ন আলোচনা হৈছে। ইয়াত মই অনাস্থা প্রস্তাবব ওপবতো এই বিষয়ে আলোচনা কবিছিলো যে শ্রীবলিন ববদলৈক যি সকলে ধবি নিছিল সেই সকলব ওপবত ব্যবস্থা লবলৈ যাওতে এনে এটা পবিস্থিতিব সৃষ্টি কবিলে এচামে যে আমি এই কামত আগবঢ়াত যথেষ্ট অসুবিধা হৈছিল। আচবিত কথা অধ্যক্ষ মহোদয়, যি সকলব দ্বাবা শ্রীবলিন ববদলৈক অপহবণ কবা হৈছে, সেই সকলক ধবাব লগে লগে, এই গুৱাহাটী মহানগবীত মানব অধিকাব নামব এটা সংগঠনে বিভিন্ন সভা সমিতি পাতি শ্রীববদলৈব ইচু নোহোৱা অবস্থা কবিলে। প্রাক্তন অসমব প্রধানমন্ত্রী তথা মুখ্যমন্ত্রী গোপী নাথ ববদলৈব পুত্র শ্রীবলিন ববদলৈক উগ্রপন্থীয়ে অপহবণ কবাব পিচত এচাম লোকে আনকি পুলিচব ওপবতো অভিযোগ আনি পুলিচক ব্যতিব্যস্ত কবি তুলিলে। আজি সম্পূর্ণ ১১ মাহব পিচত শ্রীববদলৈকে মুক্তি দিয়াব কাবণে আমি জবাব দিবলগীয়া নহয়। তেওঁব অপহবণব পিচত ইয়াত এনে এটা পবিবেশ তথা পবিস্থিতিব সৃষ্টি কবিছিল যে আমি প্রায় হাত সাবতি থাকিবলগীয়া অবস্থা হৈছিল অধ্যক্ষ মহোদয়, শ্রীববদলৈব অপহবণব লগত আমাক জগবীয়া কবা হ'ল। আনহাতে শ্রীবলিন ববদলৈব মুক্তিব পিচত তেওঁ নিজে আৰু পবিয়ালব লোকে ষ্টেটমেণ্ট দিছে যে তেওঁব অপহবণব লগত বি,এচ,এফ বাহিনীহে জড়িত, ইয়াত অন্যব হাত নাই। এচামে এতিয়াও কব খোজে যে চবকাবে কিবা এটা কবিছে। অধ্যক্ষ মহোদয়, নগাৰব ন-পামব হত্যাকাণ্ডব সম্পর্কতো কোনো কোনো লোকে কবলৈ আবম্ভ কবিছে যে আলফাইনো সচাকৈয়ে এনে কাম কবিছেনে? তেওঁলোকে এনে কাম কবিবনে? অধ্যক্ষ মহোদয়, লক্ষী পথাবত উদ্ধাব হোৱা আলফাই হত্যা কবা লোকব গণ কববব কথা আমি ইমান সোনকালে পাহবিলে নহব। আজি আলফাই নগাৰত এনে কাম কবা নাই বুলি কৈ এচাম লোকে বাইজক বিভ্রান্ত কবিছে। আজি নগাৰব ন-পামব হত্যাকাণ্ডব বিষয়ে আলফাই স্বীকাব কবিছে। যি ঘব মানুহব ঘবত আলফাই ভাত খাই, সভা পাতি আলোচনা কবিছিল সেই ঘব মানুহব পেহীয়েকব পুতেকে নিজে কোব লৈ গৈ গাত খান্দি দেখুৱাইছিল। এই সকলোবোব কথা স্বীকাব কবাব পিচতো এতিয়া এচাম লোকে কব খোজে যে আলফাই এই হত্যাকাণ্ড কবা নাই। এনেকৈয়ে সত্যক অপলাপ কবা হৈছে আৰু কেনেকৈনো

চৰকাৰক এই ঘটনাত ইনভলভ কৰিব পাৰি, এই সকলৰ চিন্তা সেইটোৱেই। আজি শ্ৰীবলিন বৰদলৈৰ অপহৰণ আৰু নগাৰৰ নৃপামৰ হত্যাকাণ্ডৰ লগতে এচামে চৰকাৰক জড়িত কৰিব খুজিছে কিন্তু আমি সেইটো প্ৰমাণ কৰি দেখুৱাইছো ইয়াৰ লগত কোন জড়িত আছে। কিছুমান ৰাজনৈতিক দলে ৰাজনৈতিক মুনাফা লাভৰ কাৰণে, আৰু আমাৰ দলক ডিচক্ৰেডিট কৰাৰ উদ্দেশ্যে অহৰহ ষড়যন্ত্ৰ কৰি আহিছে। তেওঁলোকে আমাৰ দলক কেনেকৈ ক্ষতি কৰিব পাৰি তাৰেই চিন্তাত ব্যস্ত।

অধ্যক্ষ মহোদয়, আজি টাডা আইনৰ কথা কোৱা হৈছে। মই জানিব বিচাৰিছো মাননীয় বিৰোধী দলৰ পৰা, টাডা আইন অসমলৈ প্ৰথমে কোনে আনিলে? ১৯৮৭ চনত যেতিয়া টাডা আইন সংশোধন কৰা হৈছিল, তেতিয়া অসম চৰকাৰে কিয় আপত্তি কৰা নাছিল? এই টাডা আইন অসমলৈ অসম গণপৰিষদ চৰকাৰেই আনিছিল—কোকোৰাঝাৰৰ জনজাতি সকলক দমন কৰাৰ কাৰণে। জনজাতি সকলক দমন কৰিবলৈ টাডা আইন লাগে কিন্তু আলফাক দমন কৰিবলৈ নেলাগে। অধ্যক্ষ মহোদয়, কোকোৰাঝাৰৰ জনজাতিসকল জানো মানুহ নহয়?

(এ, জি পি বিধায়ক সকলৰ মাজত প্ৰতিবাদ উঠে)

অধ্যক্ষ মহোদয়, এই কথা মই ৰেকৰ্ডৰ পৰা কৈছো। ১৯৮৫ চনত সংসদত টাডা আইন পাছ কৰা হৈছিল আৰু তাৰ পিচত বিভিন্ন ৰাজ্য চৰকাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰে কনকাৰেন্স বিচাৰিছিল। পশ্চিমবঙ্গ চৰকাৰৰ বাহিৰে অন্য ৰাজ্যই এই টাডা আইনৰ বিৰোধিতা কৰা নাছিল। এই আইনৰ দ্বাৰা কোকোৰাঝাৰৰ জনজাতি লোক সকলৰ ওপৰত জোৰ জুলুম কৰা হৈছিল। অধ্যক্ষ মহোদয়, আজি পঞ্জাব কামাণ্ডো অসমলৈ অনাৰ বিষয়ে কৈছে। মই ২টা কোম্পানী আনিব খুজিছো। কিন্তু কোকোৰাঝাৰৰ জনজাতি লোক সকলক দমন কৰিবৰ কাৰণে সেই সময়ৰ চৰকাৰে ২৬০ টা পাৰা মিলিটেৰি কোম্পানী আনিছিল। এ, জি, পি চৰকাৰে ২৬০ টা কোম্পানী কিয় আনিছিল? মোৰ দিনত কিন্তু মই ইমান অনা নাই, ৩০ টাহে আছে। অধ্যক্ষ মহোদয়, যি সকলে টাডা আইন আনে, পাৰা মিলিটেৰি আনে সেই সকলেই আজি ইয়াত আপত্তি কৰিছে। এনেকৈ বাইজক মিচলিড কৰি কি লাভ? মই টাডা আইনৰ প্ৰয়োজন নাই বুলি নকও। প্ৰয়োজন আছে। এ, জি, পি চৰকাৰে ১৬০ টা পাৰা মিলিটেৰি কোম্পানী আনোতেও মই আপত্তি কৰা নাছিলো।

১৯৮৭ চনত যেতিয়া অসম চৰকাৰে টাডা আইনৰ সংশোধনী গ্ৰহণ কৰিছিল তেতিয়া মই তাৰ বিৰোধিতা কৰা নাছিলো।

*শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী শ্ৰীশইকীয়া ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি সম্পূৰ্ণ সত্য নহয়। টাডা আইন ভাৰত চৰকাৰে জোৰ জবৰদস্তি কৰি দিছিল। টাডা আইন কৰিব লাগে। কিন্তু আমাৰ চৰকাৰে পৰামৰ্শ দিছিলে যে এই আইন যাতে যধে মধে প্ৰয়োগ কৰা নহয়। ৮০ বছৰীয়া বৃদ্ধক গ্ৰেপ্তাৰ কৰিবলৈ দিয়া হোৱা নাছিল। পাৰা মিলিটেৰীৰ কথা কোৱা হৈছে কিন্তু আচলতে ২৬০ টা কোম্পানী নাছিল। য'ত আৰ্মি থাকে তাত পাৰা মিলিটেৰীৰ কি দৰকাৰ? মুখ্যমন্ত্ৰীয়ে এই সদনত অসত্য কথাকৈ বিপথে পৰিচালিত কৰিব খোজাৰ প্ৰতিবাদত আমি সদন ত্যাগ কৰিলো।

(অ. গ, পৰ বিধায়ক সকলে সদন ত্যাগ কৰে)

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, পূৰ্ব্বতে মুখ্যমন্ত্ৰীয়ে এই টাডা আইন আপত্তি কৰাৰ অফিচিয়েল ৰেকৰ্ড নাই। হ'ম ডিপাৰ্টমেণ্টৰ ফাইলতো নাই। মুখ্যমন্ত্ৰীৰ ফাইলতো লিপিবদ্ধ নাই। তেওঁলোকে টাডা আইন গ্ৰহণ কৰিছে— এইটো ক'তো উল্লেখ নাই যে আমাক টাডা আইন জোৰ কৰি জাপি দিয়া হৈছে। অধ্যক্ষ মহোদয়, আলফা-চালফাৰ বিষয়েও যথেষ্ট কোৱা হৈছে। আৰু কোৱা হৈছে যে আলফাই মানুহ মাৰিলে মৰাজনৰ পৰিয়ালক ১ লাখকৈ দিয়া হয় আৰু যোতে হত্যা কৰিলে তেওঁক ২ লাখকৈ দিয়া হৈছে। অধ্যক্ষ মহোদয়, হত্যাকাৰীক ২ লাখকৈ টকা হত্যা কৰাৰ কাৰণে দিয়া হোৱা নাই। ইয়াত দুটা কথা জড়িত আছে। এটা হৈছে সংস্থাপন আৰু আনটো হৈছে কমপেনচেচন। এই হত্যাকাণ্ডৰ দ্বাৰা যি সকলৰ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে সেই সকলক ১ লাখকৈ টকা দিয়া হৈছে—কমপেনচেচন হিচাবে। আজি আলফাৰ প্ৰায় ২২-২৩ শ লোকে আত্ম সমৰ্পণ কৰিছে। এই ২৪ শ লোকৰ সকলোৱেই হত্যাকাৰী নহয়। এই আত্মসমৰ্পণকাৰী সকলক আত্ম সংস্থাপনৰ বাবে ২ লাখকৈ টকা দিয়া হৈছে। আজি যি সকল উগ্ৰপন্থী লোকে আলফা ত্যাগ কৰি ওলাই আহি সমাজৰ মেইন স্ৰুতিৰ লগত মিলি যাবলৈ ওলাই আহিছে সেই সকল আত্মসমৰ্পণকাৰীক আত্ম সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কৰিছে। এতিয়া এচামে কবলৈ লৈছে যে এই চালফা সকল হেনো এক গুন্দা বাহিনী।

অধ্যক্ষ মহোদয়, বৰ্তমান বিত্ত মন্ত্ৰী শ্ৰীজীৱকান্ত গগৈ, অধ্যক্ষ হৈ থাকোতে

*Speech not Corrected

এটা সিদ্ধান্ত লোৱা হৈছিল—সেইটো মই পঢ়ি দিছো—আজি অসম বিধান সভাত হোৱা আলোচনা মর্মে মাননীয় অধ্যক্ষ মহোদয়ৰ আহ্বান কৰা বিধান সভাৰ সকলো দল আৰু গোটৰ নেতৃবৃন্দৰ মাজত পণবন্দীৰ জটিল পৰিস্থিতিৰ সন্দর্ভত এটি গোপন আলোচনা হয়। সভাই বিবেচনা কৰে যে এই সংকটপূর্ণ সমস্যাৰ সমাধানৰ উদ্দেশ্যে সকলো পক্ষৰ পৰা আন্তৰিক প্রচেষ্টা চলোৱা একান্ত প্রয়োজন। গতিকে এই সর্ব্বদলীয় সভাই আলফাৰ নেতৃবৃন্দক মানৱতাৰ খাতিৰত পনবন্দী সকলক শীঘ্রে মুকলি কৰি দিয়াৰ বাবে অনুৰোধ জনায়। আৰু চৰকাৰকো টাডা আইনত বন্দী হৈ থকা সকলক মুকলি কৰি দিয়াৰ কাৰণে অনুৰোধ জনায়।

চৰকাৰে বন্দী এৰি দিয়া আৰু আলফাই পনবন্দী এৰি দিয়া দুয়োটাৰ প্রক্রিয়াৰ একেলগে হব বুলি সভাই মত প্রকাশ কৰে। সভাই আকৌ মত প্রকাশ কৰে যে সমগ্র অসমবাসীয়ে আলফা আৰু চৰকাৰে উভয়ে সহাৰি জনালে বাঞ্ছনীয় প্রশস্ত আৰু শান্তি হব। সেই সময়ত আমি সহাঁৰি জনালো। আলফাই সকলো পনবন্দীক মুক্তি দিয়ে চহীকৰা সকলৰ ভিতৰত আছে—(১) শ্রীজীৰকান্ত গগৈ (অধ্যক্ষ) (২) শ্রীপানীৰাম বাভা (৩) শ্রীপৰমেশ্বৰ ব্রহ্ম (৪) শ্রীমিলন বড়ো (৫) শ্রীথানেশ্বৰ বড়ো (৬) শ্রীবদন বকৰা (৭) শ্রীজয়নাথ শর্মা (৮) শ্রীমিছনৰঞ্জন দাস (৯) ডাঃ আব্দুল মহিব মজুমদাৰ (১০) শ্রীদেৰান জয়নাল আবেদিন (১১) শ্রীহিৰণ্য বৰা (১২) শ্রীপ্রমোদ গগৈ ইত্যাদি। মোৰ প্রশ্ন হৈছে যি সময়ৰ সিদ্ধান্ত আমি আলফাক পণবন্দী হিচাপে জেনেমিচ দিলো। মাননীয় অধ্যক্ষৰ সভাপতিত্বত বহা সভাহ সিদ্ধান্ত কৰা অনুযায়ী আমি সেই-সময়ত জেনেমিছ দিলো। এতিয়া গোটেইখিনি দুখ আমাক দিব খুজিছে। জেনেমিচ দিয়াৰ কাৰণে সকলোৱে মত। এতিয়া কৈছে আমি ওমদা পুহিছো। আমি বোলে আমাৰ কাৰণে এৰি দিছো।

মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰ গৃহমন্ত্রী ফুকনে কৈছে যে আমি প্রতিশোধ লব নেলাগে। মোৰ পৰিয়ালৰ ৫ জনক হত্যা কৰিলে, সেই হত্যাকাৰীৰ এজনকো আমি প্রতিশোধ লোৱা নাই। মাননীয় অধ্যক্ষ মহোদয় মোক মুখ্যমন্ত্রীয়ে কৈছিলে অসমৰ ১২৩ টা সমষ্টিৰ কংগ্রেছী পৰিয়ালৰ যি মানুহক হেকৰাইছে, যি দেউতাকক হেকৰাইছে, যি ভাই ভনীক হেকৰাইছে নিশ্চয় আমাৰ মুখ্যমন্ত্রীয়ে যি আমাৰ দেউতাক হত্যা কৰিছে, মাতৃক হত্যা কৰিছে, ভনীক হত্যা কৰিছে তাৰ ওপৰত প্রতিশোধ লব। কিন্তু আমি

একো ব্যৱস্থা নললো। আজি ডেৰ বছৰৰ আগৰ কথা এটা কৈছো মই যেতিয়া তিনিচুকীয়ালৈ গৈছিলো যেতিয়া চার্কিট হাউচত বহি আছিলো তেতিয়া ডি-চিও লগত আছিল। ইতিমধ্য ল'ৰা এটা আহিল তেতিয়া ডি-চিয়ে কৈছিল ল'ৰা এজনে আপোনাৰ লগত কথা পাতিব বিচাৰিছে। মই ল'ৰা জনৰ লগত কথা পাতিলো আৰু তেতিয়া ডেপুটি কমিচনাৰ বিৰত হৈছে। তেতিয়া তেখেতে মোক কৈছে যে আপুনি যিজন ল'ৰাৰ লগত কথা পাতিছে সেই ল'ৰা জনে আপোনাৰ ভতিজাক হত্যা কৰিছে। মই জানো এওঁৰেই মোৰ ভতিজাক হত্যা কৰিছে। কিন্তু আজি এইটো মোৰ প্ৰশ্ন নহয়—প্ৰশ্ন হৈছে অসমত শান্তি লাগে। অসমৰ বাইজে শান্তি বিচাৰিছে। মোৰ ভতিজাক যি হত্যা কৰিছিলে তেওঁ নিৰপৰাধী—ইঞ্জিনিয়াৰ। ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাই। তেওঁ এজন অতি মেধাৱি ছাত্ৰ। 'গলমেডেলিষ্ট ইঞ্জিনিয়াৰ' অপৰাধ তেওঁ হিতেশ্বৰ শইকীয়াৰ ভতিজাক মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভতিজাক হত্যা কৰিলে গা নুপুৰে। কোনোবাই আলফাক হত্যা কৰিলে এওঁলোকৰ গা পুৰে। এইটো এক পক্ষীয় ভাবে কিয় লব লাগে নিৰপেক্ষ ভাবেহে মনোভাৱ লব লাগে। মই বুজি নেপাওঁ ৰাজনীতি কৰিলো বুলিয়েই যে বংশ শেষ হৈ যাব নেকি? মাননীয় অধ্যক্ষ মহোদয়, এইটো কোৱাটো উচিত নহয় ভৃগু কুমাৰ ফুকন ডাঙৰীয়াই কৈছিল আমাৰ কিন্তু কোনো সম্পৰ্ক নাছিল আমি প্ৰশ্ৰয় দিয়া নাছিলো। তেখেত সকলৰ সম্পৰ্ক আছিলনে নাই নেজানো মই তিনিখন কাগজ পঢ়িম। এই খন ১ জুলাই চেণ্টিনেল—

"Referring to the ULFA problem Mr. Barua said that it is an outcome of the Assam Agitation. All the front line leaders of the then All Assam Students Union became Ministers, MLAs after the agitation and started to live luxuriously while thousands of youths remained unemployed, he stated.... Frustation has led to their taking up arms."

গতিকে কোনে প্ৰশ্ৰয় দিয়াটো হ'ল। মাননীয় অধ্যক্ষ মহোদয় এইখন চাৰ্কোলাৰ হৈছে মেম নম্বৰ।

Quoted.

"Did the AGP have any links with the ULFA Boys?

'Yes I have documentary evidence to that effect. Many

colleagues often urged me not to arrest ULFA boys. But mind it, I am not making charges against any party. After all, the fact is that these boys are our brothers and they are angry.

মাননীয় অধ্যক্ষ মহোদয়, তেখেত সকলে প্রশ্রয় নিদিলে আলফা নহলহেতেন। আপুনিও ৰাজনীতি কৰিছিলে ১৯৮৩ চনত এই সকল আলফাৰ নাম শুনিছিলনে? ১৯৮৫ চনত গণ পৰিষদ চৰকাৰ অহাৰ আগতে কোনো আলফাৰ নাম শুনিছিলনে? আলফাক ২ বছৰ ধৰি প্ৰশিক্ষণ দিয়াটো কোনে কৰিলে?

ULFA has reorganised its structure in all the districts of Brahamaputra valley. About 60 already trained members outside Assam had penetrated to all the districts by distributing them 1 to 3 in a group and completed their ULFA training classes to the local youths. The AGP leaders of Assam has been offering a sum of Rs. 500 to 1000 monthly to each members of trained ULFA youths. It is learnt that they will be used as their (AGPs) weapons during the period of ensuing Lok Sabha and Rajya Sabha elections. Plannig will be made by AGP not to allow any political party except AGP to held election campaign. Again in this respect they will use ULFA force to give obstacle if the other parties forcefully want to hold election campaign.

It is also planned by AGP to injure or to murder Cong. (I), CPM and minority leaders during election campaign which is learnt from secret source. ULFA has kept Revolver, Pistol, Stengun and hand granede secretly to use them in those terrorist affairs. Provisions have been kept to use taxi, motorcycles by ULFA activities during election campaign.

(Quoted... while listing the failure of the AGP Govt. concerning the ULFA between January and February he

mentioned that action was taken only against 12 persons... despite the assurance given by the AGP Govt and allowed to freely move within the frame work of law in dealing with violent and terrorist activities of ULFA who have been pleading for cessation of Assam from India, a section of Assam Police acted with courage and determination, but due to active intereference by top AGP leaders nothing could be done,

On 16th January, 1987, an adviser of ULFA was arrested by police on the basis of concrete documentry evidence but he had to be released before any interrogation could be done due to intereference from the Chief Minister and Home Minister of Assam. In February, 25th that year, the SP made another complaint Shri Medhi, Minister and Shri Kumar Dipak Das, Minister of State tried to influence him at the Barpeta Circuit House that the ULFA activists should not be arrested as they are preparing for examination..... The same Govt. has given clear instructions for taking action against this kind of offence After some discussion with DIG finally, the boys whose names were in the list, was asked not to be arrested

অধ্যক্ষ ডাঙৰীয়া, শ্ৰীযুবোধ কান্তি সহায় মিনিষ্টাৰ পার্লিয়ামেণ্ট) ১৯৯০ চনৰ ১ জানুৱাৰীৰ পৰা এই এবছৰে ১২৭২ কেচ ৰেজিষ্টাৰ হল, মাত্ৰ ১২ টা কেচ বাখি বাকী সকলোকে এৰি দিছে। তেখেত সকলে প্ৰশ্ৰয় দিয়া নাই বুলি কোনে কব। প্ৰশ্ৰয় দিয়াৰ কাৰণে সেই সময়ত হত্যাকাণ্ড বাঢ়িছিল। অসমৰ বাজনীতিৰ ইতিহাসত কোনো কালে এই ধৰণৰ বাজনীতি হোৱা নাছিল। তেখেত সকলে কৈছিল ক্ৰিমিনাইজেশ্বন কোনেও কৰা নাই। এই খিনিতে আন এটা পুলিচ ৰিপোৰ্ট—মই নামটো নকওঁ দুটা নামৰ এটা এটা আছে এডভাইজাৰ

অধ্যক্ষ ডাঙৰীয়া, আসাম হোম মিনিষ্ট্ৰিৰ গভৰ্ণমেণ্ট অব ইণ্ডিয়াৰ ৰিপোৰ্ট এইটো। অলপ পিচত এইখিনি আপোনাক দি দিম। এইবিলাক আমাৰ

নহয়, আসাম হোম মিনিষ্ট্রি গভর্নমেণ্ট অব ইণ্ডিয়াৰ ৰিপোর্ট। কোন কেইটা কালপ্রিট ধৰোতে কেনেকৈ এৰি দিছে। মই মুখনি মাৰিব খুজিছো এনেকুৱা এটা নতুন দায়িত্বলৈ। এই কথা বৰ্ত্তমান প্ৰকাশ পাইছে যে লক্ষীপথাৰ বা আৰু তাৰ নিকট স্থানত আলফাৰ যিবিলাক শিবিৰ উৎঘাটিত হৈছে সেই বিলাক কমেও দুই বছৰ আগতে প্ৰতিস্থিত। এই সুদীৰ্ঘ কাল চোৱাত এ. জি, পি, চৰকাৰে এই শিবিৰৰ কথা নাজানে, এইটো সঁচা কথা। আজিৰ অত্যাধুনিক চোৱাং চোৱা পদ্ধতি আৰু ইলেকট্রনিক যোগাযোগৰ দিনত অসমৰ চাৰিওফালৰ পৰা বাস্তৰ পথত একে স্থানতে তেনেধৰণৰ শিবিৰ নিৰ্মাণৰ কথা আগৰ চৰকাৰে নাজানে। ইয়াতকৈ দুখৰ কথা কি আছে। অৱশেষত প্ৰাক্তন মুখ্যমন্ত্রী শ্রীপ্রফুল্ল মহন্ত ডাঙৰীয়াই যোৱা ৯ ডিচেম্বৰত এই কাকতৰ প্ৰতিনিধিয়ে কবলগীয়া হ'ল, ৰাজ্যিক চোৱাংচোৱা বিভাগে চৰকাৰক বহু দিনৰ আগতে এই শিবিৰ সমুহৰ অৱস্থিতিৰ কথা জনাইছিল। আলফাৰ সমৰ্থক বহুত বেছি হোৱাত কোনো ব্যৱস্থা লোৱাটো সম্ভৱ নহয়। অৰ্থাৎ তেওঁলোকে দুই বছৰ কাল চাই থাকিল। তেওঁলোকৰ ট্রেইনিং আৰু হত্যাকাণ্ডৰ একো ব্যৱস্থা নললে। মাননীয় গৃহমন্ত্রী আৰু মাননীয় সদস্য শ্রীজয়নাথ শর্মাই কৈছে আছুৱে ঘোষনা কৰিছে যে তেওঁলোকে কোনো সন্ত্রাসবাদীৰ লগত নাই। এইটো ভাল কথা, তেওঁলোকে সন্ত্রাসবাদীৰ লগত নাথাকিলে আমি ভাল পাওঁ। মই এখন চিঠি পঢ়ি দিব খুজিছো, এই চিঠিখন লিখিছে এতিয়াৰ আছুৰ উপদেষ্টা শ্রীঅতুল বৰালৈ শ্রদ্ধা আৰু বৈপ্লবিক অভিনন্দন গ্রহণ কৰিব। আশা ৰাখিছো আপোনাৰ সকলো প্রকাৰে ভাল। মোৰ বৰ্ত্তমান ভাল, বিশেষ কাৰণত লিখিছো। আগতে আনিবলৈ দিয়া বস্তু তিনিটা খবৰ দিব, সোনকালে জনাব। আৰু অতুল দাই পাৰিলে ৩'৪ টো কিছুদিনৰ বাবে মোক দিব লাগে। এতিয়া ডাঙৰ আর্ম লৈ ফুৰিব নোৱাৰি ইয়াত নোৱাৰি-লেও যেনে তেনে বেলেগৰ পৰা ব্যৱস্থা কৰি দিব বুলি আশা কৰিলো। মই ৩৮৩২ গুলি অলপ আনিবলৈ দিছিলো, কি হ'ল? খবৰ দিবচোন। বৰ্ত্তমান ৩৮৩২ গুলি বৰ দৰ্কাৰ হৈছে। পাৰিলে এবাৰ লগ কৰিব, শেষত আপোনাৰ সু-স্বাস্থ্য কামনাৰে।' এতিয়া মই নামটো নকওঁ, আপোনাক কাগজ খন দিম।

অধ্যক্ষ ডাঙৰীয়া আজি যদি গণপৰিষদ চৰকাৰ বা সদৌ অসম ছাত্র সন্থাই হিংসা পৰিহাৰ কৰে ভাল কথা, অসমত শান্তি সোনকালে ঘুৰি আহিব। মাননীয় শ্রীজয়নাথ শর্মাই কৈছে মই বোলে পলিটিকচ ক্রিমিলাইজ কৰিছো। মই ইতিমধ্যে ভালেমান দৃষ্টান্ত দিছো। পলিটিকচ ক্রিমিলাইজ কোনে কৰিছে? মই ইতিমধ্যে পুলিচ বিভাগৰ চাৰকুলাৰ পঢ়ি দিছো আৰু সেই সময়ৰ আইন

মন্ত্রীয়ে পুলিচৰ পৰা কি কৰিছে মই কম। এইটো মই পুলিচ দায়েৰীৰ পৰা আনিছো। এইটো হ'ল তেওঁলোকৰ পলিটিকচ ক্রিমিনালাইজেশ্বন। যি সকল হত্যাকাৰী, খুনী সেই সকলক এৰি দি ধৰি দিবলৈ কৈছে। তেওঁলোকে সেই সময়ত আয়ত্ব কৰিব লাগিছিল, সেই সময়ত আলফাই ইমান গ্রো কৰিব পৰা নাছিল। আলফাৰ আৰম্ভনী হৈছিল, হত্যাকাণ্ড আয়ত্ব কৰিব পাৰিলে-হেতেন। সেই সময়ত যদি চৰকাৰে নিয়ন্ত্রণ কৰিলেহেতেন আজি আমি দোষৰ ভাগী নহওঁ।

চাৰ, এই বিলাক চি-বি-আইৰ পৰা আহিছে চৰকাৰী চিঠি। আমাৰ জগন্নাথ শৰ্মাৰ কেছ গৈছে চি-বি-আইৰ তালৈ আৰু এস-ও-চি কেচটো গৈছে। ইয়াত এই বিলাক চৰকাৰী চিঠি।

In every Brahmaputra weavers Co-Operative Society has been given to CBI and Shri Jaganath Sarma's case has been taken up by CBI and also the Animal Husbandarys case is also taken up by CBI. Recently CBI Director has come here.

চাৰ, চি-বি-আইয়ে দুটা কেচ ঘুৰাই দিছে এটা হ'ল ভেটেৰিনাৰি আৰু এনিমেল হাচবেন্দ্রিৰ আনটো হ'ল গুৱাহাটী মিউনিচিপেলৰ। এটা কেচ লৈছে। দুদিনৰ আগতে চি-বি আইৰ ডিৰেক্টৰ আহিছিল। তেখেতক অনুৰোধ কৰাত এটা কেচ লৈছে। আগতে তেওঁলোকে টার্ণ ডাউন কৰিছিল। পুনৰ অনুৰোধ কৰাত চাম বুলি কৈছে। এতিয়া অতি সোনকালে এটা অফিচ গুৱাহাটীতে হব আৰু তেতিয়া কেচ বিলাক সোনকালে নিষ্পত্তি কৰাত সহজ হব।

চাৰ, বড়োলেণ্ডৰ ওপৰত বিশেষ কবলৈ নাই। কথা হ'ল পাঁচশখন মান গাওঁৰ ক্ষেত্রত এটা অসুবিধা হৈছে সেইটো মানেই বড়োলেণ্ডৰ সমস্যাৰ কথা নহয়। তেখেতসকলে বিচাৰে ত্রিশখন গাওঁ আৰু আমাৰফালৰ পৰা পচিশ খন দিয়া হৈছে পাচ খন মান গাওঁ দিয়াত অসুবিধা হৈছে। কেন্দ্রীয় চৰকাৰৰ গৃহ বিভাগৰ পৰা নিৰ্দ্দেশ আহে। আমালৈ দুখনো চিঠি আহিছে। তাত নিৰ্দ্দেশ আছে যে ফৰেষ্ট বিজাৰ্ভ আৰু ইণ্টাৰনেশ্বনেল বাওণ্ডাৰিৰ কাষত থকা ঠাইবোৰ চাব লাগে। এখন চিঠি ২৫ নবেম্বৰৰ আৰু আনখন ২৪ ডিচেম্বৰৰ। ইণ্টাৰনেশ্বনেল বাওণ্ডাৰিৰ পৰা দহ কিলোমিটাৰ আৰু ফৰেষ্ট বিজাৰ্ভৰ পৰা বিশ কিলোমিটাৰ বাখিব লগা কথাৰ বিৰোধীতা কৰা নাই।

কিন্তু আমি লিখিছো তাৰ কপি দেখুৱাই দিম। আমি স্পষ্টভাবে লিখিছো আমি এৰিয়াৰ কন্টিগুইটি ৰাখিব বিচাৰিছো। ইণ্টাৰনেশ্বনেল বাওণ্ডাৰি আৰু ফৰেষ্ট ৰিজার্ভত দিছো। আজি জয়নাল আবেদিন ডাঙৰীয়াই ইচু এটা দিঘলীয়া কৰিব বিচাৰিছে বুলি কৈছে কিন্তু আচলতে সেইটো নহয়। কিয়নো আমি সেইটো কিয় কৰিম। দীঘলীয়া কৰা মানেই আমাক হত্যা কৰিব। কংগ্রেছ আইৰ হত্যা কৰিব। তেওঁবিলাকে তেখেতসকলক হত্যা নকৰে। আমাক কংগ্রেছ আইৰ লোককেই হত্যা কৰি আছে। বি-এচ-এফৰ টাৰগেট আমিবিলাকহে। আমি মাননীয় সদস্যই নকলেও আমাৰ ফালৰ পৰা মাননীয় সদস্য সকলৰে অনুৰোধ আছে তেখেতসকলৰ ফালৰ পৰা আলফা বা বি-এচ-এফক যদি বুজাই বঢ়াই আলোচনাৰ মেজলৈ আনিব পাৰে আমি সাজু আছো। আলোচনাৰ কাৰণে তেওঁবিলাকক বুজাই মেলি আনিবলৈ যি কোনো মাননীয় সদস্য শ্রীপ্রমোদ গগৈ ডাঙৰীয়া, বিৰোধী দলপতি শ্রীপ্রফুল্ল কুমাৰ মহন্ত বা জয়নাল আবেদিন ডাঙৰীয়া অথবা আন যি কোনো মাননীয় সদস্যলৈ আমি আহ্বান ৰাখিছো। আমি বি-এচ-এফ বা আলফাৰ লগত আলোচনাত নবহো বুলি কোৱা নাই। আনক আলোচনাৰ মেজলৈ আমি তাকেই বিচাৰি আছো। আমি বিচাৰিছো ইচুটোৰ এটা শেষ সিদ্ধান্ত হওক। আমি জীয়াই ৰাখিব বিচৰা নাই। আমি আৰু দীঘলীয়া কৰিবলৈ বিচৰা হলে চুক্তি নকৰিলোহেঁতেন।

চাৰ, স্বায়ত্বশাসন দিয়াকে লৈ নানা ধৰণৰ কথা কৈছে। স্বায়ত্বশাসন দিয়া মানে অসম খন খণ্ড বিখণ্ড কৰা বুলি দোষাৰোপ কৰিছে। কিন্তু সেইটো নহয়। অসমৰ সংহতি ৰক্ষাৰ কাৰণে স্বায়ত্বশাসন দিয়া হৈছে। কিন্তু আজি আঢ়ৈ বছৰৰ আগতে অসম গণ পৰিষদ দলৰ চৰকাৰ থকা সময়ত বড়ো সকলে বেলেগে ৰাজ্যৰ দাবী কৰিছিল। এ-এচ-ডি-চিয়ে সুকীয়া পাহাৰী ৰাজ্যৰ দাবী কৰিছিল। আনকি সেই সময়ৰ মন্ত্রী সভাত আজিৰ এ-এচ ডি-চিৰ মাননীয় সদস্য শ্রীহলিৰাম টেৰাং মন্ত্রীও আছিল। আমি আপত্তি কৰা নাছিলো। কিন্তু কিয় ওলাই আহিছিল ? গণ পৰিষদ দলৰ চৰকাৰ থকা কালত বড়ো সকলে সুকীয়া ৰাজ্যৰ দাবী কৰিছিল এ-এচ-ডি-এ সুকীয়া ৰাজ্যৰ দাবী কৰিছিল কিন্তু আজি বড়ো সকলে সুকীয়া ৰাজ্যৰ দাবী কৰা নাই, এ-এচ ডি চিৰ পৰাও সুকীয়া পাহাৰী ৰাজ্যৰ দাবী কৰা নাই। এইটো মোৰ কৃতকার্য্য নহয়। আজি মিচিং সকলকো স্বায়ত্বশাসন দিয়াৰ কথা কৈছো। এইটো কেন্দ্রীয় চৰকাৰে গঠন কৰি দিয়া ভূপেন্দ্র সিং কমিটিয়ে কৈছিল যে বড়ো সকলক আৰু মিচিং সকলক স্বায়ত্বশাসন দিব লাগে। বড়ো সকলক দিয়া হ'ল। যদি

বড়ো সকলে পায় মিচিং সকলে পায় ৰাভা সকলে আৰু তিৰা সকলে কিয় নাপাব ? কিন্তু স্বায়ত্বশাসন দিয়া মানেই সংহতি বিনষ্ট কৰা নহয়।

Mr. Speaker : Before continuing discussion, may I request the Hon'ble Members to extend the time ? Is it the pleasure of the House to extend the House ?

• Shri Promode Gogoi : We are in favour of extending the House, but at the same time we must be given opportunities to seek certain clarification from the Chief Minister.

*শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : স্বায়ত্ব শাসন দিয়া জনজাতি সকলে সংহতি ৰক্ষাৰ কাৰণেই বিচাৰিছে। স্বায়ত্ব শাসনে অসমৰ বিভিন্ন জনগোষ্ঠিৰ মাজত সংহতি বলিষ্ঠ আৰু সুদৃঢ় কৰিব। এই সম্পৰ্কত অসমৰ প্ৰবীন ৰেণ্য নেতা শ্রীদেৱকান্ত ৰুৰুৱাই লেখা উদ্ধৃতি দিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত অসমৰ প্ৰাক্তন নেতা মাননীয় শ্রীদেৱকান্ত ৰুৰুৱাৰ কথা উল্লেখ কৰিব খুজিছো—ইতিহাসক কোনেও অৱমাননা কৰিব নোৱাৰে। জাতি জনগোষ্ঠীসমূহে নিজা নিজা চিনাকিৰে জীয়াই থাকিবলৈ বিচৰাটো অসম বুৰঞ্জীৰ এক নিৰ্ম্মম সত্য। ইয়াক অস্বীকাৰ কৰা মানে ইতিহাসক নেওচা দিয়া। সেয়েহে ইতিহাসৰ দৃষ্টিকোনৰ পৰা জনগোষ্ঠী সমূহক স্বায়ত্ব শাসন দিয়াটো অপৰিহার্য্য কথা। এসময়ত মোৰ ৰাজনৈতিক সহকর্ম্মী আৰু বৰ্ত্তমানৰ মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়াই বুৰঞ্জীৰ এই সত্যটো স্বীকাৰ কৰি এক সময়োচিত কর্তব্য কৰা বুলিয়ে মই ভাবো। গতিকে আজি শইকীয়াৰ নেতৃত্বাধীন চৰকাৰে জনগোষ্ঠী সমূহক স্বায়ত্ব শাসন দিবলৈ যোৱাত সমসাময়িক ৰাজনীতিক সকলে উচপখাই উঠিলে ভাবীকালে এদিন তাক কৃতজ্ঞতাৰে স্মৰিব।

মাননীয় অধ্যক্ষ ডাঙৰীয়া আমি বহুত চিন্তা কৰিয়ে এই সিদ্ধান্ত লৈছো। শোষনৰ কথা কোৱা হৈছে—শোষন অসমৰ মানুহেও কৰিছে। মই শিলঙত পঢ়িছিলোঁ ১৯৫৭ চনত। মেঘালয়ৰ খাচিয়াই এটা কথা কৈছিল—অসমে শোষন কৰিছে। আমি কওঁ অসমে শোষন নকৰে, মেঘালয়ে কয় অসমে শোষন কৰে। এতিয়া কাৰ্বি আংলঙে কৈছে অসমে শোষন কৰিছে। সেই কাৰণে শোষনৰ কথাটো গনতন্ত্রত থাকিব নোৱাৰে। আমাৰ ভাৰতবর্ষ গনতান্ত্রীক ৰাষ্ট্র হোৱাৰ কাৰণে আমাৰ কোনো কোনো উন্নয়ত সময়মতে হোৱা নাই বা

*Speech not Corrected

নহল। সেইবোৰ কাৰণতে চৰকাৰে আমাক শোষন কৰে সেইটো কব নেলাগে।

অধ্যক্ষ ডাঙৰীয়া, মই মিজোৰামত ৰাজ্যপাল হৈ থাকোতে ৰাষ্ট্রপতি শাসনৰ সময়ত মই ৬ মাহ কাল চলাইছিলো। তেতিয়া আইজ্বাল চহৰত পানীৰ ব্যৱস্থা নাছিল, পানী শুকাই গৈছিল। তাত ৮ কিঃ মিঃ দূৰৰ পৰা ১ লাখ জনসাধাৰণৰ বাবে খোৱা পানীৰ যোগান ধৰা হৈছিল। সেই পানীৰ পইচাৰ খৰচ কেন্দ্রীয় চৰকাৰে বহন কৰিছিল। খাদ্য সামগ্রীৰ ক্ষেত্রটো কেন্দ্রীয় চৰকাৰে পইচা দিছিল। তেখেত সকলে কয় যে শোষন কৰিছিল। আমাৰ উন্নয়ন অন্যান্য ৰাজ্যৰ লগত একে নহয় কাৰণ হৈছে ঐতিহাসিক, আমাৰ এই অঞ্চলত বৃটিছৰ উপনিবেশ পলমকৈ হৈছিল। আমাৰ নেতা শ্রীশৰৎ সিংহ ডাঙৰীয়াৰ বিবৃতিকে কৰখোজো যে দিল্লীয়ে আমাক প্রবঞ্চনা কৰিছে শোষন কৰিছে, উপনিবেশ নীতি লৈছে সচাঁ কথা কিন্তু সেই একে দাবীকে যদি কাৰ্বি আংলঙৰ মানুহে কয়ে, দিশপুৱৰ বিৰুদ্ধে তুলে তেতিয়া? সেই মূহুৰ্ত্তত আমাৰ স্থিতি কি হব। আমি নিজে যি ব্যৱস্থা এটা কাৰ্বি আংলঙৰ ৰাইজৰ বিৰোদ্ধে কৰিছো সেই একে ধৰণৰ ব্যৱস্থা এটা কি যুক্তিত কৰিব পাৰো। অসমত ৰাষ্ট্রপতি শাসন প্রবর্ত্তন কৰাটো অতি দূর্ভাগ্যজনক। তাৰ পিচত গনতান্ত্রীক পদ্ধতিৰে নির্ব্বাচিত হৈ অহা চৰকাৰ এখন ভঙ্গ কৰি দিয়াৰ বাবে চাৰিওফালে হৈ চৈৰ সৃষ্টি হৈছিল। কিন্তু সেই একে গনতান্ত্রিক পদ্ধতিৰে নির্ব্বাচিত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পর্য্যায়ৰ জিলাপৰিষদ দুই খন গণপৰিষদ চৰকাৰে ভঙ্গ কৰি দিয়াটো কিয় হৈ-চৈ নহয়। ঠিক তেনেকৈ টাডা আৰু সামৰিক বাহিনীৰ আইন, কলা আইন অসমত প্রয়োজ্য কৰাত অসমৰ জনসাধাৰণৰ গণতান্ত্রীক অধিকাৰ খর্ব হ'ল' তেওঁলোকে কৈছিল—আমি কোনোৱে কাহানিও এনে অৱস্থা সমর্থন কৰব নোৱাৰো। কিন্তু গণপৰিষদ চৰকাৰে যেতিয়া কোকৰাঝাৰ জনসাধাৰণৰ ওপৰত টাডা আৰু কলা আইন প্রয়োগ কৰে তেতিয়া তাত আমাৰ কৰণীয় কি আছিল। অর্থাৎ তেনেধৰণে সকলো বিলাক 'ইণ্টাৰনেল' আমাৰ সমগ্র ঠাইতে হয় এইটো শৰৎ সিংহ ডাঙৰীয়াই কৈছিল।

বস্তুৰ মূল্য বৃদ্ধিৰ সম্পর্কে আলোচনা বিলোচনা হৈছিল। মই যোৱা কালিৰ ১৪-৩-৯৪ তাৰিখৰ বস্তুৰ মূল্যৰ বিষয়ে কওঁ। গুৱাহাটীত চাউলৰ দাম আছিল ৬'৫০ পইচাৰ পৰা ৯'৫০ পইচা আৰু কলিকতাত ৭'৫০ পইচাৰ পৰা ১০ টকা আৰু দিল্লীত ৮'০০ টকা। মচুৰ দাইল গুৱাহাটীত ১৩ টকাৰ পৰা ১৪ টকা, কলিকতাত ১৪ টকাৰ পৰা ১৫ টকা, দিল্লীত ১০ টকা, বহৰ দাইল—

গুৱাহাটীত ১৫ টকাৰ পৰা ১৮ টকা কলিকতাত ১৯ টকাৰ পৰা ২০ টকা আৰু দিল্লীত ১৬.৫০ পইচা। মগু-গুৱাহাটীত ১৬.৩০ পইচাৰ পৰা ১৭ টকা কলিকতাত ১৮ টকাৰ পৰা ২০ টকা আৰু দিল্লীত ১৭ টকা। ময়দা গুৱাহাটীত ৬.২০ পৰা ৭ টকা কলিকতাত ৬.৬০ পৰা ৬.৮০ পইচা আৰু দিল্লীত ৬ টকা। মিঠাতেল গুৱাহাটীত ২৮ টকাৰ পৰা ৩১ টকা কলিকতাত ৩১ টকা আৰু দিল্লীত ৩১ টকা। চেনী গুৱাহাটীত ১৩.৬০ পইচাৰ পৰা ১৪.৫০ পইচা কলিকতাত ৪ টকা দিল্লীত ১৩.৫০ পইচা। পিয়াজ গুৱাহাটীত ৫.৫০ পইচাৰ পৰা ৬ টকা কলিকতাত ৪ টকাৰ পৰা ৫ টকা আৰু দিল্লীত ৫.৫০ পইচা। আলুগুটি গুৱাহাটীত ২.৫০ পইচাৰ পৰা ৩.৫০ পইচা কলিকতাত ২ টকা দিল্লীত ২.৫০ পইচা। আটা গুৱাহাটীত ৬ টকাৰ পৰা ৬.৬০ পইচা আৰু দিল্লীত ৫.৮০ পইচা। বনস্পতি গুৱাহাটীত ৩৮ টকাৰ পৰা ৪০ টকা কলিকতাত ৩৮ টকাৰ পৰা ৩৯ টকা আৰু দিল্লীত ৩৫ টকা। এইটো হ'ল অধ্যক্ষ মহোদয় ১৪ তাৰিখৰ মূল্য। ইয়াত দেখা যায় গুৱাহাটী, কলিকতা আৰু দিল্লীত প্ৰায় একে ধৰণৰ বস্তুৰ মূল্য কিছু ক্ষেত্ৰত আমাৰ ইয়াত কম হৈ আছে—অথচ অসমে বাহিৰৰ পৰা বস্তু আনে। ১৯৮৫ চনত ৰহৰ দাইলৰ দাম হৈছে ১৪.৮৪ পইচা তেতিয়া আছিল আমাৰ চৰকাৰ। ১৯৯০ চনত বনস্পতিৰ দাম বাঢ়ি ৩৫ টকা হ'ল, সেই দৰে বস্তুৰ দাম ১৯৮৫ চনৰ বস্তুৰ দাম বাঢ়ছে। ৰহৰ দাইল ৬.৫৮ পইচাৰ পৰা ১৬.৫০ পইচা হৈছে, মচুৰ দাইল ৫.৫০ পৰা ১০.৫০ পইচা হ'ল। চেনীৰ ৬ টকাৰ পৰা ১০.৫০ পইচা হ'ল, আতা ২.৭১ পইচাৰ পৰা ৮.০০ টকা হ'ল। চাউল সাধাৰণ বিধৰ ৩.২১ পইচাৰ পৰা ৫.২৫ পইচা হ'ল। পৰিমল চাউল ৩৬৭ আছিল ১৯৯০ চনত হ'ল ৬.৪০ পইচা বুটৰ দাইল ৬.৮৪ পইচাৰ পৰা ১০.৫০ পইচাৰ পৰা হ'ল। নিমখ আছিল ১ টকা ১৯৯০ চনত ২ টকা হ'ল। ১৯৯০ চনত বস্তুৰ মূল্য বঢ়া স্বত্তেও আমি অসমত বস্তুৰ মূল্য নিয়ন্ত্রন কৰিব পাৰিছো। ১৯৯০ চনত চাউলৰ দাম ৫.২৫ পইচাৰ পৰা ৬.৪০ পইচা আছিল। এতিয়া ৬.৫০ পইচা। সেই সময়ত ১১.৫০ পইচা আছিল মচুৰ দাইল, এতিয়া ১৩ টকাৰ পৰা ১৪ টকা হৈছে। ৰহৰ দাইল আছিল ১৬.৫০ পইচা এতিয়া ১০.১৮ পইচা। মিঠাতেল আছিল সেই সময়ত ৩৫ টকা এতিয়া ২৮ টকাৰ পৰা ৩১ টকা। চেনীৰ দাম আছিল ১০.৫০ পইচা এতিয়া ১৩ টকা। পিয়াজ আছিল ৮ টকা এতিয়া ৫.৫০ পইচা। আলু ৪.৫০ পইচা আছিল এতিয়া ২.৫০ পইচা।

অধ্যক্ষ ডাঙৰীয়া, দেখা যায় বস্তুৰ দাম নিয়ন্ত্রন কৰাৰ ক্ষেত্রত বহুত ব্যৱস্থা লৈছো। সেয়েহে ১৯৯০ চনৰ পিছত আমি বস্তুৰ দাম বাঢ়িবলৈ দিয়া নাই। যিমান পৰা যায় নিয়ন্ত্রন কৰিবলৈ চেষ্টা কৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, দুর্নীতিৰ বিষয়ে আমাৰ ওপৰত বহুতো আক্রমণ চলিছে। দুর্নীতিৰ সংক্রান্তত যিমানদূৰ পৰা যায় আমি নিয়ন্ত্রণ কৰিবলৈ চেষ্টা কৰিছো আৰু এই ক্ষেত্রত সকলো ব্যৱস্থা লোৱা হৈছে। আমি যত খবৰ পাইছো সেইমতে ব্যৱস্থা লৈছো। বহুতো কেচ তদন্ত হৈছে। বহুতো কৰায়ত্ব কৰা হৈছে, শাস্তিও দিয়া হৈছে। আজি বিৰোধী দলৰ মাননীয় সদস্য গোস্বামীয়ে কৈছে যে আমি ওলাব নোৱাৰা হৈছো, ফুৰিব নোৱাৰা হৈছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি চার্টিফিকেট ক'ৰ পৰা লওঁ? স্কুলৰ হেড মাষ্টৰে চার্টিফিকেট দিয়ে আৰু আমি কেতিয়াবা নগৰ বা আমাৰ অঞ্চলৰ ভদ্র বুলি কোৱা যায় বা ভাৰমূর্ত্তি ভাল লোকৰ পৰা চার্টিফিকেটখন লৈ যাওঁ। কাৰণ তেওঁ লিখি দিয়ে হি বিয়েষচ্ এ গোড মৰেল কেৰেকটাৰ। এতিয়া অধ্যক্ষ ডাঙৰীয়া, যাৰ মৰেল কেৰেকটাৰ ভাল তেওঁৰ পৰা লম নে ইমৰেলৰ পৰা লম। যি সকল ইমৰেলে দুর্নীতি কৰিলে তেওঁলোকে মোক চার্টিফিকেট দিব বিচাৰিছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য ভৃগু কুমাৰ ফুকনৰ মন্তব্যত কংগ্রেছ আইতকৈ অ গ প ই বেছি দুর্নীতি কৰিছে। মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক কাগজ দিম পঢ়িব। শেষত কৈছো প্রথম বাৰৰ বাবে এনে কথা কোৱা হৈছে মহন্তই কোৱা এনেধৰণৰ বহুত কথা আছে।

